BPS S6 02 (M)
Exam Code: PSM6B

ৰাজনৈতিক চিন্তাবিদসকল

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড ১



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তনু চক্রৱর্ত্তী, কটন বিশ্ববিদ্যালয়

ড° ধ্রুবপ্রতীম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
১	ড° মানসী শর্মা, আর্য বিদ্যাপীঠ মহাবিদ্যালয় গুৱাহাটী	জোনালী ৱাভা, **e-governance cell, G.U.**
২	ইন্দ্রাণী চৌধুৰী মহন্ত দিচপুৰ মহাবিদ্যালয়,গুৱাহাটী	জোনালী ৱাভা, **e-governance cell, G.U.**
৩,৪,৫,৬,৭ আৰু ৮	বর্ণালী কলিতা গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়	বর্ণালী কলিতা গৱেষক ছাত্রী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৯	বর্ণালী কলিতা, গৱেষক ছাত্রী	গীতাঞ্জলি মেধি, কৃ. কা. স. ৱা. মু. বি.

সম্পাদনা ঃ

বিষয়ৱস্তু সম্পাদনা ঃ ড° বিপুল দাস, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনা ঃ ড° নিভা ৱাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ পেচিফিক্ লেজাৰ প্রিণ্টচ্, গণেশগুৰি, গুৱাহাটী - ৭৮১০০৬

প্রথম প্রকাশঃ অক্টোবৰ, ২০১৯

ISBN : 978-93-89559-44-6

© কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

হাউচ্‌ফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬
Web : www.kkhsou.org

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ প্লেট' আৰু এৰিষ্ট'টল ৭-১৮

প্লেট' ঃ ন্যায়ৰ তত্ত্ব, আদর্শ ৰাষ্ট্রৰ তত্ত্ব; এৰিষ্ট'টল ঃ নাগৰিকত্বৰ তত্ত্ব আৰু বিপ্লৱৰ তত্ত্ব

অধ্যায় ২ ঃ চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থ'মাছ একুইনাছ ১৯-৩০

মানৱ প্রকৃতি সম্পর্কে চেইণ্ট আগষ্টাইনৰ দৃষ্টিভংগী; ৰাষ্ট্র, ঈশ্বৰৰ নগৰী, ন্যায় সম্পর্কে চেইণ্ট আগষ্টাইনৰ দৃষ্টিভংগী; চেইণ্ট আগষ্টাইনৰ অৱদান; চেইণ্ট থ'মাছ একুইনাছৰ ৰাজনৈতিক চিন্তা, চেইণ্ট থ'মাছ একুইনাছৰ দর্শন; ৰাষ্ট্রৰ উৎপত্তি, যুক্তি আৰু বিশ্বাস, চৰকাৰৰ শ্রেণীবিভাজন আৰু কার্য-সম্পাদন পদ্ধতি, গীর্জাৰ শ্রেষ্ঠত্ব সম্পর্কে চেইণ্ট একুইনাছৰ দৃষ্টিভংগী

অধ্যায় ৩ ঃ নিক'ল' মেকিয়াভেলি ৩১-৪০

মানৱ প্রকৃতি, চৰকাৰৰ ৰূপ, শাসনাধীন অঞ্চলৰ সংৰক্ষণ, নীতিশাস্ত্র আৰু ৰাজনীতি সম্পর্কে মেকিয়াভেলিৰ দৃষ্টিভংগী; ৰাজনৈতিক চিন্তালৈ মেকিয়াভেলিৰ অৱদান

অধ্যায় ৪ ঃ থ'মাছ হ'বচ্ ৪১-৫০

মানৱ প্রকৃতি আৰু ৰাষ্ট্র সম্পর্কে হ'বচ্ৰ দৃষ্টিভংগী

অধ্যায় ৫ ঃ জন ল'ক ৫১-৬০

মানৱ প্রকৃতি, সামাজিক চুক্তি তত্ত্ব, ব্যক্তিবাদ, নাৰী স্বাধীনতা আৰু ব্যক্তিগত সম্পত্তি বিষয়ত ল'কৰ দৃষ্টিভংগী;

অধ্যায় ৬ ঃ জ্যাঁ জেক ৰুছো ৬১-৭০

সামাজিক চুক্তি তত্ত্ব, সাধাৰণ ইচ্ছা তত্ত্ব, ৰাজনৈতিক চিন্তাধাৰালৈ ৰুছোৰ অৱদান

অধ্যায় ৭ ঃ জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিল ৭১-৮০

উপযোগিতাবাদঃ জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিল

অধ্যায় ৮ ঃ কার্ল মার্ক্স ৮১-৯১

দ্বন্দ্বাত্মক বস্তুবাদৰ তত্ত্ব, শ্রেণী সংঘাতৰ তত্ত্ব, বিচ্ছিন্নতাৰ তত্ত্ব

অধ্যায় ৯ ঃ ভি. আই. লেনিন, মাও-ছে-টুং আৰু এণ্ট'নিঅ' গ্রাম্ছী ৯২-১০৪

ভি. আই. লেনিন ঃ সাম্রাজ্যবাদ, বিপ্লৱ আৰু কমিউনিষ্ঠ পার্টিৰ ভূমিকা সম্পর্কীয় মতবাদ; মাও-ছে-টুং ঃ ৰাজনৈতিক ধাৰণা আৰু বিপ্লৱ সম্পর্কীয় দৃষ্টিভংগী; এণ্টনিঅ' গ্রাম্ছীঃ আধিপত্যবাদ আৰু ৰাষ্ট্র সম্পর্কে গ্রাম্ছীৰ দৃষ্টিভংগী

পাঠ্যবিষয়ৰ পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয় ষষ্ঠ ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল ''ৰাজনৈতিক চিন্তাবিদসকল'। ৰাজনীতি বিজ্ঞানঅধ্যয়নৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ল ৰাজনৈতিক চিন্তাবিদসকলৰ অৰিহণা। দৰাচলতে ৰাজনৈতিক দৰ্শনৰ জগতখনৰ এটা তাত্ত্বিক সংৰচনা বিকাশাই তোলাত ইতিহাসৰ বিভিন্ন পৰ্য্যায়ত প্ৰাচ্য আৰু পাশ্চাত্যৰ স্বনামধন্য ৰাজনৈতিক চিন্তাবিদসকলৰ দৃষ্টিভংগীয়ে তাৎপৰ্যপূৰ্ণ প্ৰভাৱ পেলাইছে। 'ৰাজনৈতিক চিন্তাবিদসকল' নাম দিয়া এই পাঠ্যবিষয়টোত মুঠ ১৫ টা অধ্যায় আছে। অধ্যায়বোৰত প্ৰাচ্য আৰু পাশ্চাত্যৰ ধ্ৰুপদী তথা আধুনিক যুগৰ কেইগৰাকীমান অগ্ৰণী চিন্তাবিদৰ ৰাজনৈতিক চিন্তা আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়ত প্ৰাচীন গ্ৰীচৰ দুগৰাকী মহান ৰাজনৈতিক চিন্তাবিদ প্লেট' আৰু এৰিষ্ট'টলৰ দৃষ্টিভংগী আলোচনা কৰা হৈছে। গ্ৰীচ হ'ল পশ্চিমীয়া পৃথিৱীখনৰ ৰাজনৈতিক চিন্তাৰ জন্মভূমি। ৰাজনৈতিক চিন্তাৰ ইতিহাস অধ্যয়ন কৰিলে আমি দেখিম যে অতীজৰ, বিশেষকৈ মধ্যযুগৰ কিছুমান চিন্তাবিদৰ দৰ্শনৰ এক অন্তৰ্নিহিত দিশ আছিল গীৰ্জা (ধৰ্মীয় কৰ্তৃত্ব) আৰু ৰাষ্ট্ৰ (পাৰ্থিৱ কৰ্তৃত্ব)ৰ মাজৰ সম্পৰ্ক। দ্বিতীয় অধ্যায়ত দুগৰাকী মহান খৃষ্টান দাৰ্শনিক ক্ৰমে চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থ'মাছ একুইনাছৰ ৰাজনৈতিক দৃষ্টিভংগী আলোচনা কৰা হৈছে। আধুনিক যুগৰ সূচনা হোৱাৰ লগে লগে ৰাজনৈতিক চিন্তাৰ জগতখনতো নতুন চিন্তাৰ বিকাশ ঘটিল। এই যুগত ৰাষ্ট্ৰ পৰিচালনাৰ নীতি, মানৱ প্ৰকৃতি আৰু স্বাধীনতা সম্পৰ্কীয় মৌলিক ধাৰণাবোৰ সলনি হ'ল। মানুহে ৰাজনৈতিক বাধ্যবাধকতাৰ দিশটোৰ লগতে সমাজ তথা ৰাষ্ট্ৰ গঠনৰ ধাৰণাবোৰো আলোচনা কৰিবলৈ ল'লে। পাঠ্যবিষয়ৰ তৃতীয়, চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত সেইবাবে আধুনিক যুগৰ আৰম্ভণি কালছোৱাৰ অগ্ৰণী ৰাজনৈতিক চিন্তাবিদ নিক'ল' মেকিয়াভেলি, থ'মাচ হ'বচ্, জন ল'ক্ আৰু জ্যাঁ জেক ৰুছোৰ দৃষ্টিতংগী তথা ধাৰণাবোৰ আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিলে আগবঢ়োৱা উপযোগিতাবাদৰ তত্ত্বটো আলোচনা কৰা হৈছে। ৰাজনৈতিক চিন্তাৰ আলোচনা কালত মার্ক্সবাদে এক গুৰুত্বপূৰ্ণ স্থান দখল কৰে। সেয়েহে অষ্টম অধ্যায়ত দ্বন্দ্বাত্মক বস্তুবাদ, শ্ৰেণী সংঘাত আৰু বিচ্ছিন্নতাবাদ সম্পৰ্কে কার্ল মার্ক্সে আগবঢ়োৱা তত্ত্বকেইটা বিশ্লেষণ কৰি চোৱা হৈছে। নৱম অধ্যায়ত ভি. আই. লেনিন, মাও-ছে-টুং আৰু এণ্ট' নিঅ' গ্ৰাম্ছীৰ বিস্তৃত পৰিচয় দাঙি ধৰাৰ লগতে তেওঁলোকে আগবঢ়োৱা তত্ত্ববোৰ বহলাই আলোচনা কৰা হৈছে।

ৰাজনৈতিক চিন্তা বিস্তৃতভাৱে বুজাত ভাৰতীয় ৰাজনৈতিক চিন্তাবিদসকলৰ দৃষ্টিভংগী আৰু ধাৰণাবোৰেও অৰিহণা আগবঢ়ায়। সেয়েহে, অধ্যায় দহ আৰু এঘাৰত শিক্ষার্থীসকলক প্ৰাচীন ভাৰতৰ দুগৰাকী মহান ৰাজনৈতিক চিন্তাবিদ মনু আৰু কৌটিল্যৰ চিন্তা-চৰ্চাৰ সৈতে পৰিচয় কৰাই দিয়াৰ চেষ্টা চলোৱা হৈছে। দুয়োগৰাকীয়ে ৰাষ্ট্ৰ আৰু চৰকাৰ বিষয়ক নানা দিশ সম্পৰ্কে গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়াই থৈ গৈছে।

দ্বাদশ আৰু ত্ৰয়োদশ অধ্যায়ত শিক্ষার্থীসকলক আধুনিক যুগৰ দুগৰাকী মহান ব্যক্তিত্বৰ ৰাজনৈতিক দৃষ্টিভংগীৰ বিষয়ে অৱগত কৰোৱা হৈছে। অধ্যায় দুটি পঢ়ি শিক্ষার্থীসকলে আধুনিক যুগৰ দুগৰাকী অগ্ৰণী নেতা গান্ধী আৰু নেহৰুৰ বিষয়ে জনাৰ লগতে তেওঁলোকৰ চিন্তাধাৰা সম্পৰ্কে অৱগত হ'ব। তেওঁলোকৰ চিন্তা আৰু ধাৰণাবোৰে ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্ৰবোৰলৈ তাৎপৰ্যপূৰ্ণ অৱদান আগবঢ়াই ভাৰতীয় ৰাজনৈতিক পৰম্পৰা আৰু চিন্তাৰ জগতখন সমৃদ্ধ কৰিছে। চতুৰ্দশ অধ্যায়ত আন এগৰাকী আধুনিক ৰাজনৈতিক চিন্তাবিদ ড° বি.আৰ. আম্বেদকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। একেবাৰে শেষত, পঞ্চদশ অধ্যয়ত আচার্য ৰিনোভা ভাৱে আৰু জে.পি. নাৰায়ণৰ ৰাজনৈতিক দৃষ্টিভংগী তথা ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰা হৈছে। ৰিনোভা ভাৱেৰ সর্বোদয়, ভূদান আৰু গ্ৰামদান আন্দোলন বিষয়ক দৃষ্টিভংগী আৰু জে.পি. নাৰায়ণৰ সমাজবাদ তথা সম্পূৰ্ণ বিপ্লৱৰ ধাৰণাবোৰৰ বিশ্লেষণক অধ্যায়টিত স্থান দিয়া হৈছে।

''ৰাজনৈতিক চিন্তাবিদসকল'' নামৰ এই পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে। খণ্ড-১ ত মুঠ -৯ টা অধ্যায় (অধ্যায় ১ ৰ পৰা ৯) আৰু খণ্ড-২ ত মুঠ ৬ টা অধ্যায় (অধ্যায়ন ১০ৰ পৰা১৫)সন্নিৱিষ্ট কৰা হৈছে।

খণ্ড- ১ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ যাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় অথবা কাকতখনৰ এইটো হ'ল- প্রথম খণ্ড। এই পাঠ্য বিষয়টোৰ শিৰোনাম হ'ল "ৰাজনৈতিক চিন্তাবিদসকল"। পাঠ্যবিষয়ৰ প্রথম খণ্ডত মুঠ নটা অধ্যায় (অধ্যায় ১-৯) সন্নিৱিষ্ট কৰা হৈছে।

প্রথম অধ্যায়ত প্রাচীন গ্রীচৰ দুগৰাকী মহান ৰাজনৈতিক চিন্তাবিদ প্লেটো আৰু এৰিষ্ট'টলৰ দৃষ্টিভংগী আলোচনা কৰা হৈছে। গ্রীচ হ'ল পশ্চিমীয়া পৃথিৱীখনৰ ৰাজনৈতিক চিন্তাৰ জন্মভূমি। ৰাজনৈতিক চিন্তাৰ ইতিহাস অধ্যয়ন কৰিলে আমি দেখিম যে অতীজৰ, বিশেষকৈ মধ্যযুগৰ কিছুমান চিন্তাবিদৰ দর্শনৰ এক অন্তর্নিহিত দিশ আছিলগীর্জা (ধর্মীয় কর্তৃত্ব) আৰু ৰাষ্ট্র (পার্থিৱ কর্তৃত্ব)ৰ মাজৰ সম্পর্ক দ্বিতীয় অধ্যায়ত দুগৰাকী মহান খৃষ্টান দার্শনিক ক্রমে চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থ'মাছ একুইনাছৰ ৰজানৈতিক দৃষ্টিভংগী আলোচনা কৰা হৈছে। আধুনিক যুগৰ সূচনা হোৱাৰ বিকাশ ঘটিল। এই যুগত ৰাষ্ট্র পৰিচালনাৰ নীতি, মানৱ প্রকৃতি আৰু স্বাধীনতা সম্পর্কীয় মৌলিক ধাৰণাবোৰ সলনি হ'ল। মানুহে ৰাজনৈতিক বাধ্যবাধকতাৰ দিশটোত লগতে সমাজ তথা ৰাষ্ট্র গঠনৰ ধাৰণাবোৰো আলোচনা কৰিবলৈ ল'লে। পাঠ্যবিষয়ৰ তৃতীয়, চতুর্থ, পঞ্চম আৰু ষষ্ঠ অধ্যায়ত সেইবাবে আধুনিক যুগৰ আৰম্ভণি কালছোৱাৰ অগ্রণী ৰাজনৈতিক চিন্তাবিদ নিক'ল' মেকিয়াভেলি, থ'মাচ হ'বচ্, জন ল'ক্ আৰু জ্যাঁ জেক ৰুছোৰ দৃষ্টিতংগী তথা ধাৰণাবোৰ আলোচনা কৰা হৈছে। সপ্তম অধ্যায়ত জেৰেমি বেন্থাম আৰু জন ষ্টুৱার্ট মিলে আগবঢ়োৱা উপযোগিতাবাদৰ তত্ত্বটো আলোচনা কৰা হৈছে। ৰাজনৈতিক চিন্তাৰ আলোচনা কালত মার্ক্সবাদে এক গুৰুত্বপূর্ণ স্থান দখল কৰে। সেয়েহে অষ্টম অধ্যায়ত দ্বন্দ্বাত্মক বস্তুবাদ, শ্রেণী সংঘাত আৰু বিচ্ছিন্নতাবাদ সম্পর্কে কার্ল মার্ক্সে আগবঢ়োৱা তত্ত্বকেইটা বিশ্লেষণ কৰি চোৱা হৈছে। নৱম অধ্যায়ত ভি. আই. লেনিন, মাও-ছে-টুং আৰু এণ্ট' নিঅ' গ্রাম্ছীৰ বিস্তৃত পৰিচয় দাঙি ধৰাৰ লগতে তেওঁলোকে আগবঢ়োৱা তত্ত্ববোৰ বহলাই আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক' সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আহি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আহিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ঃ প্লেটো আৰু এৰিষ্টটল

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ প্লেটো
১.৩.১ প্লেটোৰ ন্যায় তত্ত্ব
১.৩.২ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ তত্ত্ব
১.৪ এৰিষ্টটল
১.৪.১ এৰিষ্টটলৰ নাগৰিকত্বৰ তত্ত্ব
১.৪.২ এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্ব
১.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্রগতিৰ খতিয়ান
১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- প্লেটোৰ ন্যায় তত্ত্বটো আলোচনা কৰিব পাৰিব
- প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ধাৰণা বর্ণনা কৰিব পাৰিব
- এৰিষ্টটলৰ নাগৰিকত্বৰ তত্ত্বৰ বিশ্লেষণ কৰিব পাৰিব
- এৰিষ্টটলৰ বিপ্লৱৰ ধাৰণা পৰীক্ষা কৰিব পাৰিব।

১.২ পৰিচয়

পশ্চিমীয়া ৰাজনৈতিক চিন্তাৰ ইতিহাস দুজন বিখ্যাত গ্রীক দার্শনিক প্লেটো আৰু এৰিষ্টটলৰ সৈতে আৰম্ভ হোৱা বুলি ক'ব পাৰি। এই দুজন বিখ্যাত দার্শনিকে বিভিন্ন বিষয়ত আগবঢ়োৱা তেওঁলোকৰ চিন্তা আৰু মতবাদৰ সহায়ত সেই সময়ৰ সমাজ আৰু ৰাজনীতিত এক বিশেষ প্রভাৱ পেলাবলৈ সক্ষম হৈছিল। এইটো অধ্যায়ত আমি প্লেটোৱে বিভিন্ন বিষয়ত আগবঢ়োৱা ধাৰণাসমূহ, যেনে— ন্যায়তত্ত্ব আৰু আদর্শ ৰাষ্ট্ৰৰ তত্ত্ব সম্পর্কে আলোচনা কৰিম আৰু লগতে এৰিষ্টটলৰ নাগৰিকত্বৰ তত্ত্ব আৰু বিপ্লৱ তত্ত্বৰ সম্পর্কেও ইয়াত আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে। এই তত্ত্ববোৰ অধ্যয়ন কৰি আপোনালোকে সাধাৰণভাৱে পূৰণি গ্রীক সমাজৰ ৰাজনৈতিক আদর্শসমূহ আৰু বিশেষকৈ প্লেটো আৰু এৰিষ্টটলৰ ৰাজনৈতিক আদর্শসমূহৰ লগত পৰিচিত হ'ব পাৰিব।

১.৩ প্লেটো

প্লেটো (৪২৭ খ্ৰীঃপূঃ - ৩৪৭ খ্ৰীঃপূঃ)ৰ কৰ্মৰাজি হ'ল কলা, বিজ্ঞান, দৰ্শন, কবিতা, নীতিশাস্ত্ৰ আৰু অধিবিদ্যাৰ এক সমন্বয়, আন কথাত ক'বলৈ গ'লে ই হ'ল এজন মানুহৰ এক সম্পূৰ্ণ জীৱন প্ৰক্ৰিয়া। প্লেটোৱে চক্ৰেটিছক নিজৰ গুৰু হিচাপে জ্ঞান কৰিছিল আৰু তেওঁৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। প্লেটোৱে সেই সময়ৰ সমাজৰ প্ৰচলিত নিয়ম-কানুন আৰু শাসন ব্যৱস্থাক লৈ সম্পূৰ্ণভাৱে অসন্তুষ্ট আছিল। সেয়েহে তেওঁ বিভিন্ন বিষয়ত নিজৰ ধাৰণাসমূহ গঢ়ি তুলিছিল। তেওঁ বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ এখন সদায় এজন সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বজ্ঞানী ব্যক্তিৰ দ্বাৰা শাসিত হ'ব লাগে। তেওঁৰ আটাইতকৈ দৰকাৰী গ্ৰন্থ— "দ্য ৰিপাব্লিক" *(The Republic)* হ'ল বিশ্বসমাজলৈ এক বৃহৎ অৱদান য'ত তেওঁ নৈতিকতাৰ আঁৰত ৰাজনীতিক ব্যাখ্যা কৰিছে। প্লেটোৰ আন আন দৰকাৰী কৰ্মসমূহ হ'ল— "দ্য ষ্টেটচমেন" *(The Statesmen)* আৰু "দ্য লজ' " *(The Laws)*।

১.৩.১ প্লেটোৰ ন্যায় তত্ত্ব

প্লেটোৱে মতপোষণ কৰিছিল যে এখন ৰাষ্ট্ৰৰ মূলভেঁটি ন্যায় হোৱা উচিত। তেওঁ কৈছিল যে ন্যায় হ'ল এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু সামাজিক ব্যাধিসমূহ দূৰ কৰাৰ একমাত্ৰ উপায়। প্লেটোৰ ন্যায়তত্ত্ব অনুসৰি প্ৰত্যেকজন নাগৰিকে তেওঁ সকলোতকৈ সমৰ্থবান হোৱা কাৰ্যসমূহে সমাপন কৰে আৰু আনৰ কাৰ্যত কোনো প্ৰতিবন্ধকতাৰ সৃষ্টি নকৰে। অৰ্থাৎ, প্ৰতিটো শ্ৰেণীয়ে ৰাষ্ট্ৰ এখনত ইয়াৰ ভূমিকা সুকলমে পালন কৰে আৰু এনেদৰে এখন ৰাষ্ট্ৰই প্ৰাকৃতিকভাৱে শান্তি আৰু সমৃদ্ধিৰ দিশে গতি কৰে।

প্লেটোৰ ন্যায়ৰ প্ৰকৃতি হ'ল নৈতিক আৰু দাৰ্শনিক। প্লেটোৰ ন্যায় তত্ত্ব অনুসৰি এজন ব্যক্তিয়ে সেইসমূহ কাৰ্যহে সম্পন্ন কৰিব লাগে যিবোৰ তেওঁৰ প্ৰাকৃতিক যোগ্যতাৰ সৈতে সুন্দৰকৈ খাপ খাই পৰে আৰু আনৰ কাৰ্যত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নালাগে। আন কথাত ক'বলৈ গ'লে প্লেটোৰ ন্যায় তত্ত্বই কাৰ্যৰ বিশেষীকৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। ন্যায়ে সেয়েহে কোনো এক উপযুক্ত স্থানত এজন ব্যক্তিৰ দায়িত্বৰ পৰিপূৰ্ণতাকে বুজায়। সংক্ষেপতে ক'বলৈ গ'লে, প্লেটোৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰত প্ৰত্যেকজন ব্যক্তিয়ে আনৰ কাৰ্যত ব্যাঘাত নজন্মোৱাকৈ নিজৰ কাৰ্যসমূহ সমাপন কৰে।

প্লেটোৱে এহাতে মানৱীয় একক (human organism) আৰু আনহাতে সামাজিক এককৰ (social organism) মাজত এক সাদৃশ্যৰ সৃষ্টি কৰিছিল। প্লেটোৰ মতে মানৱীয় একক তিনিটা উপাদানযুক্ত যুক্তি, সাহস আৰু ক্ষুধা। মানৱীয় এককৰ

লগত সাদৃশ্য ৰাখি প্লেটোৱে সামাজিক একককো তিনিটা শ্রেণীত ভাগ কৰিছিল। এই শ্রেণীসমূহ হ'ল— দার্শনিক শ্রেণী নাইবা শাসকীয় শ্রেণী যিয়ে যুক্তিৰ প্রতিনিধিত্ব কৰে, সহায়কাৰী অথবা যোদ্ধা শ্রেণী যিয়ে সাহসক প্রতিনিধিত্ব কৰে আৰু শ্রমিক শ্রেণী যিটো খেতিয়ক, কাৰিকৰ, কাঠমিস্ত্রী আদিৰে গঠিত হয় আৰু এই শ্রেণীটোৱে ক্ষুধা উপাদানটো প্রতিনিধিত্ব কৰে। প্লেটোৱে মতপোষণ কৰিছিল যে যেতিয়া সমাজৰ প্রতিটো শ্রেণীয়ে আনৰ কার্যত ব্যাঘাত নজন্মোৱাকৈ নিজৰ আৰোপিত কর্তব্যসমূহ পালন কৰে তেতিয়া প্রকৃত অর্থত সমাজত ন্যায় বর্তি থাকে। আন কথাত ক'বলৈ গ'লে প্লেটোৰ ন্যায়ৰ তত্ত্বই কার্যাত্মক বিশেষত্বক (specialisation of functions) প্রতিষ্ঠা কৰে যিয়ে সমাজৰ প্রতিটো শ্রেণীৰে স্ব-আৰোপিত কার্যসমূহ সম্পন্ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। প্লেটোৰ মতে প্রকৃত ন্যায় কেৱল এখন আদর্শ ৰাষ্ট্রতহে বর্তি থাকে যিখন আদর্শ ৰাষ্ট্র এজন দার্শনিক ৰজাৰ আদর্শ জ্ঞান, সঠিক শিক্ষা, সাম্যবাদৰ নীতি, কার্যাত্মক বিশেষত্বৰ ওপৰত নির্ভৰ কৰি গঢ় লৈ উঠে। প্লেটোৰ ন্যায়তত্ত্বই কেতবোৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল। সেইসমূহ হ'ল—

- প্লেটোৱে দ্বন্দ্ব বা কাজিয়াৰ মীমাংসাৰ কাৰণে কোনোধৰণৰ আইন, আদালত বা ন্যায়িক সুবিধাৰ উল্লেখ কৰা নাই।
- এই তত্ত্বটোৱে ব্যক্তি আৰু সামাজিক নীতি-নিয়ম দুয়োটাকে এক স্থিৰ চৰিত্র প্রদান কৰে। ই মতপোষণ কৰে যে এজন ব্যক্তিয়ে কেৱল নিজস্ব কর্মৰ মাজতে সন্তুষ্ট থাকিব লাগে।
- আধুনিক গণতান্ত্রিক ৰাষ্ট্রত ন্যায়ৰ অর্থ হ'ল সমানতা। কিন্তু প্লেটোৱে তেওঁৰ ন্যায়তত্ত্বৰ মাজেৰে সকলোৰে বাবে সমতা ব্যাখ্যা কৰা নাই।
- প্লেটোৰ ন্যায়তত্ত্বই এক দৃঢ় আৰু প্রকৃত শ্রম বিভাজনৰ প্রয়োজনীয়তাক দর্শায়, যিটো বর্তমানৰ আধুনিক ৰাষ্ট্রত প্রযোজ্য নহয়, কাৰণ বর্তমান সময়ৰ ৰাষ্ট্রসমূহত এক বৃহৎসংখ্যক জনসংখ্যা থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্লেটোৰ দুখন উল্লেখযোগ্য গ্রন্থৰ নাম লিখক।

.....

প্রশ্ন ২ ঃ প্লেটোৰ ন্যায়ৰ ধাৰণাটোৱে কার্যাত্মক বিশেষত্বক সমর্থন কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

১.৩.২ প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ তত্ত্ব

প্লেটোৱে আদর্শ ৰাষ্ট্ৰৰ তত্ত্বটো তেওঁৰ বিখ্যাত গ্ৰন্থ ''The Republic''-ত উল্লেখ কৰিছিল। প্লেটোৰ আদর্শ ৰাষ্ট্ৰ কেইবাটাও প্ৰাথমিক নীতিৰ ওপৰত আধাৰিত আছিল, যেনে— মানুহৰ তিনিটা শ্ৰেণীকৰণ— শাসক শ্ৰেণী, সহায়কাৰী বা যোদ্ধা শ্ৰেণী আৰু উৎপাদক শ্ৰেণী ইত্যাদি; ন্যায়ৰ প্ৰতিষ্ঠা, ৰাষ্ট্ৰৰ নিয়মাধীন এক শিক্ষাব্যৱস্থা, সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ।

প্লেটোৰ মতে ৰাষ্ট হ'ল মানৱীয় এককৰ এক অংশ আৰু ই তিনিটা উপাদানেৰে গঠিত, যেনে— যুক্তি, সাহস আৰু ক্ষুধা। এই তিনিটা উপাদানৰ সমান্তৰালকৈ তিনিটা মানৱীয় শ্ৰেণী আছে, যেনে— শাসক শ্ৰেণী, সহায়কাৰী আৰু উৎপাদক শ্ৰেণী। প্লেটোৱে এই তিনিটা শ্ৰেণীৰ মাজত কার্যাত্মক বিশেষত্ব আৰু শ্ৰমৰ বিভাজন হোৱাটো বিচাৰিছিল। যেতিয়া এই তিনিটা শ্ৰেণীয়ে আনৰ কার্যত ব্যাঘাত নজন্মোৱাকৈ নিজৰ কার্য পালন কৰে তেতিয়া সমাজত ন্যায় বৰ্তি থাকে। সেয়েহে, এখন আদর্শ ৰাষ্ট্ৰত এজন দার্শনিক ৰজাই ৰাজ্য শাসন কৰিব লাগে, সৈন্যসকলে ৰাষ্ট্ৰৰ সুৰক্ষাত ব্ৰতী হ'ব লাগে আৰু উৎপাদক শ্ৰেণীয়ে আনৰ বাবে খাদ্য আৰু আন প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদন কৰিব লাগে। প্লেটোৰ মতে, যদি সকলো ব্যক্তিয়ে আনৰ কার্যত ব্যাঘাত নজন্মাই কেৱল নিজৰ আৰোপিত কার্যসমূহে ভালদৰে পালন কৰিব পাৰে তেন্তে ৰাষ্ট্ৰত সুখ আৰু শান্তি বৰ্তি থাকিব। শাসক শ্ৰেণীৰ দার্শনিক ৰজাই ৰাষ্ট্ৰৰ নিয়মাধীন শিক্ষাব্যৱস্থাৰ দ্বাৰা প্ৰয়োজনীয় কৌশল আৰু জ্ঞান লাভ কৰে। ৰাষ্ট্ৰৰ নিয়মাধীন শিক্ষাব্যৱস্থাই এখন আদর্শ ৰাষ্ট্ৰৰ জ্ঞানী আৰু গুণৱান নাগৰিক বিকশিত কৰাত গুৰুত্ব আৰোপ কৰে আৰু এখন আদর্শ ৰাষ্ট্ৰত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ বৰ্তি থাকে। এই সাম্যবাদ ব্যৱস্থাৰ অধীনত, এজন দার্শনিক ৰজাৰ বা শাসক শ্ৰেণীৰ ব্যক্তিগত পৰিয়াল আৰু সম্পত্তিৰ প্ৰতি কোনো অধিকাৰ নাই। প্লেটোৱে পৰিয়াল আৰু সম্পত্তিৰ মোহে ৰাষ্ট্ৰৰ একতা আহৰণ কৰাৰ ক্ষেত্ৰত আটাইতকৈ ডাঙৰ বাধাৰ সৃষ্টি কৰে বুলি ধৰি লৈছিল। সেয়েহে, তেওঁ শাসক শ্ৰেণীৰ বাবে ব্যক্তিগত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ পৃষ্ঠপোষকতা কৰিছিল যাৰ অধীনত তেওঁলোকৰ নিজস্ব কোনো ব্যক্তিগত সম্পত্তি বা পৰিয়াল নাথাকিব আৰু শেষত, ইয়ে তেওঁলোকক ৰাষ্ট্ৰৰ স্বার্থৰ হকে নিজকে উৎসর্গিত কৰাৰ বাবে প্ৰেৰণা যোগাব।

প্লেটোৰ আদর্শ ৰাষ্ট্ৰতত্ত্বই কঠোৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছিল। যেনে—

- প্লেটোৰ আদর্শ ৰাষ্ট্ৰ হ'ল এক ***ইউটোপিয়ান (Utopian)*** ৰাজ্য। ইয়াক বাস্তৱত অনুধাৱন কৰিব নোৱাৰি। তেওঁৰ দার্শনিক ৰজাৰ ধাৰণা, সম্পত্তি আৰু পৰিয়ালৰ মাজত সাম্যবাদ ধাৰণা এইবোৰ হ'ল মানৱীয় প্ৰকৃতিৰ বিৰুদ্ধ।



ইউটোপিয়ান ঃ ই হৈছে এনে এক ধাৰণা যি অতিমাত্ৰা কাল্পনিক আৰু যাক বাস্তৱত আহৰণ কৰিব নোৱাৰি।

- প্লেটোৰ আদর্শ ৰাষ্ট্রত আইনৰ কোনো সুবিধা নাছিল। দার্শনিক ৰজা কোনো আইনৰ অধীনস্থ নাছিল।
- প্লেটোৰ আদর্শ ৰাষ্ট্র আছিল অগণতান্ত্রিক। এনেকুৱা এখন ৰাষ্ট্রত সকলো ক্ষমতা হয় দার্শনিক ৰজাৰ হাতত নাইবা শাসক শ্রেণীৰ হাতত থাকে আৰু আন মানুহৰ মতক কোনো গুৰুত্ব দিয়া নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ কোনখন কিতাপত প্লেটোৱে তেওঁৰ আদর্শ ৰাষ্ট্রৰ তত্ত্ব প্রদান কৰিছে?

.....

প্রশ্ন ৪ ঃ প্লেটোৰ আদর্শ ৰাষ্ট্রৰ যিকোনো দুটা নীতি উল্লেখ কৰক।

.....

.....

১.৪ এৰিষ্টটল



এৰিষ্টটল (৩৮৪ খ্রীঃপূঃ-৩২২ খ্রীঃপূঃ) তেওঁৰ গুৰু প্লেটোৰ দ্বাৰা বিশেষভাৱে ছিল। ৰাজনৈতিক দর্শন সমৃদ্ধ কৰাৰ ক্ষেত্রত এৰিষ্টটলে যথেষ্ট অৰিহণা এক কথাত, এৰিষ্টটলক ৰাজনীতি বিজ্ঞানৰ পিতৃ বুলি অভিহিত কৰা হয়। এৰিষ্টটলৰ কেইখনমান দৰকাৰী কর্মৰাজি হ'ল— "দ্য পলিটিক্স" *(The Politics)* "দ্যা কনষ্টিটিউচন অৱ এথেনচ্" *(The Constitution of Athens)*, "অ'ৰগেনণ" *(Organon)*, ইত্যাদি।

১.৪.১ এৰিষ্টটলৰ নাগৰিকত্বৰ তত্ত্ব

এৰিষ্টটলে নাগৰিকত্ব সম্পর্কে তেওঁৰ ধাৰণা ''The Politics'' নামৰ গ্রন্থখনত আলোচনা কৰিছিল। এৰিষ্টটলে নাগৰিকৰ মর্যাদা সীমিত সংখ্যক লোকক প্রদান কৰাৰ সপক্ষেহে মত দিছিল। এৰিষ্টটলৰ মতে, "ৰাষ্ট্রৰ সুপৰিকল্পিত আৰু ন্যায়িক কার্যাৱলীত অংশগ্রহণ কৰিবলৈ এক উচ্চ নৈতিকতা আৰু বৌদ্ধিক উৎকর্ষতাৰ প্রয়োজন।'' (ৰাজনৈতিক তত্ত্ব, অধ্যাপক পূর্ণানন্দ গগৈ, বনলতা প্রকাশন, গুৱাহাটী;২০০৭)। এৰিষ্টটলে আঙুলিয়াই দিছিল যে ৰাষ্ট্রত বাস কৰা সকলো লোক নাগৰিক নহয়। তেওঁ কেইটামান শ্রেণীৰ জনসাধাৰণক নাগৰিকত্বৰ পৰিধিৰ পৰা বাদ দিছিল। তেওঁ নাগৰিকৰ কেইটামান বিশেষ বৈশিষ্ট্যৰ উল্লেখ কৰিছিল। এৰিষ্টটলৰ মতে, যিজন ব্যক্তিয়ে ৰাষ্ট্রৰ প্রশাসনিক আৰু ন্যায়িক কাম-কাজত অংশগ্রহণ কৰিব

পাৰে তেওঁ ৰাষ্ট্ৰ এখনৰ নাগৰিক হ'ব পাৰে। এজন নাগৰিক জ্ঞানী আৰু বুধিয়ক হোৱাৰ লগতে শাসন কৰিবলৈ আৰু শাসিত হ'বলৈ সকলো ধৰণৰ সক্ষমতা থাকিব লাগে। এজন নাগৰিকে সামাজিক দায়িত্ব সুকলমে পালন কৰিবলৈ সকলো সক্ষমতা থাকিব লাগে। তেওঁৰ অৱসৰ বিনোদনৰ অধিকাৰীও হ'ব লাগে যাতে তেওঁ সামাজিক, ৰাজনৈতিক আৰু ন্যায়িক দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰিব পাৰে। এৰিষ্টটলৰ মতে, এজন নাগৰিকে সম্পত্তি আৰু দাসত্বৰ অধিকাৰী হোৱাৰ লগতে অৰ্থনৈতিক দুচিন্তাৰ পৰা মুক্ত হোৱা উচিত।

এৰিষ্টটলে কেইটামান বিশেষ শ্ৰেণীৰ জনসাধাৰণক নাগৰিকত্বৰ পৰিধিৰ পৰা বাদ দিছিল। তেওঁ মত দিছিল যে মহিলা, শিশু, দাস, কৃষক, শ্ৰমিক আৰু কাৰিকৰসকলক কোনো নাগৰিকত্ব প্ৰদান কৰিব নালাগে।

এৰিষ্টটলৰ নাগৰিকত্ব তত্ত্বক তলত দিয়া কাৰণসমূহত সমালোচনা কৰা হৈছিল—

- এৰিষ্টটলৰ নাগৰিক সম্পৰ্কে ধাৰণা কেৱল গ্ৰীক নগৰ ৰাষ্ট্ৰতহে প্ৰয়োগ কৰিব পৰা হৈছিল। আধুনিক ৰাষ্ট্ৰৰ ক্ষেত্ৰত ই প্ৰয়োগসাধ্য নহয়।
- এৰিষ্টটলৰ নাগৰিক তত্ত্ব সমতাৰ নীতিৰ বিপক্ষে আছিল। তেওঁ ৰাষ্ট্ৰৰ সকলো লোকক নাগৰিকত্ব প্ৰদান কৰাৰ সপক্ষে নাছিল।
- এৰিষ্টটলৰ নাগৰিক তত্ত্বই সমাজৰ এক বৃহৎ সংখ্যক লোকক ৰাজনৈতিক সচেতনতা প্ৰদান কৰাৰ পৰা বিৰত ৰাখিছিল। কাৰণ, ৰাষ্ট্ৰৰ কাৰ্যসমূহত অংশগ্ৰহণ নকৰাকৈ জনসাধাৰণে চৰকাৰৰ কাৰ্যাৱলীসমূহৰ বিষয়ে কোনো জ্ঞান আহৰণ কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ এৰিষ্টটলৰ যিকোনো দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন ৬ ঃ এৰিষ্টটলে উল্লেখ কৰা নাগৰিকৰ যিকোনো দুটা গুণ লিখক।

.....

.....

১.৪.২ এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্ব

এৰিষ্টটলে বিপ্লৱৰ তত্ত্বটো তেওঁৰ *The Politics* নামৰ গ্ৰন্থখনত আলোচনা কৰিছে। ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাৰ সঘনাই পৰিৱৰ্তন, ৰাজনৈতিক জীৱনৰ অৱক্ষয় আৰু অৱনতিয়ে এৰিষ্টটলক বিপ্লৱ সম্পৰ্কে আৰু ইয়াৰ কাৰণ আৰু উপায় সম্পৰ্কে মত

প্ৰকাশ কৰিবলৈ বাধ্য কৰিছিল। এৰিষ্টটলে বিপ্লৱক দুটা ভাগত ভাগ কৰিছিল— সম্পূৰ্ণ বিপ্লৱ আৰু আংশিক বিপ্লৱ। সম্পূৰ্ণ বিপ্লৱে সংবিধানৰ সম্পূৰ্ণ পৰিৱৰ্তনক বুজায় আৰু আংশিক বিপ্লৱত সংবিধানৰ পৰিৱৰ্তে শাসকীয় কৰ্তৃপক্ষৰ ক্ষেত্ৰত সংঘটিত হোৱা পৰিৱৰ্তনক বুজায়। এৰিষ্টটলে বিপ্লৱৰ সাধাৰণ আৰু বিশেষ কা�ৰণসমূহ চিনাক্ত কৰিছিল।

➢ বিপ্লৱৰ সাধাৰণ কাৰণ

- প্ৰথম কাৰণটোৰ উৎপত্তি হয় ন্যায়ৰ নীতিসমূহৰ বিভিন্ন ব্যাখ্যাৰ ফলত। বিভিন্ন শ্ৰেণীৰ ব্যক্তিয়ে প্ৰদান কৰা ভিন্ন ধাৰণাসমূহে মতাদ্বন্দ্ব সৃষ্টি কৰে আৰু ইয়াৰ ফলত বৈপ্লৱিক অৱস্থা এটাৰ সৃষ্টি কৰে।
- দ্বিতীয়তে, বিপ্লৱ সংঘটিত হয় যেতিয়া ব্যক্তি এজনে অসন্মানত ভোগে আৰু যেতিয়া তেওঁলোকে আনক সন্মান ভোগ কৰা দেখে।
- তৃতীয়তে, যদি এজন ব্যক্তিয়ে বা কেইবাজনো ব্যক্তিয়ে এনেকুৱা এক ক্ষমতাৰ স্থান দখল কৰে, যিটো ৰাষ্ট্ৰৰ বাবে বহুত উচ্চ পৰ্যায়ৰ হয়, তেতিয়া বৈপ্লৱিক অৱস্থাৰ সৃষ্টি হয়।
- চতুৰ্থতে, ভয়ে ***গণবিক্ষোভ***ৰ উৎপত্তি ঘটায়। যিসকল দোষী ব্যক্তিয়ে শাস্তিলৈ ভয় কৰে আৰু যিসকল ব্যক্তিয়ে ভুল কাৰ্যকলাপৰ বাবে শাস্তি পায় তেওঁলোকে গণবিক্ষোভৰ উৎপত্তি ঘটাব পাৰে।
- পঞ্চমতে, ৰাষ্ট্ৰৰ কোনো এক অংশৰ অসমানুপাতিক বৃদ্ধিয়েও বিপ্লৱৰ আন এক কাৰণ হ'ব পাৰে।
- ষষ্ঠতে, নিৰ্বাচনী ষড়যন্ত্ৰসমূহেও বিপ্লৱৰ বাবে কেতিয়াবা দায়ী হয়।
- সপ্তমতে, ইচ্ছাকৃত অৱমাননা, সন্দেহযুক্ত চৰিত্ৰৰ ব্যক্তিৰ নিযুক্তি অথবা উচ্চ কৰ্তৃপক্ষৰ প্ৰতি সন্দেহযুক্ত বিশ্বাসপৰায়ণতা আৰু সঠিক সময়ত সংবিধানৰ তুচ্ছ পৰিৱৰ্তনমূহৰ প্ৰতি অৱজ্ঞা আদিয়েও বৈপ্লৱিক অৱস্থাৰ সূচনা কৰিব পাৰে।
- অষ্টমতে, ব্যক্তিৰ মাজত বিভিন্নতাইও বিপ্লৱৰ জন্ম দিব পাৰে।



গণবিক্ষোভ ঃ কোনো ৰাষ্ট্ৰৰ শাসনকৰ্তা অথবা কৰ্তৃপক্ষৰ বিৰুদ্ধে বিপ্লৱৰ আহ্বান জনাই দিয়া ভাষণ অথবা কাৰ্য।

➢ বিপ্লৱৰ বিশেষ কাৰণ

- প্ৰথম কাৰণটো হ'ল অসন্মান আৰু অৰ্থলিপ্সা। এৰিষ্টটলৰ মতে, যেতিয়া ৰাষ্ট্ৰ এখনৰ মূল দণ্ডাধীশসকল ধৃষ্ট আৰু লোভী হয়, তেতিয়া তেওঁলোকে ইজনে-সিজনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ উপৰিও যিখন সংবিধানৰ পৰা ক্ষমতা লাভ কৰিছে সেইখনৰ প্ৰতিও ষড়যন্ত্ৰ কৰিব পাৰে আৰু লগতে তেওঁলোকৰ নিজস্ব স্বাৰ্থসমূহ জণগনৰ স্বাৰ্থৰ মূল্যত লাভ কৰিবলৈ চেষ্টা কৰিব পাৰে।

❍ দ্বিতীয়তে, অভিজাত শ্ৰেণীত বিপ্লৱ তেতিয়াহে সম্ভৱ হয়, যেতিয়া ক্ষমতা কিছুসংখ্যকৰ হাততহে সন্নিৱিষ্ট হয়, নাইবা উচ্চ ক্ষমতাৰ কিছুমান ব্যক্তিক দুৰ্ব্যৱহাৰ কৰা হয় নাইবা উচ্চ ক্ষমতা আৰু উচ্চ সন্মানৰ ব্যক্তি এজনক তেওঁৰ ক্ষমতা বা স্থানৰ পৰা আঁতৰ কৰা হয়। কিন্তু আভিজাত্যৰ প্ৰকৃত পতন প্ৰধানত ন্যায়ৰ নীতিৰ পৰা আঁতৰ হ'লেহে সম্ভৱ হয়। ৰাজতন্ত্ৰত অৱজ্ঞাৰ ফলত সৃষ্টি হোৱা অসন্তুষ্টি, ব্যক্তিগত সম্পত্তিৰ ***বাজেয়াপ্তকৰণ***, ব্যক্তিসকলৰ অন্যায় ভাব প্ৰদৰ্শন, মৰ্যাদা হানিৰ প্ৰতি ভয় আৰু লোভ আদিয়েও বৈপ্লৱিক অৱস্থাৰ সূচনা কৰে। স্বৈৰতন্ত্ৰৰ ক্ষেত্ৰতো একেই অৱস্থাই বিপ্লৱৰ সৃষ্টি কৰে।

বাজেয়াপ্ত ঃ কৰ্তৃপক্ষৰ দ্বাৰা বা অধীনত সম্পত্তি কাঢ়ি লোৱা

➢ বিপ্লৱৰ প্ৰতিৰোধ

এৰিষ্টটলৰ মতে, বিপ্লৱৰ প্ৰতিৰোধ কৰিবলৈ দুটা পদ্ধতি অৱলম্বন কৰিব পাৰি— সাধাৰণ আৰু বিশেষ।

❍ **সাধাৰণ পদ্ধতি ঃ** এৰিষ্টটলৰ মতে, আটাইতকৈ দৰকাৰী বস্তু হ'ল আইনৰ প্ৰতি বিশ্বাসী হৈ থকাৰ আগ্ৰহ বজাই ৰখা আৰু পৰিৱৰ্তনৰ আৰম্ভণিসমূহ সযতনে পৰ্যবেক্ষণ কৰা। অত্যাধিক ব্যৱস্থা লোৱাৰ পৰা আঁতৰত থকা উচিত যিহেতু ইয়ে বাধা আৰু অবাধ্যতাৰ সূচনা কৰে। দ্বিতীয়তে, এজন ব্যক্তিৰ বা এটা শ্ৰেণীৰ ব্যক্তিৰ হাততে সকলো ক্ষমতা সমৰ্পিত কৰিব নালাগে। তৃতীয়তে, সন্মান, অৰ্থ সকলোৰে মাজতে সমানে ভাগ হ'ব লাগে কাৰণ অৰ্থ আৰু সন্মানৰ অসমান ভাগ বটোৱাৰাই ব্যক্তি এজনক বিদ্ৰোহৰ ফালে লৈ যাব পাৰে। চতুৰ্থতে, ৰাজনৈতিক কাৰ্যালয় প্ৰতিজন ব্যক্তিৰে ঢুকি পোৱা দূৰত্বৰ ভিতৰতে অৱস্থিত হ'ব লাগে যাতে প্ৰত্যেকেই নিজৰ দায়িত্বসমূহ পালন কৰিব পাৰে। নিম্ন পৰ্যায়ৰ কাৰ্যালয়সমূহ দূৰত অৱস্থিত হ'ব লাগে আৰু উচ্চ পৰ্যায়ৰ কাৰ্যালয়সমূহ ওচৰত অৱস্থিত হ'ব লাগে। অচিনাকি ব্যক্তি এজনক সাধাৰণতে কাৰ্যালয়ৰ দায়িত্ব প্ৰদান কৰি নালাগে। ক্ষমতাৰ একচেটিয়া ব্যৱহাৰ কোনো এক বিশেষ শ্ৰেণীৰ নাগৰিকক প্ৰদান কৰিব নালাগে। ৰাষ্ট্ৰৰ চৰকাৰখন সুশৃংখল হ'ব লাগে যাতে ক্ষমতাত থকা ব্যক্তিসকলে কোনোধৰণৰ বেআইনী কাম কৰিব নোৱাৰে। পঞ্চমতে, জণগনৰ ৰাজহৰ চোৱা-চিতাৰ দায়িত্ব জণগনৰ ওপৰতে দিব লাগে। ষষ্ঠতে, জনসাধাৰণৰ মাজত শিক্ষাৰ প্ৰচাৰ কৰাৰ লগতে তেওঁলোকে সংবিধানৰ সৈতে সুপৰিচিত হ'ব লাগে। শিক্ষাই জনসাধাৰণৰ মাজত একতাৰ ভাব জগাই তোলে। সপ্তমতে, স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰত, শাসকীয় সংখ্যাগৰিষ্ঠ আৰু সংখ্যালঘু গোষ্ঠীক উচ্চ পদবীৰ বাহিৰে আন সকলো সাৰ্বজনীন

কার্যালয়সমূহত সমান অংশ আৰু সমান আদৰ প্রদান কৰা উচিত। উচ্চ পদবীৰ কার্যালয়সমূহ প্রশাসনিক অভিজ্ঞতাসম্পন্ন, চৰিত্র আৰু ব্যৱহাৰৰ সামঞ্জস্যতাসম্পন্ন আৰু সংবিধানৰ প্রতি বিশ্বাসী ব্যক্তিসকলক প্রদান কৰিব লাগে। অষ্টমতে, গণতন্ত্রত ধনৱানসকলৰ সম্পত্তি আৰু স্বল্পতন্ত্রত দুখীয়া শ্রেণীৰ অধিকাৰ আৰু মর্যাদাৰ শ্রদ্ধা কৰা উচিত।

- **বিশেষ পদ্ধতি ঃ** পোনপ্রথমে গণতন্ত্রত ধনৱানসকল শোষিত হ'ব নালাগে আৰু তেওঁলোকৰ সম্পত্তি সুৰক্ষিত হ'ব লাগে। দ্বিতীয়তে, স্বল্পতন্ত্রত, দুখীয়াসকলক এক বিশেষ পৰিয়ালৰ মনযোগ প্রদান কৰিব লাগে। তেওঁলোকক ধনী শ্রেণীৰ শোষণৰ পৰা সুৰক্ষা প্রদান কৰিব লাগে। তৃতীয়তে, আভিজাত্যত মর্যাদা আৰু পদবীৰ সমান ভাগ বটোৱাৰা হ'ব লাগে আৰু বিতৰণ ন্যায়ৰ নীতিসমূহ মানি চলিব লাগে। চতুর্থতে, ৰাজতন্ত্রত এক সংযম বা ধৈর্যৰ ৰাজনীতি আদৰিব লাগে। উৎকৃষ্ট প্রশাসনৰ সুবিধা, জনমতৰ সপক্ষে গুৰুত্ব দি আৰু গুণৱানসকলক সন্মান প্রদর্শনৰ জৰিয়তে বিপ্লৱ প্রতিৰোধ কৰিব পাৰি।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ৭ ঃ এৰিষ্টটলে তেওঁৰ বিপ্লৱৰ তত্ত্বটো ..... গ্রন্থখনত আলোচনা কৰিছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৮ ঃ এৰিষ্টটলে উল্লেখ কৰা দুইধৰণৰ বিপ্লৱ কি কি আছিল?

.....

প্রশ্ন ৯ ঃ বিপ্লৱৰ যিকোনো দুটা সাধাৰণ কাৰণ উল্লেখ কৰক।

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গ্রীক ৰাজনৈতিক চিন্তাবিদ প্লেটোৱে ৰাজনৈতিক বিজ্ঞানৰ ক্ষেত্রখনলৈ বৃহৎ অৰিহণা আগবঢ়াইছে। তেওঁৰ কিছুমান অৰিহণা হ'ল— ন্যায়তত্ত্ব, শিক্ষাতত্ত্ব, সাম্যবাদৰ তত্ত্ব আৰু আদর্শ ৰাষ্ট্রৰ তত্ত্ব।
- ন্যায়তত্ত্বৰ ব্যাখ্যা কৰিবলৈ গৈ প্লেটোৱে কৈছিল যে মানৱ একক তিনিটা উপাদানযুক্ত— যুক্তি, সাহস আৰু ক্ষুধা। মানৱীয় প্রকৃতিৰ এই তিনিটা উপাদানৰ সৈতে সংগতি ৰাখি

সামাজিক জীৱৰো তিনিটা শ্রেণীবিভাজন কৰিব পাৰি— দার্শনিক শ্রেণী বা শাসক শ্রেণী যিয়ে যুক্তিৰ প্রতিনিধিত্ব কৰে, সহায়কাৰী বা যোদ্ধা শ্রেণী যিয়ে সাহসৰ প্রতিনিধিত্ব কৰে আৰু শ্রমিক শ্রেণী যিয়ে ক্ষুধাক দর্শায়।

- প্লেটোৱে কৈছিল যে যেতিয়া সমাজৰ প্রত্যেকটো শ্রেণীয়ে নিজা কর্তব্যসমূহ ভালদৰে পালন কৰে আৰু আনৰ কর্তব্যত কোনো বাধাৰ সৃষ্টি নকৰে তেতিয়া সমাজত প্রকৃত অর্থত ন্যায় বর্তি থাকে। অর্থাৎ, প্লেটোৰ ন্যায়তত্ত্বই কার্যাত্মক বিশেষত্বক গুৰুত্ব প্রদান কৰে।
- প্লেটোৱে কেতবোৰ প্রাথমিক নীতিৰ ওপৰত ভিত্তি কৰি আদর্শ ৰাষ্ট্রৰ তত্ত্বটো ব্যাখ্যা কৰিছিল, যেনে— ব্যক্তিসকলৰ তিনিটা শ্রেণীত শ্রেণীবিভাজন— শাসক শ্রেণী, সহায়কাৰী আৰু উৎপাদক শ্রেণী, ন্যায় প্রতিষ্ঠা, ৰাষ্ট্র পৰিচালিত শিক্ষা ব্যৱস্থা, সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ।
- আন এজন গ্রীক দার্শনিক এৰিষ্টটলেও ৰাজনীতি বিজ্ঞানৰ ক্ষেত্রখনত এক বিশেষ অৰিহণা আগবঢ়াইছিল। তেওঁক ৰাজনীতি বিজ্ঞানৰ পিতৃ বুলি অভিহিত কৰা হয়। তেওঁৰ কিছুমান দৰকাৰী অৰিহণা হ'ল— নাগৰিক তত্ত্ব, দাসত্ব তত্ত্ব, বিপ্লৱৰ তত্ত্ব আৰু আদর্শ ৰাষ্ট্রৰ তত্ত্ব।
- এৰিষ্টটলৰ নাগৰিক তত্ত্বই সীমিতসংখ্যক নাগৰিককহে নাগৰিকত্বৰ মর্যাদা প্রদান কৰিছিল। এৰিষ্টটলৰ মতে, যিজন ব্যক্তি জ্ঞানী আৰু বুধিয়ক হোৱাৰ লগতে প্রশাসনিক আৰু ন্যায়িক কাম-কাজত ভাগ লোৱাৰ সক্ষমতা থাকে আৰু যাৰ সামাজিক দায়িত্ব সম্পূর্ণ সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষমতা থাকে তেওঁহে এখন ৰাষ্ট্রৰ নাগৰিক হ'ব পাৰে।
- বিপ্লৱৰ তত্ত্ব আলোচনা কৰোতে এৰিষ্টটলে বিপ্লৱক দুটা ভাগত বিভক্ত কৰিছিল— সম্পূর্ণ বিপ্লৱ আৰু আংশিক বিপ্লৱ। তেওঁ বিপ্লৱৰ সাধাৰণ আৰু বিশেষ কাৰণ কিছুমান চিনাক্ত কৰিছিল। ইয়াৰ উপৰিও তেওঁ বিপ্লৱ প্রতিৰোধৰ বাবে সাধাৰণ আৰু বিশেষ পদ্ধতি কিছুমানৰ উপদেশ দিছিল।



১.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Gogoi, Prof. P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
2. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.

3. Rao, V.V. (1998). *A history of political theories*. New Delhi: S. Chand and Company.
4. Sharma, R.P. (1984). *Western political thought*. New Delhi: Sterling Publications Ltd.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ *The Republic, The Law.*

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ *The Republic*।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ক) ন্যায়ৰ প্ৰতিষ্ঠা,
খ) ৰাষ্ট্ৰৰ নিয়মাধীন এক শিক্ষাব্যৱস্থা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ *The Politics, The Constitution of Athens.*

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ক) এজন নাগৰিক জ্ঞানী আৰু বুধিয়ক হোৱা উচিত আৰু শাসন কৰিবলৈ আৰু শাসিত হোৱাৰ ক্ষমতা থাকিব লাগে,
খ) এজন নাগৰিকে সামাজিক দায়িত্ব সুচাৰুৰূপে পালন কৰাৰ সক্ষমতা থকা উচিত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ *The Politics.*

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সম্পূৰ্ণ বিপ্লৱ আৰু আংশিক বিপ্লৱ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ক) বিপ্লৱ তেতিয়া সংঘটিত হয় যেতিয়া ব্যক্তি এজনে নিজে অপমানিত অনুভৱ কৰে বা আনক সন্মানিত হোৱা দেখে।
খ) যদি এজন ব্যক্তি বা কেইবাজনো ব্যক্তিয়ে এনেকুৱা এক ক্ষমতাৰ স্থান দখল কৰে যিটো ৰাষ্ট্ৰৰ বাবে বহুত উচ্চ পৰ্যায়ৰ হয়, তেতিয়া বৈপ্লৱিক অৱস্থাৰ সৃষ্টি হয়।



১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ৰাজনীতি বিজ্ঞানৰ পিতৃ বুলি কাক অভিহিত কৰা হয়?

প্ৰশ্ন ২ঃ কোনখন গ্ৰন্থত এৰিষ্টটলে তেওঁৰ নাগৰিকত্বৰ তত্ত্ব আলোচনা কৰিছিল?

প্ৰশ্ন ৩ঃ এৰিষ্টটলে ব্যাখ্যা কৰা বিপ্লৱৰ যিকোনো দুটা বিশেষ কাৰণ উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্লেটোৰ ন্যায়তত্ত্ব সম্পৰ্কে সংক্ষেপে লিখক।

প্ৰশ্ন ২ঃ প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ তত্ত্বটোৰ প্ৰাসংগিকতা সম্পৰ্কে ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ এৰিষ্টটলৰ নাগৰিকত্ব তত্ত্ব সম্পৰ্কে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ প্লেটোৰ ন্যায়তত্ত্ব সমালোচনামুলকভাৱে আলোচনা কৰক।

প্ৰশ্ন ২ঃ এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্বটো আলোচনা কৰক।

প্ৰশ্ন ৩ঃ প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ তত্ত্বটো পৰীক্ষা কৰক।

****

অধ্যায় ২ ঃ চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাছ একুইনাছ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ চেইণ্ট আগষ্টাইনৰ ৰাজনৈতিক চিন্তা

২.৩.১ মানৱ প্ৰকৃতি সম্পৰ্কে আগষ্টাইনৰ ধাৰণা

২.৩.২ ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা

২.৩.৩ ঐশ্বৰিক চহৰৰ ধাৰণা

২.৩.৪ ন্যায় সম্পৰ্কে ধাৰণা

২.৩.৫ আগষ্টাইনৰ অৰিহণা বা প্ৰভাৱ

২.৪ চেইণ্ট থমাছ একুইনাছৰ ৰাজনৈতিক চিন্তা

২.৪.১ একুইনাছৰ দৰ্শন

২.৪.২ ৰাষ্ট্ৰ উৎপত্তি সম্পৰ্কে থমাছ একুইনাছৰ ধাৰণা

২.৪.৩ যুক্তি আৰু বিশ্বাস সম্পৰ্কে ধাৰণা

২.৪.৪ চৰকাৰৰ শ্ৰেণীবিভাজন আৰু কাৰ্য সম্পৰ্কে ধাৰণা

২.৪.৫ গীৰ্জাৰ সৰ্বোচ্চতা সম্পৰ্কে ধাৰণা

২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৬ অধিক জানিবলৈ

২.৭ অগ্ৰগতিৰ খতিয়ান

২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- চেইণ্ট আগষ্টাইনৰ ৰাজনৈতিক দৰ্শন সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মানৱ প্ৰকৃতি আৰু ৰাষ্ট্ৰ সম্পৰ্কে আগষ্টাইনৰ ধাৰণাৰ বৰ্ণনা কৰিব পাৰিব
- আগষ্টাইনৰ ঐশ্বৰিক চহৰৰ ধাৰণা আৰু ন্যায় সম্পৰ্কে আলোচনা কৰিবলৈ সক্ষম হ'ব
- ৰাজনৈতিক দৰ্শনৰ ক্ষেত্ৰত আগষ্টাইনৰ অৰিহণাৰ বিশ্লেষণ কৰিব পাৰিব
- চেইণ্ট থমাছ একুইনাছৰ ৰাজনৈতিক দৰ্শনৰ বৰ্ণনা কৰিব পাৰিব
- ৰাজনৈতিক দৰ্শনলৈ একুইনাছৰ অৰিহণাৰ বিশ্লেষণ কৰিব পাৰিব।

২.২ পৰিচয়

আগৰ অধ্যায়ত আমি দুজন মহান গ্ৰীক দাৰ্শনিকপ্লেটো আৰু এৰিষ্টটলৰ বিভিন্ন তত্বৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়ত আমি দুজন মধ্যযুগীয় ৰাজনৈতিক চিন্তাবিদ চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাছ একুইনাছৰ বিভিন্ন ধাৰণাৰ বিষয়ে আলোচনা কৰিম।

মধ্যযুগীয় ৰাজনৈতিক চিন্তা প্ৰধানত দুজন মহান দাৰ্শনিক চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাছ একুইনাছৰ ধাৰণাৰ সৈতে যুক্ত হৈ আছে। এই দুজন বিখ্যাত দাৰ্শনিকৰ মতবাদত গীৰ্জাৰ প্ৰভাৱ আছিল আটাইতকৈ সুস্পষ্ট। এইটো অধ্যায়ত চেইণ্ট আগষ্টাইন আৰু চেইণ্ট থমাছ একুইনাছৰ কেনেকৈ সেই সময়ৰ ৰাজনৈতিক দৰ্শন গঢ়ি তোলাত অৰিহণা যোগাইছিল সেই সম্পৰ্কে এক বিশ্লেষণ আগবঢ়াবলৈ চেষ্টা কৰা হৈছে।

২.৩ চেইণ্ট আগষ্টাইনৰ ৰাজনৈতিক চিন্তা

চেইণ্ট আগষ্টাইন (৩৫৪-৪৩০ খ্ৰীষ্টাব্দ)ৰ সমসাময়িক জীৱনকাল হৈছে প্ৰাচীন যুগৰ অৱসান আৰু মধ্যযুগৰ আৰম্ভণিৰ মাজৰ এক পৰিৱৰ্তনশীল সময়ছোৱা। ইয়াৰ লগতে তেওঁ তেওঁৰ পূৰ্বসূৰী যেনে— প্লেটো, চিচেৰো, খ্ৰীষ্টান আৰু ***ষ্টইক দৰ্শনৰ*** দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। চেইণ্ট আগষ্টাইনৰ আটাইতকৈ দৰকাৰী কৰ্মৰাজি হ'ল লেটিন ভাষাত ৰচিত *(City of God) ডি চিভিটেট দেই (De Civitate Dei)* য'ত তেওঁৰ কৰ্মৰাজি ২২ খন গ্ৰন্থত ভাগ কৰা হৈছে। তেওঁৰ বেছিভাগ গ্ৰন্থই খ্ৰীষ্টধৰ্মৰ সপক্ষে আৰু এখন ঈশ্বৰৰ চহৰ গঢ়ি তোলাৰ সপক্ষে মতপোষণ কৰে। তেওঁৰ *ডি চিভিটেট দেই*ৰ যোগেদি আগষ্টাইনে ৰোমান সাম্ৰাজ্যৰ পতনৰ কাৰণসমূহ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিল। কিছুমান দাৰ্শনিকৰ মতে, মধ্যযুগৰ অইন দাৰ্শনিকৰ তুলনাত চেইণ্ট আগষ্টাইনৰ পৃথক ধাৰণাই পিছৰকালৰ মধ্যযুগৰ চিন্তাৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল।

ষ্টইক দৰ্শন ঃ ই হৈছে প্ৰাচীন গ্ৰীচত উদ্ভৱ হোৱা দৰ্শনৰ এক শাখা, যিয়ে বিশ্বাস কৰে যে প্ৰকৃত জ্ঞানী লোক আবেগৰ পৰা মুক্ত হোৱা উচিত আৰু পীড়া, সুখ-দুখ, আনন্দৰ দ্বাৰা প্ৰভাৱিত হোৱা উচিত নহয়।

২.৩.১ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা

মানৱ প্ৰকৃতি সম্পৰ্কে চেইণ্ট আগষ্টাইনৰ ধাৰণা খ্ৰীষ্টধৰ্মৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। তেওঁৰ মতে, এখন ৰাষ্ট্ৰৰ ব্যক্তিসকলে সদায় গীৰ্জাক মানি চলাৰ লগতে তেওঁলোকে উচ্চ নৈতিক গুণৰ অধিকাৰী হ'ব লাগে। তেওঁ কৈছিলে যে মানৱ শৰীৰটো ৰাষ্ট্ৰৰ অধীনত আৰু আত্মা হ'ল গীৰ্জাৰ অধীনত। শৰীৰ হ'ল পাৰ্থিৱ, কিন্তু আত্মা হ'ল অপাৰ্থিৱ আৰু শৰীৰতকৈ উৰ্দ্ধত। তেওঁ মত দিছিলে যে মানৱ শৰীৰৰ দুটা প্ৰকৃতি আছে। ঠিক তেনেকৈ, প্ৰয়োজনসমূহো দুই প্ৰকাৰৰ। যেনে— সাময়িক প্ৰয়োজন আৰু আধ্যাত্মিক প্ৰয়োজন। মানুহৰ সাময়িক প্ৰয়োজনসমূহ ৰাষ্ট্ৰৰ অধীনত পূৰণ কৰিব পাৰি। কিন্তু মানুহৰ আধ্যাত্মিক প্ৰয়োজনসমূহ কেৱল ঈশ্বৰৰ চহৰতহে পূৰণ কৰিব পাৰি। এইটোৰ দ্বাৰা চেইণ্ট আগষ্টাইনে দৃঢ়ভাৱে কৈছিল যে, মানুহ এজনে তেওঁৰ আধ্যাত্মিক প্ৰয়োজনসমূহ বা আধ্যাত্মিকতা কেৱল খ্ৰীষ্টধৰ্মৰ সহায়তহে অৰ্জন কৰিব পাৰে।

২.৩.২ ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা

চেইণ্ট আগষ্টাইনৰ মতে, ৰাষ্ট্ৰৰ উৎপত্তি হ'ল দৈৱিক আৰু ই কেৱল ঈশ্বৰৰ চহৰৰ অধীন। আগষ্টাইনে বিশ্বাস কৰিছিল যে, ৰাষ্ট্ৰ এখনৰ উৎপত্তি হৈছে জনগণক তেওঁলোকৰ সকলো পাপৰ পৰা মুক্তি দিবলৈ। তেওঁৰ মতে, ৰাষ্টৰ শাসকজন হ'ল পৃথিৱীত ভগৱানৰ এজন প্ৰতিনিধি আৰু এইটো কাৰণতে তেওঁ সকলোৰে শ্ৰদ্ধা লাভ কৰাটো উচিত।

আগষ্টাইনৰ মতে, যিখন ৰাষ্ট্ৰই খ্ৰীষ্টধৰ্মৰ নিয়মসমূহ আদৰি লৈছে, সেইখন হৈছে ঈশ্বৰৰ চহৰ আৰু অ-খ্ৰীষ্টীয় ৰাষ্ট্ৰসমূহত অন্যায়ৰ প্ৰচলন দেখা যায়। প্ৰত্যেকজন মানুহেই এখন চহৰক মানি চলিব লাগে, যিখন খ্ৰীষ্টান ধৰ্মৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত, কাৰণ সেইদৰে তেওঁলোকে ঈশ্বৰৰ ইচ্ছাসমূহ পালন কৰাৰ দৰে হয়। আগষ্টাইনৰ মতে, খ্ৰীষ্টান ৰাষ্ট্ৰ এখনত ৰাষ্ট্ৰৰ শাসকসকলৰ প্ৰতিটো কৰ্ম ঈশ্বৰীয় পৰিকল্পনা আৰু উদ্দেশ্যৰ দ্বাৰা নিৰ্ধাৰিত যাৰ ফলত খ্ৰীষ্টান ৰাষ্ট্ৰত প্ৰকৃত ন্যায় প্ৰতিষ্ঠিত হয়। আগষ্টাইনে ৰাষ্ট্ৰক সৰ্বোচ্চ শাসনকৰ্তা ঈশ্বৰৰ অধীনস্থ বুলি ব্যাখ্যা কৰিছিলে যিটো প্লেটো আৰু এৰিষ্টটলতকৈ সম্পূৰ্ণ পৃথক আছিল। আগষ্টাইনৰ মতে, যিবোৰ আইন গীৰ্জাৰ দৃষ্টিভংগীৰ পৰা নৈতিক বুলি ভবা হয় কেৱল সেইবোৰ আইনহে মানি চলিব লাগে। এজন খ্ৰীষ্টধৰ্মীয়ে সদায় ৰাষ্ট্ৰৰ আইন আৰু শাসনকৰ্তাক মানি চলে কাৰণ ৰাষ্ট্ৰৰ নিয়মৰ পিছপিনে সদায় ঈশ্বৰৰ উচ্চতম ইচ্ছাই বতি থাকে। সেয়েহে, তেওঁ ৰাষ্ট্ৰক গীৰ্জাৰ অধীনস্থ বুলি ব্যাখ্যা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ চেইণ্ট আগষ্টাইনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কৰ্মৰাজিৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন ২ ঃ আগষ্টাইনৰ দৰ্শনৰ ওপৰত গভীৰ প্ৰভাৱ পেলোৱা যিকোনো দুজন দাৰ্শনিকৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৩ ঃ চেইণ্ট আগষ্টাইনে ৰাষ্ট্ৰৰ ঐশ্বৰিক উৎপত্তিৰ ওপৰত বিশ্বাস কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

২.৩.৩ ঐশ্বৰিক চহৰৰ ধাৰণা

চেইণ্ট আগষ্টাইনে তেওঁৰ *ডি চিভিটেট দেই* নামৰ গ্ৰন্থখনত ঐশ্বৰিক চহৰৰ ধাৰণাটো আগবঢ়াইছিল। আগষ্টাইনৰ মতে, আমি বাস কৰা পৃথিৱীখন দুখন চহৰৰে গঠিত, এখন হ'ল পাৰ্থিৱ চহৰ আৰু আনখন হ'ল স্বৰ্গীয় চহৰ। তেওঁ প্ৰধানত ৰোমান

সাম্ৰাজ্যৰ পতনৰ ব্যাখ্যা কৰিবলৈ এই দুখন চহৰৰ ধাৰণাটো গঠন কৰিছিলে। তেওঁৰ মতে, পার্থিৱ চহৰ হ'ল মানৱ প্ৰকৃতিৰ নিজস্বার্থ, লোভ আৰু ইচ্ছাৰে গঠিত, যাক আগষ্টাইনে চয়তানৰ ৰাজ্য বুলি অভিহিত কৰিছিল। এই পার্থিৱ ৰাজ্যখন হ'ল মানুহৰ পাপেৰে ভর্তি আৰু ই স্থায়ী নহয়, অস্থায়ী। কিন্তু, আনখন চহৰ হ'ল স্বৰ্গীয় আৰু অপার্থিৱ। সেইখন হ'ল ঈশ্বৰৰ স্বৰ্গীয় চহৰ। এই স্বৰ্গীয় চহৰখনে শান্তি আৰু আধ্যাত্মিক নির্বাণৰ পথ প্ৰদর্শন কৰে। ই ঈশ্বৰৰ প্ৰতি মৰম আৰু বিশ্বাসৰ আধাৰত গঠিত। আগষ্টাইনে মতপোষণ কৰিছিলে যে যিসকলৰ খ্ৰীষ্টধর্মৰ ওপৰত বিশ্বাস আছে তেওঁলোকে এই স্বৰ্গীয় চহৰৰ বাসিন্দা হ'ব পাৰিব।

আগষ্টাইনে কৈছিলে যে, ৰোমান সাম্ৰাজ্যৰ পতনৰ মূল কাৰণ হ'ল ই এখন পার্থিৱ চহৰ আছিল। ক্ষমতাৰ প্ৰতি অগাধ লোভেই আছিল ৰোমান সাম্ৰাজ্যৰ পতনৰ কাৰণ। মানুহে কৰা পাপৰ ফলতেই ৰোমান সাম্ৰাজ্যৰ অৱসান ঘটিছিল। আগষ্টাইনে ৰোমান সাম্ৰাজ্যৰ পতনৰ কাৰণে আৰু কেতবোৰ মানৱ দোষলৈ আঙুলিয়াই দিছিল। সেইবোৰ হ'ল নিষ্ঠুৰতা, গর্ব, বিলাসিতা ইত্যাদি। কিন্তু আগষ্টাইনৰ মতে, স্বৰ্গীয় চহৰ হ'ল স্থায়ী আৰু মানুহে তেওঁলোকৰ আধ্যাত্মিক নির্বান কেৱল স্বৰ্গীয় চহৰত লাভ কৰে। স্বৰ্গীয় চহৰত সার্বজনীন ভাতৃত্ববোধৰ লগতে প্ৰেম, শান্তি আৰু ন্যায় বর্তি থাকে।

আগষ্টাইনে বিশ্বাস কৰিছিল যে সকলো মানৱ ইতিহাস হ'ল দুখন চহৰ, যেনে— পার্থিব চহৰ আৰু স্বৰ্গীয় চহৰৰ মাজত লগা সংঘর্ষৰ এক নাটকীয় কাহিনী। তেওঁ পতিয়ন গৈছিল যে সর্বোচ্চ বিজয়টো সদায় স্বৰ্গীয় চহৰেই লাভ কৰে আৰু এই স্বৰ্গীয় চহৰৰ যোগেদি মানুহে জীৱনত মহৎ লক্ষ্যৰ প্ৰতি আগবাঢ়িব পাৰে।

২.৩.৪ ন্যায় সম্পর্কে ধাৰণা

আগষ্টাইনৰ মতে, ন্যায় হ'ল ৰাষ্ট্ৰ এখনৰ মূল ভেঁটি আৰু ই কেৱল স্বৰ্গীয় চহৰতহে বর্তি থাকিব পাৰে। আগষ্টাইনে কৈছিলে যে ন্যায় নোহোৱাকৈ যিকোনো ৰাষ্ট্ৰ এখন উশৃংখল ৰাষ্ট্ৰলৈ পৰিৱর্তিত হ'ব। ন্যায়ৰ অর্থ হ'ল দায়িত্বৰ প্ৰতি সন্মান। ন্যায়ে সাধাৰণ মানুহৰ মনত এক বাধ্যবাধকতা আনি দিয়ে। ন্যায়ে গীর্জাৰ প্ৰতি সন্মান প্ৰদর্শনকো বুজায়। খ্ৰীষ্টধর্ম হ'ল সকলোৰে উর্দ্ধত। সর্বোচ্চ ন্যায় কেৱল স্বৰ্গীয় চহৰতে সম্ভৱ য'ত সার্বজনীন আইন মানি চলা হয়। এখন ৰাষ্ট্ৰই যদি এই সার্বজনীন ব্যৱস্থাক ভংগ কৰে তেন্তে ই অন্যায় কৰা বুজাব। ন্যায় তেতিয়াহে থাকে যেতিয়া মানুহে ঈশ্বৰক উপাসনা কৰে।

২.৩.৫ চেইণ্ট আগষ্টাইনৰ অৰিহণা বা প্ৰভাৱ

চেইণ্ট আগষ্টাইন আছিল মধ্যযুগীয় ইউৰোপৰ এজন আটাইতকৈ দৰকাৰী ৰাজনৈতিক চিন্তাবিদ। এইটো কোৱা হয় যে থমাছ একুইনাছ আৰু ডাণ্টে তেওঁৰ লিখনিৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। তেওঁ মার্টিন লুথাৰকো প্ৰভাৱিত কৰিছিল।

তেওঁৰ খ্ৰীষ্টান গণৰাজ্যৰ ধাৰণা বহুক্ষেত্ৰত পৱিত্ৰ ৰোমান সাম্ৰাজ্যৰ এক ভেঁটি হিচাপে পৰিগণিত হৈছিল। তেওঁ এই ধাৰণাটো প্ৰদান কৰিছিল যে, ৰাজনৈতিক কৰ্তৃপক্ষই সৰ্বোচ্চ নহয় আৰু ৰাষ্ট্ৰতকৈও উৰ্দ্ধত আন এক কৰ্তৃপক্ষ আছে। তেওঁ লগতে প্ৰচলিত ধাৰণা, যেনে— ৰাষ্ট্ৰৰ আইনসমূহ মানি চলিব লাগে, তাক প্ৰত্যাহ্বান জনাইছিল। তেওঁৰ ধাৰণাসমূহ সমগ্ৰ মধ্যযুগ ধৰি জনাজাত হৈ আছিল। তেওঁৰ স্বৰ্গীয় চহৰৰ ধাৰণা আছিল সেই সময়ৰ সমগ্ৰ দৰ্শনৰে এক ভেঁটিস্বৰূপ আৰু ইয়াৰ দ্বাৰা প্ৰটেষ্টাণ্ট আৰু কেথলিকসকলে প্ৰভাৱিত হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ আগষ্টাইনৰ মতে কোনে স্বৰ্গীয় চহৰৰ এজন বাসিন্দা হ'ব পাৰে?

.....

প্ৰশ্ন ৫ ঃ আগষ্টাইনে মত পোষণ কৰিছিলে যে পাৰ্থিৱ গণৰাজ্য বা চহৰ হৈছে মানৱ প্ৰকৃতিৰ নিম্ন, লোভ, স্বাৰ্থ আৰু ইচ্ছাৰে গঠিত। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৬ ঃ মধ্যযুগৰ দুজন বিখ্যাত ৰাজনৈতিক চিন্তাবিদৰ নাম উল্লেখ কৰা যিয়ে চেইণ্ট আগষ্টাইনৰ দৰ্শনৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল?

.....

.....

২.৪ চেইণ্ট থমাছ একুইনাছৰ ৰাজনৈতিক চিন্তা

চেইণ্ট থমাছ একুইনাছ (১২২৭-১২৭৪ খ্ৰীষ্টাব্দ) মধ্যযুগৰ বিশেষ ব্যক্তিসকলৰ মাজৰ এজন আছিল। তেওঁ এজন উদাৰবাদী চিন্তাবিদ আৰু বুদ্ধিজীৱি আছিল। তেওঁ এৰিষ্টটলৰ দৰ্শন পুনৰুদ্ধাৰৰ বাবে চেষ্টা কৰিছিল। চেইণ্ট থমাছ একুইনাছৰ সময়ত ৰোমান গীৰ্জা ইতিমধ্যেই এক বৃহৎ সংস্থা আছিল। তেওঁ খ্ৰীষ্ট ধৰ্মৰ এজন অনুগামী আছিল। তেওঁৰ লিখনিসমূহ প্ৰধানত স্টইক পন্থী, এৰিষ্টটল আৰু চিচেৰোৰ দ্বাৰা বিশেষভাৱে প্ৰভাৱিত হৈছিল। তেওঁৰ কিছুমান দৰকাৰী কৰ্মজাৰি হ'ল— "চুম্মা থিঅ'লজিকা" *(Summa Theologica)*, "চুম্মা কণ্ট্ৰা জেনটাইলছ" *(Summa Contra Gentiles)* ইত্যাদি।

২.৪.১ চেইণ্ট থমাছ একুইনাছৰ দৰ্শন

ৰাজনৈতিক দৰ্শনৰ ক্ষেত্ৰত চেইণ্ট থমাছ একুইনাছৰ অৱিহণাসমূহ হ'ল—

- **কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণা ঃ** নিজৰ দৰ্শনৰ যোগেদি চেইণ্ট একুইনাছে কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাটো ব্যাখ্যা কৰিছিল। একুইনাছে এনেকুৱা এখন কল্যাণকামী ৰাষ্ট্ৰৰ

সপক্ষে মত দিছিল যিয়ে সমাজৰ পিছপৰা আৰু দুখীয়া শ্রেণীৰ চোৱা-চিতা কৰাৰ লগতে সকলোকে ন্যায় প্রদান কৰিব আৰু ৰাষ্ট্র এখন শান্তিময় কৰি তুলিব। তেওঁ আগবঢ়োৱা ৰাষ্ট্রৰ এই কল্যাণকামী কার্যৰ ধাৰণা বর্তমানলৈ বর্তি আছে।

- **সাংবিধানিক চৰকাৰৰ ধাৰণা ঃ** চেইণ্ট একুইনাছে ৰাজতন্ত্রৰ সপক্ষে মতপোষণ কৰিছিল যদিও তেওঁ কৈছিল যে, ৰাজতন্ত্র সর্বোচ্চ নহয়। তেনেকুৱা এখন চৰকাৰ ৰাষ্ট্রৰ নিয়মৰ দ্বাৰা সীমাৱদ্ধ হৈ থাকিব লাগে। সেয়েহে, তেনেকুৱা এটা ধাৰণাৰ দ্বাৰা তেওঁ সাংবিধানিক চৰকাৰৰ ধাৰণাটো আগবঢ়াইছিল।
- **আইনৰ শ্রেণীবিভাজন ঃ** চেইণ্ট একুইনাছৰ মতে আইন সদায় ন্যায়ৰ সৈতে সংযুক্ত হৈ থাকিব লাগে। সেয়েহে, যুক্তিৰ ওপৰত ভিত্তি কৰি তেওঁ আইনৰ শ্রেণীবিভাজন কৰিছিল। তেওঁৰ মতে, আইন যুক্তিসংগত চিন্তাৰ এক উৎপাদন আৰু আইন কেৱল সর্বোচ্চ কর্তৃপক্ষৰ এক আদেশ বুলি মানি চলিব নালাগে, ববং ই কেতবোৰ যুক্তিৰ ওপৰত প্রতিষ্ঠিত বুলি মানি চলিব লাগে।
- **এৰিষ্ট'টলীয় দর্শনৰ পুনৰজাগৰণ ঃ** পশ্চিমৰ দেশসমূহত এৰিষ্ট'টলীয় দর্শনৰ পুনৰ জাগৰণৰ প্রধান কাৰণ হ'ল চেইণ্ট একুইনাছ। তেওঁ এৰিষ্ট'টলৰ দর্শনৰ ওপৰত বহু বছৰ ধৰি সমর্থন আগবঢ়াইছিল যিহেতু ই গীর্জাৰ আদর্শৰ সৈতে কোনোধৰণৰ সংঘর্ষত লিপ্ত হোৱা নাছিল।
- **ৰাষ্ট্রৰ মূল ভেঁটি ঃ** চেইণ্ট একুনাছে বিশ্বাস কৰিছিল যে ৰাষ্ট্র হৈছে এক নৈতিক অনুষ্ঠান আৰু ই সাধাৰণ জণগনৰ কল্যাণ সাধন কৰে। তেওঁ মত প্রকাশ কৰিছিল যে মানুহৰ সামাজিক প্রবৃত্তিৰ ফলতেই ৰাষ্ট্রৰ সৃষ্টি হৈছিল। তেওঁৰ মতে, ৰাষ্ট্রই কেৱল নেতিবাচক কার্যই সম্পন্ন নকৰে, ইয়াৰ লগে লগে ইয়াৰ আন কেতবোৰ ইতিবাচক দিশো আছে যেনে— ভাল মূল্যবোধৰ জ্ঞান, জনগণৰ কল্যাণসাধন ইত্যাদি। অর্থাৎ, একুইনাছে ৰাষ্ট্রক এক প্রাকৃতিক আৰু নৈতিক ভেটি প্রদান কৰিছিল।
- **জাতি-ৰাষ্ট্রৰ ধাৰণা ঃ** চেইণ্ট একুইনাছে জাতি-ৰাষ্ট্রৰ ধাৰণাৰ ব্যাখ্যা আগবঢ়াইছিল। তেওঁ ৰাষ্ট্রীয় অনুভূতিক ধর্মীয় কর্তৃত্বৰ বিকল্প হিচাপে দেখুৱাইছিল।
- **প্রাকৃতিক আইনৰ ধাৰণা ঃ** চেইণ্ট একুইনাছে মানৱীয় আইনক প্রাকৃতিক আইনৰ অধীনস্থ বুলি ব্যাখ্যা কৰিছিল আৰু ইয়াক এক শৃংখলাৱদ্ধ সংজ্ঞা প্রদান কৰিছিল। তেওঁৰ প্রাকৃতিক আইনৰ ধাৰণাই লকৰ লগতে বহুকেইজন ৰাজনৈতিক চিন্তাবিদক প্রভাৱিত কৰিছিল।

২.৪.২ ৰাষ্ট্র উৎপত্তি সম্পর্কে থমাছ একুইনাছৰ ধাৰণা

মধ্যযুগীয় সময়ছোৱাত খ্রীষ্টধর্মী চিন্তাবিদসকলে মতপোষণ কৰিছিল যে ৰাষ্ট্রখনৰ মানৱীয় পাপৰ ফলত সৃষ্টি হৈছিল। তেওঁলোকৰ মতে, মানৱীয় প্রকৃতিৰ দুর্বলতাসমূহৰ ফলতহে ৰাষ্ট্রৰ উৎপত্তি হৈছে। কিন্তু থমাছ একুইনাছে ৰাষ্ট্রৰ উৎপত্তিৰ এই ধাৰণাটোৰ

ক্ষেত্রত এক আমূল পৰিৱর্তন আনিছিল। মধ্যযুগীয় চিন্তাবিদসকলৰ নিচিনাকৈ যিয়ে ৰাষ্ট্রৰ উৎপত্তি মানৱীয় পাপ বা দুর্বলতাসমূহ বুলি ব্যাখ্যা কৰিছিল, চেইণ্ট একুইনাছে বিশ্বাস কৰিছিল যে, মানুহ হ'ল প্রকৃতিগতভাৱে এক সামাজিক প্রাণী আৰু ৰাষ্ট্র হ'ল মানুহৰ প্রাকৃতিক সৃষ্টি। তেওঁ খ্রীষ্টধর্মৰ ধাৰণা, যেনে— মানৱীয় পাপৰ শাস্তি প্রদান কৰিবলৈ ৰাষ্ট্রৰ ধাৰণাটোৰ উৎপত্তি হৈছে, এই ধাৰণাৰ বিৰোধিতা কৰিছিল। চেইণ্ট একুইনাছে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ৰাষ্ট্র এখন কোনো কৃত্রিম, অধর্মী বা প্রচলিত অনুষ্ঠান নহয়, তাৰ সলনি ই হ'ল এক প্রাকৃতিক অনুষ্ঠান। তেওঁ যুক্তি আগবঢ়াইছিল যে— যিহেতু সামাজিক প্রয়োজনসমূহ পূৰাবলৈ কোনোৱে স্বপর্যাপ্ত নহয়, সেয়েহে আনৰ সহায় সদায় দৰকাৰী আছিল আৰু এইটো কাৰণতে ৰাষ্ট্রৰ উৎপত্তি হৈছিল। এইভাৱে ৰাষ্ট্র এখন প্রাকৃতিক অনুষ্ঠান। জনগণই ৰাষ্ট্র এখনলৈ তেওঁলোকৰ সম্পূর্ণ বিকাশ আৰু উৎকৃষ্টতা লাভ কৰিবলৈহে আহে। সেয়েহে ৰাষ্ট্র এখনৰ এক বিশেষ ইতিবাচক কর্তব্য আছে যিয়ে জনগণক দৰকাৰী সেৱা প্রদান কৰে। ৰাষ্ট্র এখনে জনগণৰ নৈতিক কল্যাণসাধনৰ বাবেহে বর্তি থাকে। ৰাষ্ট্রৰ লগতে সমাজ এখনো মানৱীয় প্রকৃতিৰ কাৰণে সমানেই দৰকাৰী যিহেতু ই জনগণক মূল্যবোধ আৰু শুদ্ধ গুণৰ অধিকাৰী হ'বলৈ শিক্ষা দিয়ে। চেইণ্ট একুইনাছৰ মতে, ৰাজতন্ত্র হ'ল চৰকাৰৰ আটাইতকৈ উপযুক্ত এক প্রকাৰ, যিহেতু শ্রেষ্ঠজনে নিম্নজনৰ ওপৰত শাসন চলোৱাটো এক প্রাকৃতিক নিয়ম। ইয়াৰ লগতে এইটো নিম্নজনৰো এক স্বার্থ যে তেওঁলোকে শ্রেষ্ঠজনৰ দ্বাৰা শাসিত হোৱা উচিত। যদি সমাজৰ নিম্ন শ্রেণীৰ লোকসকল শ্রেষ্ঠসকলৰদ্বাৰা অর্থাৎ যিসকল ব্যক্তিৰ উচ্চ চিন্তা, মূল্যবোধ আৰু পাৰদর্শিতাৰে পৰিৱেষ্টিত, শাসিত হয় তেন্তে নিম্ন শ্রেণীৰ লোকসকলেও নিজৰ মূল্যবোধৰ উন্নতি সাধন কৰিব পাৰিব। অর্থাৎ, তেওঁ ৰাষ্ট্রৰ শৈক্ষিক ভূমিকাৰ সপক্ষে মত দিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ ঃ "চুম্মা থিঅ'লজিকা" *(Summa Theologica)* গ্রন্থখনৰ ৰচক কোন?

.....

প্রশ্ন ৮ ঃ চেইণ্ট একুইনাছৰ মতে আইনৰ মূল ভেঁটি হ'ল .....। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ৯ ঃ একুইনাছৰ মতে, ৰাষ্ট্র হ'ল কৃত্রিম, অধর্মী আৰু এক প্রচলিত অনুষ্ঠান। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ১০ ঃ নিম্নশ্রেণীৰ জনগণৰ ওপৰত শ্রেষ্ঠসকলৰ ভূমিকা সম্পর্কে চেইণ্ট থমাছ একুইনাছে আগবঢ়োৱা যুক্তিটো উল্লেখ কৰক।

.....

.....

২.৪.৩ যুক্তি আৰু বিশ্বাস সম্পর্কে ধাৰণা

চেইণ্ট একুনাছে যুক্তি আৰু বিশ্বাসৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল যিয়ে, তেওঁৰ মতে, মানৱীয় আচাৰ-ব্যৱহাৰক এক পথপ্রদর্শন কৰা উচিত। তেওঁৰ মতে, যুক্তি আৰু বিশ্বাস দুয়োৰে এক সমূহীয়া উৎস আছে, সেয়া হ'ল— ঈশ্বৰ। এইদৰে তেওঁ খ্রীষ্টান মতবাদ আৰু প্রাচীন গ্রীচৰ দার্শনিকসকলৰ দর্শনৰ মাজত এক সামঞ্জস্য প্রদান কৰিছিল।

২.৪.৪ চৰকাৰৰ শ্রেণীবিভাজন আৰু কার্য সম্পর্কে ধাৰণা

চেইণ্ট একুইনাছে দুইধৰণৰ নীতিৰ ওপৰত ভিত্তি কৰি চৰকাৰৰ শ্রেণীবিভাজনৰ এক ব্যাখ্যা আগবঢ়াইছিল— সর্বোচ্চতাৰ ধাৰণাটো মানুহৰ অপকর্মৰ এটা ফল নে ই মানুহৰ সামাজিক প্রবৃত্তিৰ এটা অংশ। এৰিষ্টটলৰ নিচিনাকৈ চেইণ্ট একুইনাছেও চৰকাৰক স্বাভাৱিক আৰু বিকৃত এই দুটা প্রকাৰত ভাগ কৰিছিল, য'ত স্বাভাৱিক চৰকাৰে ৰাজতন্ত্র, অভিজাততন্ত্র আৰু ৰাজনৈতিক শাসন ব্যৱস্থাক (আধুনিক গণতন্ত্র) অন্তর্ভুক্ত কৰে, বিকৃত চৰকাৰে আনহাতে স্বেচ্ছাচাৰী শাসন, স্বল্পতন্ত্র আৰু গণতন্ত্রক অন্তর্ভুক্ত কৰে। তেওঁ সাধাৰণতে সদায়ে ৰাজতন্ত্রক এক নির্দিষ্ট সীমালৈ সমর্থন কৰিছিল যিয়ে চৰকাৰক স্বৈৰাচাৰী শাসক হোৱাৰ পৰা বিৰত ৰাখিছিল। তেওঁ কৈছিল যে— চৰকাৰ সদায় আইনৰ দ্বাৰা সীমিত হ'ব লাগে। তেওঁৰ মতে কোনো প্রকাৰৰ চৰকাৰেই অতি উত্তম নহয় বা বেয়াও নহয়, এইটো নির্ভৰ কৰে ৰাষ্ট্র এখনে কেনেকুৱা ধৰণৰ কার্য সম্পন্ন কৰিছে তাৰ ওপৰত। চেইণ্ট একুইনাছে অসামৰিক চৰকাৰৰ ওপৰত যথেষ্ট গুৰুত্ব প্রদান কৰিছিল। তেওঁ অসামৰিক চৰকাৰক চাৰিটা ভাগত ভাগ কৰিছিল, যেনে— পৰিত্র, ৰাজযিক, ৰাজনৈতিক আৰু অর্থনৈতিক।

চৰকাৰৰ কার্য সম্পর্কে চেইণ্ট একুইনাছে মতপোষণ কৰিছিল যে ভাল চৰকাৰ হ'ল এনে এখন চৰকাৰ যিয়ে জনগণৰ বাবে ভাল কার্যসম্পন্ন কৰে। ইয়াৰোপৰি, একুইনাছে ৰাষ্ট্রৰ এনেকুৱা এক কার্যৰ ওপৰত গুৰুত্ব দিছিল যিয়ে কল্যাণকামী ৰাষ্ট্রৰ ধাৰণাটো প্রতিফলিত কৰিছিল। ই উৎকৃষ্ট শাসন ব্যৱস্থাৰ লগতে জনগণক ন্যায়, প্রাথমিক সা-সুবিধা প্রদান কৰিব লাগে আৰু জনগণৰ সুৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিব লাগে। সহজ কথাত, চৰকাৰৰ কার্য হ'ল দুখীয়া শ্রেণীৰ লোকসকলক চোৱা-চিতা কৰা, একতা সুনিশ্চিত কৰা, এক শুদ্ধ মূল্যবোধৰ জীৱনৰ পথ প্রদর্শন কৰা আৰু ৰাস্তা-ঘাট মুকলি আৰু সুৰক্ষিত কৰা ইত্যাদি। এখন ভাল চৰকাৰে সদায় জনগণৰ সুখ-শান্তি, সুৰক্ষা আৰু মূল্যবোধ সুনিশ্চিত কৰিব লাগে। একুইনাছে ইয়াৰ লগতে জনগণৰ নৈতিক জীৱন উন্নীত কৰাৰ ক্ষেত্রত থকা চৰকাৰৰ ভূমিকাকো গুৰুত্ব প্রদান কৰিছিল। তেওঁ আনহাতে চৰকাৰক কোনোধৰণৰ নেতিবাচক কার্য প্রদান কৰা ধাৰণাটো সমর্থন কৰা নাছিল। তেওঁৰ মতে, চৰকাৰে জনগণৰ ওপৰত কোনোধৰণৰ অতিৰিক্ত কৰ আৰোপ

কৰাৰ পৰা বিৰত থাকি তেওঁলোকক অর্থনৈতিক সকাহ প্রদান কৰিব লাগে। চৰকাৰে জনগণৰ কল্যাণসাধনৰ ক্ষেত্রত থকা যিকোনো ধৰণৰ বাধা আঁতৰাব লাগে।

২.৪.৫ গীর্জাৰ সর্বোচ্চতা সম্পর্কে ধাৰণা

চেইণ্ট একুইনাছে গীর্জাক সর্বোচ্চ কর্তৃপক্ষ বুলি গণ্য কৰিছিল। তেওঁৰ মতে, গীর্জাই হ'ল একমাত্র কর্তৃপক্ষ যিয়ে বিশ্বৰ অশৃংখলতা আৰু স্বৈৰাচাৰীতা ৰোধ কৰে আৰু সমাজত একতা স্থাপন কৰে। ই হ'ল সকলোৰে উর্দ্ধত। তেওঁৰ মতে, এখন ধর্মনিৰপেক্ষ ৰাষ্ট্রই সদায় গীর্জাৰ অধীনত কার্য কৰিব লাগে যিহেতু ই হ'ল পথ প্রদর্শনকাৰী আৰু নিয়ন্ত্রণকাৰী এক কর্তৃপক্ষ। গীর্জাই কোনো এজন শাসকক সমাজচ্যুত কৰিব পৰা ক্ষমতা বহন কৰিছিল। সেয়েহে, এজন ধর্মযাজকক ধর্মীয় আৰু ধর্ম নিৰপেক্ষ দুয়োধৰণৰ ক্ষেত্রতেই মানি চলিব লাগে। তেওঁৰ মতে, ৰাষ্ট্রৰ ওপৰত গীর্জাৰ কর্তৃত্ব সদায়ে পৰোক্ষ আছিল আৰু সেয়েহে ৰাষ্ট্রৰ কার্যত ইয়াৰ হস্তক্ষেপ সদায়ে সীমিত হ'ব লাগে। একুইনাছে মত দিছিল যে গীর্জা আৰু ৰাষ্ট্র সদায়ে ইটোৱে আনটোক সহযোগিতা আগবঢ়াব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১১ ঃ চেইণ্ট একুইনাছে উল্লেখ কৰা মতে বিশ্বাস আৰু যুক্তিৰ উৎস কি?

.....

প্রশ্ন ১২ ঃ চেইণ্ট একুইনাছে চৰকাৰক ..... প্রকাৰত ভাগ কৰিছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ১৩ ঃ চেইণ্ট একুইনাছে ব্যাখ্যা কৰা মতে চৰকাৰৰ দুটা কার্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ১৪ ঃ চেইণ্ট একুইনাছৰ মতে, কোনটো সংগঠনে সার্বজনীন বিশৃংখলতা আৰু স্বৈৰাচাৰীতা ৰোধ কৰি সমাজত একতা বজাই ৰাখিব পাৰে?

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চেইণ্ট আগষ্টাইন এজন বিখ্যাত মধ্যযুগীয় ৰাজনৈতিক চিন্তাবিদ আছিল। তেওঁৰ আটাইতকৈ দৰকাৰী কর্মৰাজি হ'ল *ডি চিভিটেট দেই*। চেইণ্ট আগষ্টাইনে তেওঁৰ দর্শনৰ মাজেদি খ্রীষ্টধর্মক গৌৰাৱান্বিত কৰিছিল।

- চেইণ্ট আগষ্টাইনৰ আটাইতকৈ দৰকাৰী ধাৰণাটো হ'ল এখন স্বৰ্গীয় চহৰৰ ধাৰণা। আগষ্টাইনৰ মতে, আমি বাস কৰা পৃথিৱীখন দুখন চহৰেৰে গঠিত, এখন হ'ল পার্থিৱ চহৰ আৰু আনখন হ'ল স্বৰ্গীয় চহৰ।
- পার্থিৱ চহৰ সম্পূৰ্ণভাৱে মানৱীয় অপকর্মৰে পূৰ্ণ আৰু ই অস্থায়ী। স্বৰ্গীয় চহৰে, আনহাতে, শান্তি আৰু আধ্যাত্মিক নির্বাণৰ পথ প্রদর্শন কৰে। ই ঈশ্বৰ আৰু সত্যৰ প্রতি প্রেম-ভালপোৱাক লৈ গঠিত হৈছে। ই হ'ল স্থায়ী আৰু অপার্থিৱ। আগষ্টাইনৰ মতে, যিসকলৰ খ্রীষ্টধর্মৰ প্রতি বিশ্বাস আছে তেওঁলোকে এই স্বৰ্গীয় চহৰৰ বাসিন্দা হ'ব পাৰে।
- চেইণ্ট আগষ্টাইনৰ আন এক গুৰুত্বপূৰ্ণ দর্শন হ'ল মানৱীয় প্রকৃতি সম্পর্কে তেওঁৰ ধাৰণা যিটো খ্রীষ্টধর্মৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হৈছিল। তেওঁ কৈছিল যে— মানৱ সমাজৰ দুই ধৰণৰ প্রকৃতিৰ লগতে দুই ধৰণৰ প্রয়োজন আছে, যেনে— সাময়িক প্রয়োজন বা আধ্যাত্মিক প্রয়োজন। সাময়িক প্রয়োজনসমূহ পার্থিৱ জগতত পূৰণ কৰিব পাৰি। কিন্তু আধ্যাত্মিক প্রয়োজনসমূহ কেৱল স্বৰ্গীয় চহৰতহে পূৰণ কৰা সম্ভৱ।
- চেইণ্ট আগষ্টাইনে ৰাষ্ট্রৰ দৈৱিক উৎপত্তিৰ বিষয়ে বিশ্বাস কৰিছিল। তেওঁৰ মতে, ৰাষ্ট্র এখনৰ উৎপত্তি ইয়াৰ জনগণক পাপৰ পৰা মুক্ত কৰিবলৈহে হৈছে আৰু ই স্বৰ্গীয় চহৰৰ অধীনস্থ।
- চেইণ্ট আগষ্টাইনৰ আন এক গুৰুত্বপূৰ্ণ ধাৰণা হ'ল— ন্যায়ৰ ধাৰণা। আগষ্টাইনৰ মতে, ন্যায় হ'ল ৰাষ্ট্র এখনৰ মূল ভেটি আৰু ই কেৱল স্বৰ্গীয় চহৰতহে বর্তি থাকিব পাৰে। আগষ্টাইনে মত দিছিল যে ন্যায়ে গীর্জাৰ প্রতি সন্মান প্রদর্শনক বুজায় আৰু ই লগতে দায়িত্ব বা কর্তব্যৰ প্রতি সন্মান প্রদর্শনকো সামৰি লয়।
- মধ্যযুগৰ আন এজন গুৰুত্বপূৰ্ণ চিন্তাবিদ আছিল চেইণ্ট থমাছ একুইনাছ। তেওঁৰ দৰকাৰী কর্মৰাজি হ'ল— *চুম্মা থিঅ'লজিকা (Summa Theologica)* আৰু *চুমমা কণ্ট্রা জেনটাইলছ (Summa Contra Gentiles)* ইত্যাদি।
- ৰাষ্ট্র উৎপত্তি সম্পর্কে চেইণ্ট একুইনাছে মতপোষণ কৰিছিল যে ৰাষ্ট্র কোনো কৃত্রিম, অধর্মী আৰু প্রচলিত অনুষ্ঠান নহয়, তাৰ সলনি ই হ'ল এক প্রাকৃতিক অনুষ্ঠান। তেওঁ যুক্তি দিছিল যে— যিহেতু কোনোৱেই সামাজিক প্রয়োজনসমূহ পূৰাবলৈ স্ব-পর্যাপ্ত নহয়, সেয়েহে আনৰ সহায় সদায় দৰকাৰী হৈছিল আৰু এইটো কাৰণতে ৰাষ্ট্র এখনৰ উৎপত্তি হৈছিল। একুইনাছে বিশ্বাস কৰিছিল যে মানুহ প্রকৃতিগতভাৱে সামাজিক প্রাণী আৰু সেয়েহে মানুহৰবাবে ৰাষ্ট্র এক প্রাকৃতিক অনুষ্ঠান।
- চেইণ্ট আগষ্টাইনে মত দিছিল যে যুক্তি আৰু বিশ্বাসে মানৱীয় আচাৰ-ব্যৱহাৰক নিয়ন্ত্রণ কৰিব লাগে। যুক্তি আৰু বিশ্বাস দুয়োটাৰে উৎস হ'ল ঈশ্বৰ।
- চেইণ্ট একুইনাছে চৰকাৰৰ শ্রেণীবিভাজন সম্পর্কে তেওঁৰ ধাৰণাক দুটা ভাগত ভাগ কৰিছিল— স্বাভাৱিক আৰু বিকৃত। স্বাভাৱিক চৰকাৰ ৰাজতন্ত্র, অভিজাততন্ত্র আৰু ৰাজনৈতিক শাসন ব্যৱস্থাক (আধুনিক গণতন্ত্র) অন্তর্ভুক্ত কৰে আৰু বিকৃত চৰকাৰে স্বেচ্ছাচাৰীতা, স্বল্পতন্ত্র আৰু গণতন্ত্রক অন্তর্ভুক্ত কৰে। তেওঁ ৰাজতন্ত্রক সদায়ে এক সীমিত

পৰিসীমাৰ ভিতৰত সমর্থন কৰিছিল যিয়ে চৰকাৰখনক স্বেচ্ছাচাৰী হোৱাৰ পৰা বিৰত কৰি ৰাখিছিল। তেওঁ মত দিছিল যে— চৰকাৰ সদায় আইনৰ দ্বাৰা সীমিত হ'ব লাগে।

- চৰকাৰৰ কার্য সম্পর্কে চেইণ্ট একুইনাছে উল্লেখ কৰিছিল যে চৰকাৰে সদায় জনগণৰ কল্যাণ সুনিশ্চিত কৰিব লাগে। ই উৎকৃষ্ট শাসন ব্যৱস্থাৰ লগতে ন্যায়, প্রশাসনিক সুবিধা প্রদান কৰিব লাগে আৰু নাগৰিকৰ সুৰক্ষা ব্যৱস্থা সুনিশ্চিত কৰিব লাগে। এখন উৎকৃষ্ট চৰকাৰে সদায় নাগৰিকৰ সুখ-শান্তি, সুৰক্ষা আৰু মূল্যবোধৰ প্রতি চকু ৰাখিব লাগে। একুইনাছে ইয়াৰ লগতে জনগণৰ নৈতিক জীৱন উন্নীত কৰাৰ ক্ষেত্রত থকা চৰকাৰৰ ভূমিকাৰ ওপৰত গুৰুত্ব দিছিল।
- চেইণ্ট একুইনাছে গীর্জাক সর্বোচ্চ কর্তৃপক্ষ বুলি গণ্য কৰিছিল যিয়ে বিশ্বৰ বিশৃংখলতা আৰু স্বেচ্ছাচাৰীতা ৰোধ কৰে আৰু সমাজত একতাৰ উন্নীতকৰণ কৰিছিল। তেওঁৰ মতে, এখন নিৰপেক্ষ ৰাষ্ট্রই সদায়ে গীর্জাৰ কর্তৃত্বৰ অধীনত কার্য কৰিব লাগে, যিহেতু গীর্জা হ'ল সর্বোচ্চ নিয়ন্ত্রণকাৰী আৰু পথপ্রদর্শনকাৰী কর্তৃপক্ষ। একুইনাছে মতপোষণ কৰিছিল যে গীর্জা আৰু ৰাষ্ট্রই ইটোৰে-সিটোৰ প্রতি সহযোগিতা প্রদর্শন কৰি চলিব লাগে।



২.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Masih, Y. (2006). *A critical history western philosophy (Greek, Medieval and Modern).* Delhi: Motilal Banarisdass Publishers Private Limited.
2. Sharma, S.K. and Sharma, U. (2003). *Western political thought, From plato to Burke.* Delhi: Atlantic Publishers and Distributors.
3. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্রন্থঃ

১) পাল, কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্রকাশন।

২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ডি চিভিটেট দেই।

২ নং প্রশ্নৰ উত্তৰ ঃ প্লেটো আৰু চিচেৰো।

৩ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ আগষ্টাইনৰ মতে, যিসকলৰ খ্ৰীষ্টধৰ্মৰ প্ৰতি বিশ্বাস আছে তেওঁলোকে স্বৰ্গীয় চহৰ বাসিন্দা হ'ব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ থমাছ একুইনাছ আৰু ডাণ্টে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চেইণ্ট থমাছ একুইনাছ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ যুক্তি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ চেইণ্ট একুইনাছৰ মতে শ্ৰেষ্ঠজনে নিম্নজনৰ ওপৰত শাসন কৰা উচিত। নিম্নসকলৰ স্বাৰ্থতে তেওঁলোক শ্ৰেষ্ঠজনৰ দ্বাৰা শাসিত হ'ব লাগে। যদি নিম্নসকল শ্ৰেষ্ঠসকলৰ দ্বাৰা যেনে— যিসকল ব্যক্তিয়ে উচ্চ মূল্যবোধ, জ্ঞান আৰু পাৰদৰ্শিতাৰে পৰিবেষ্টিত, শাসিত হয়, তেন্তে নিম্নসকলেও তেওঁলোকৰ নৈতিক গুণসমূহ বিকশিত কৰিবলৈ সক্ষম হ'ব।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ঈশ্বৰ।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ স্বাভাৱিক আৰু বিকৃত।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) চৰকাৰে দুখীয়া শ্ৰেণীৰ লোকসকলৰ চোৱা-চিতা কৰিব লাগে, খ) চৰকাৰে জনগণৰ সুৰক্ষা সুনিশ্চিত কৰিব লাগে।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ গীৰ্জা।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ "ডি চিভিটেট দেই" গ্ৰন্থখনৰ লিখক কোন?

প্ৰশ্ন ২ঃ চেইণ্ট থমাছ একুইনাছৰ দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ মধ্যযুগত কোনজন ব্যক্তিয়ে এৰিষ্টটলৰ দৰ্শনৰ পুনৰুদ্ধাৰ কৰিছিল?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ মানৰ প্ৰকৃতি সম্পৰ্কে চেইণ্ট আগষ্টাইনৰ ধাৰণা চমুকৈ লিখক।

প্ৰশ্ন ২ঃ চৰকাৰৰ কাৰ্য সম্পৰ্কে চেইণ্ট একুইনাছৰ মতবাদটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ ৰাষ্ট্ৰ সম্পৰ্কে চেইণ্ট আগষ্টাইনৰ ধাৰণাটো লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ চেইণ্ট আগষ্টাইনৰ স্বৰ্গীয় চহৰৰ মতবাদটো আলোচনা কৰক।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰৰ উৎপত্তি সম্পৰ্কে চেইণ্ট একুইনাছৰ ধাৰণাটো বৰ্ণনা কৰক।

****

অধ্যায় ৩ঃ নিকোলো মেকিয়াভেলি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ মানৱ প্ৰকৃতি সম্পৰ্কে মতামত
৩.৪ চৰকাৰৰ প্ৰকাৰ আৰু ৰাজ্য ৰক্ষা সম্পৰ্কে মতামত
৩.৫ নীতিশাস্ত্ৰ আৰু ৰাজনীতি সম্পৰ্কে মতামত
৩.৬ ৰাজনৈতিক চিন্তাধাৰালৈ মেকিয়াভেলিৰ অৱদান
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্ৰগতিৰ খতিয়ান
৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- মেকিয়াভেলিয়ে বৰ্ণনা কৰা ধৰণে মানৱ প্ৰকৃতিৰ ধাৰণা আলোচনা কৰিব পাৰিব
- চৰকাৰৰ ধৰণ আৰু ৰাজ্য ৰক্ষা সম্পৰ্কে মেকিয়াভেলিৰ মতামত বিশ্লেষণ কৰিব পাৰিব
- নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ ক্ষেত্ৰত মেকিয়াভেলিৰ মতামত ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক চিন্তাধাৰালৈ মেকিয়াভেলিৰ অৱদান মূল্যায়ন কৰিব পাৰিব।

৩.২ পৰিচয়

মেকিয়াভেলিৰ পৰাই মধ্য যুগৰ অৱসান ঘটিছিল আৰু ৰাজনৈতিক দৰ্শনে এক নতুন ধাৰাত প্ৰৱেশ কৰিছিল। তেওঁ ৰাজনৈতিক দাৰ্শনিকতকৈ বহু ক্ষেত্ৰত এজন ব্যৱহাৰিক ৰাজনীতিবিদহে আছিল। মেকিয়াভেলিয়ে তেওঁৰ সময়ছোৱাত ইটালীয়ে সন্মুখীন হৈ থকা প্ৰতিটো সমস্যাৰ প্ৰতি ব্যৱহাৰিক দৃষ্টিভঙ্গী গ্ৰহণ কৰিছিল, কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁ তেওঁৰ ধাৰণাসমূহ বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী কৰিবলৈ সক্ষম হোৱা নাছিল। মেকিয়াভেলিৰ সমগ্ৰ দৰ্শন তেওঁৰ দুখন বিখ্যাত গ্ৰন্থ *দ্য প্ৰিন্স (The Prince)* আৰু *দ্য দিছকোৰ্ছে (The Discources)* ত সন্নিবিষ্ট হৈ আছে। এই অধ্যায়ত আমি মানৱ প্ৰকৃতি, চৰকাৰৰ ধৰণ আৰু ৰাজ্য ৰক্ষা, নীতিশাস্ত্ৰ আৰু ৰাজনীতি সম্পৰ্কে মেকিয়াভেলিৰ মতামত আৰু ৰাজনৈতিক চিন্তাধাৰালৈ তেওঁৰ অৱদানৰ বিষয়ে আলোচনা কৰিম।

৩.৩ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা

মেকিয়াভেলিয়ে বিস্তৃতভাৱে মানৱ প্ৰকৃতি সম্পৰ্কে আলোচনা আগবঢ়াইছে। তেওঁ মানৱ প্ৰকৃতিৰ এখন নঞৰ্থক চিত্ৰ দাঙি ধৰিছে আৰু তাক জন্তুৰ প্ৰকৃতিৰ সৈতে সমান বুলি গণ্য কৰিছে। তেওঁৰ মতে মানৱ জাতি অকৃতজ্ঞ আৰু স্বাৰ্থপৰ। *দ্য প্ৰিন্স* নামৰ গ্ৰন্থখনত অংকন কৰা অনুসৰি, তেওঁৰ মানৱ প্ৰকৃতি সম্পৰ্কে মতামতসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি—

- মানুহ আত্মকেন্দ্ৰিক আৰু আনৰ স্বাৰ্থৰ বিষয়ে ভবাতকৈ মানুহে নিজৰ স্বাৰ্থৰ কথাহে ভাবে। তেওঁলোকে সদায় নিজৰহে যত্ন লয়। তেওঁলোক লোভী জীৱ।
- মানুহ সদায় আক্ৰমণাত্মক আৰু প্ৰত্যেকেই অধিক আহৰণ কৰাৰ বাবে আগ্ৰহী। সেয়েহে, তেওঁলোকে সদায় ইজনে আনজনৰ লগত সংঘৰ্ষত লিপ্ত হৈ অৰাজকতাৰ পৰিবেশ সৃষ্টি কৰে।
- মানুহ সদায় ভীৰু আৰু স্বভাৱসিদ্ধ জীৱ। ভীৰু হোৱা হেতুকে মানুহে সদায় খুব কম প্ৰতিৰোধ কৰিব লগা পথটো অনুসৰণ কৰে। মানুহে কেৱল সুপ্ৰতিষ্ঠিত ৰীতিসমূহহে অনুসৰণ কৰিব বিচাৰে যাতে তেওঁলোকক সমাজে বিৰোধিতা নকৰে।
- মেকিয়াভেলিৰ মতে প্ৰকৃতিগতভাৱে মানুহে তেওঁলোকৰ আত্মীয়-কুটুম্বতকৈ ব্যক্তিগত সম্পত্তিৰ প্ৰতিহে বেছি আগ্ৰহী।
- মানুহ মুৰ্খ আৰু বিচাৰশক্তিহীন আৰু সদায় ইচ্ছা-আকাংক্ষাৰ প্ৰতি আকৰ্ষিত, যিয়ে অৱশেষত তেওঁলোকলৈ ধ্বংস মাতি আনে।
- তেওঁ আকৌ কৈছে যে মানৱ জাতি অসদাচাৰপ্ৰৱণ আৰু তেওঁলোকে কেৱল বাধ্য-বাধকতাৰ ক্ষেত্ৰতহে নৈতিকভাৱে আচৰণ কৰে।
- সকলো মানুহেই অত্যাধিক স্বাধীনতা বিচাৰে আৰু তেওঁলোকে আনৰপৰা স্বাধীন হ'বলৈ আশা কৰে।

চমুকৈ ক'বলৈ গ'লে হ'বচ্‌ৰ দৰে মেকিয়াভেলিয়েও বিশ্বাস কৰে যে মানুহ মূলতঃ স্বাৰ্থপৰ আৰু এই স্বাৰ্থপৰ মানুহবিলাকক সংঘবদ্ধ কৰা একমাত্ৰ উপাদানটো হৈছে নিজৰ সুৰক্ষাৰ প্ৰতি আকাংক্ষা।

মেকিয়াভেলিৰ দৃষ্টিভংগীৰ সমালোচনা ঃ- মেকিয়াভেলিয়ে মানৱ প্ৰকৃতি সম্পৰ্কে আগবঢ়োৱা মতামতৰ ক্ষেত্ৰত তেওঁক সমালোচনা কৰা হৈছে। এইটো প্ৰত্যক্ষভাৱে স্পষ্ট যে মেকিয়াভেলিয়ে অংকন কৰিবলৈ চেষ্টা কৰা ধৰণে মানৱ প্ৰকৃতি ইমান বেয়াও নহয়। অৱশ্যে, মানৱ প্ৰকৃতি সম্পূৰ্ণৰূপে ভাল নহয়, কিন্তু একে সময়তে তেওঁলোকৰ প্ৰকৃতি সম্পূৰ্ণৰূপে বেয়াও নহয়। ইয়াৰোপৰি, মানুহৰ প্ৰকৃতি কিয় বেয়া আৰু স্বাৰ্থপৰ, এই বিষয়ে তেওঁ ক'তো বৰ্ণনা কৰা নাই। সেই ক্ষেত্ৰত তেওঁ কোনো যুক্তিসংগত ব্যাখ্যা আগবঢ়োৱা নাই। এনেদৰে, তেওঁৰ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা যুক্তিসংগত নহয় আৰু মানৱ প্ৰকৃতিৰ কেৱল মাত্ৰ এটা দিশহে উপস্থাপন কৰিছে।

৩.৪ চৰকাৰৰ ধৰণ আৰু ৰাজ্য ৰক্ষা সম্পৰ্কে মতামত

এৰিষ্টটলৰ দৰে মেকিয়াভেলিয়েও চৰকাৰক স্বাভাৱিক আৰু বিকৃত, এই দুটা ভাগত ভাগ কৰিছে। স্বাভাৱিক ৰূপত চৰকাৰক ৰাজতন্ত্ৰ, অভিজাততন্ত্ৰ আৰু সীমিত গণতন্ত্ৰ বা সাংবিধানিক গণতন্ত্ৰ - এই তিনিটা শ্ৰেণীবিভাজনত পাব পাৰি। আনহাতে, সংগতিপূৰ্ণভাৱে বিকৃত ৰূপত স্বেচ্ছাচাৰতন্ত্ৰ, গোষ্ঠীশাসনতন্ত্ৰ আৰু গণতন্ত্ৰ এই তিনিটা শ্ৰেণীবিভাজন পাব পাৰি। যি কি নহওঁক, তেওঁ পলিবিয়াছ আৰু চিচাৰোৰ সৈতে একমত আছিল যে কেৱল এখন মিশ্ৰিত চৰকাৰহে সৰ্বোত্তম বা সৰ্বশ্ৰেষ্ঠ অধিগম্য চৰকাৰ। এজন বাস্তৱবাদী হিচাপে তেওঁ অনুভৱ কৰিছিল যে এখন চৰকাৰত অৰ্থনৈতিক উন্নয়ন আৰু ৰাজনৈতিক স্থায়িত্বৰ মাজত নিবিড় সম্পৰ্ক থকা উচিত। তেওঁৰ মতে, এখন চৰকাৰৰ স্থায়িত্ব ইয়াৰ প্ৰজাগণৰ অৰ্থনৈতিক উন্নয়নৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ বংশানুক্ৰমে এজনৰ শাসনতকৈ নিৰ্বাচিত ভিত্তিত বহুজনৰ শাসন পছন্দ কৰিছিল। তেওঁ বংশানুক্ৰমিক ব্যৱস্থাতকৈ নিৰ্বাচিত ধাৰণাটোক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। তেওঁ যুক্তি প্ৰদান কৰিছিল যে নিঃসন্দেহে মানুহে শাসন সম্পৰ্কীয় জটিল বিষয়সমূহ বুজি পাবলৈ অসমৰ্থ, কিন্তু চৰকাৰত সুস্থিৰতা আনিবৰ বাবে সাধাৰণ বা গতানুগতিক বিষয়ত তেওঁলোকৰ অংশগ্ৰহণ বাধ্যতামূলক। সেয়েহে, মেকিয়াভেলি এখন প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থাৰ পক্ষপাতী। কাৰণ, তেওঁ বিশ্বাস কৰিছিল যে কেৱল প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থাতহে মানুহে অত্যাধিক পৰিমাণৰ ব্যক্তিগত স্বাধীনতা উপভোগ কৰিব পাৰে আৰু নগৰখনে খ্যাতি অৰ্জন কৰিব পাৰে যিটো ৰজা শাসিত ৰাজ্যত পোৱা নাযায়।

ৰাজ্য ৰক্ষা সংক্ৰান্তত মেকিয়াভেলিৰ মতামত খুবেই তাৎপৰ্য্যপূৰ্ণ। মেকিয়াভেলিয়ে ৰাজ্য ৰক্ষাৰ বাবে নিজ মাতৃৰ প্ৰতিষ্ঠিত অনুষ্ঠান- প্ৰতিষ্ঠান আৰু চলিত প্ৰথাসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। তেওঁ জনসাধাৰণক সকলো সময়তে ৰজাৰ প্ৰতি সহযোগিতা আগবঢ়াবলৈ পৰামৰ্শ প্ৰদান কৰিছে। তেওঁ আকৌ প্ৰকাশ কৰিছে যে ৰজাই সম্পত্তি আৰু মহিলাক তেওঁৰ নিজৰ হাতত ৰাখিব লাগে। তেওঁ এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰা উচিত যাতে মানুহে তেওঁক প্ৰশংসা কৰে। ৰজাই বাণিজ্য আৰু কৃষি কাৰ্য্যক উৎসাহিত কৰা উচিত আৰু কৰ আৰোপ কৰাৰ পৰা বিৰত থতা উচিত। তেওঁ কৈছে যে ৰজাৰ পৰিস্থিতি অনুসৰি নিজক সলনি কৰিব পৰা গুণ থকা উচিত। তেওঁ আকৌ কৈছে যে শাসকজনৰ সিংহ আৰু শিয়াল উভয়ৰে গুণ, অৰ্থাৎ আক্ৰমণমূলক আৰু ধূৰ্তামি উভয় প্ৰকাৰৰ গুণ থকা উচিত। শাসকজনৰ যুদ্ধৰ কৌশল সম্পৰ্কে সঠিক জ্ঞান থকা উচিত। তেওঁ ফলপ্ৰসূভাৱে বল প্ৰয়োগ কৰিব পৰা আটাইতকৈ গুৰুত্বপূৰ্ণ দক্ষতাবিধ অৰ্জন কৰিব লাগিব। মেকিয়াভেলিয়ে কৈছে যে প্ৰত্যেকজন নাগৰিকৰ বাবে সামৰিক কৰ্তব্য বাধ্যতামূলক হোৱা উচিত। তেওঁলোকে সুৰক্ষাৰ বাবে আন কোনো গোষ্ঠীৰ ওপৰত নিৰ্ভৰশীল হোৱাটো উচিত নহয়। এনেদৰে, প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থা আৰু লগতে ৰাজ্য ৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন উপায়ৰ বিষয়ে পৰামৰ্শ আগবঢ়াই মেকিয়াভেলিয়ে তেওঁৰ বাস্তৱবাদী আৰু আধুনিক ৰাজনৈতিক দৃষ্টিভংগী প্ৰদৰ্শন কৰিছে।



৩.১ চিন্তা-চর্চা কৰক

প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ বাছি উলিয়াবলৈ চেষ্টা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ মেকিয়াভেলিৰ মানৱ প্ৰকৃতিৰ ক্ষেত্ৰত চিত্ৰাংকন গোমা আৰু নঞৰ্থক। (শুদ্ধ /অশুদ্ধ)

.....

প্ৰশ্ন ২ ঃ মেকিয়াভেলিৰ মতে, সৰ্বোৎকৃষ্ট চৰকাৰ ব্যৱস্থা কোনখন?

.....

.....

প্ৰশ্ন ৩ ঃ ৰাজ্য ৰক্ষাৰ বাবে মেকিয়াভেলিয়ে আগবঢ়োৱা যিকোনো এটা পৰামৰ্শ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৪ ঃ মানৱপ্ৰকৃতি সম্পৰ্কে মেকিয়াভেলিৰ ধাৰণাৰ চাৰিটা দিশ উল্লেখ কৰক।

.....

.....

৩.৫ নীতিশাস্ত্ৰ আৰু ৰাজনীতি সম্পৰ্কে মতামত

মেকিয়াভেলিয়ে ৰাষ্ট্ৰক সৰ্বোৎকৃষ্ট মানৱ সংঘ হিচাপে অভিহিত কৰিছে। সেয়েহে, মানুহৰ আনুগত্যতাৰ প্ৰতি ই এক উৰ্ধ্বস্থ দাবী জনায়। যিহেতু ৰাষ্ট্ৰ হ'ল আইন আৰু নৈতিকতাৰ স্ৰষ্টা, সেয়েহে ৰাষ্ট্ৰৰ কাৰ্যসমূহ ব্যক্তিগত নীতিৰ দ্বাৰা বিচাৰ কৰিব নোৱাৰি। সেয়েহে মেকিয়াভেলিয়ে দুই প্ৰকাৰৰ নৈতিকতাৰ বিষয়ে বিধান আগবঢ়াইছে, এক প্ৰকাৰ শাসকৰ বাবে আৰু দ্বিতীয় প্ৰকাৰ ব্যক্তিগত নাগৰিকৰ বাবে। শাসকজনেই হ'ল আইন আৰু নৈতিকতা। এইটো মন কৰিবলগীয়া যে মেকিয়াভেলিৰ বাবে ৰাষ্ট্ৰ হ'ল এক অনৈতিক অনুষ্ঠান। ৰাষ্ট্ৰযন্ত্ৰৰ দক্ষতা ৰাষ্ট্ৰৰ সুৰক্ষাৰ দিশৰ পৰা বিবেচনা কৰা হয়।

ৰাষ্ট্ৰৰ ক্ষমতা বজাই ৰখাৰ ক্ষেত্ৰত মেকিয়াভেলিয়ে উদ্দেশ্য সাধন কৰাৰ বাবে গ্ৰহণ কৰা উপায়সমূহৰ নৈতিকতাৰ ক্ষেত্ৰত উদ্বিগ্ন হোৱা নাছিল। কাৰণ, তেওঁ বিশ্বাস কৰিছিল যে ৰজাই যিকোনো উপায়েৰে ক্ষমতা বজাই ৰাখিবই লাগিব। অন্যথা, ক্ষমতাৰ পতন ঘটিব পাৰে আৰু ৰাষ্ট্ৰও ধ্বংস হ'বও পাৰে। মেকিয়াভেলিয়ে এই ক্ষেত্ৰত বিশেষকৈ তেওঁৰ নিজ দেশ ইটালীৰ ক্ৰমবিকাশৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। এয়া মন কৰিবলগীয়া যে শাসকসকলে ৰাষ্ট্ৰ বজাই ৰখা

আৰু সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত হোৱা বিফলতাৰ বাবে ইটালী ধ্বংস হৈছিল আৰু ক্ষমতাৰ পতন ঘটিছিল। সেয়েহে, মেকিয়াভেলিৰ মতে আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল যিকোনো মূল্যৰ বিনিময়ত ক্ষমতা বজাই ৰখা যাতে ৰাষ্ট্ৰক ধ্বংসৰ পৰা বচাই ৰাখিব পাৰি।

৩.৬ ৰাজনৈতিক চিন্তাধাৰালৈ মেকিয়াভেলিৰ অৱদান

মেকিয়াভেলিক মধ্যযুগীয় ৰাজনৈতিক চিন্তাধাৰাৰ শেষৰজন আৰু আধুনিক ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰথমজন চিন্তাবিদ হিচাপে অভিহিত কৰা হয়। দৰাচলতে, তেওঁ বুদ্ধিগত আলোচনাৰ বাবে নিৰ্বাচিত কৰা প্ৰণালীসমূহ আৰু ক্ষেত্ৰখনে সুস্পষ্টৰূপে তেওঁক প্ৰথমজন আধুনিক ৰাজনৈতিক চিন্তাবিদ ৰূপে চিহ্নিত কৰিছে। ইয়াত, মেকিয়াভেলিৰ অৱদানসমূহৰ বিষয়ে মূল্যায়ন কৰিবলৈ এক প্ৰয়াস চলোৱা হৈছে আৰু লগতে আধুনিক ৰাজনৈতিক চিন্তাধাৰাৰ ইতিহাসত তেওঁৰ অৱস্থান সম্পৰ্কে এক যথাযথ মূল্যায়ন কৰিবলৈ চেষ্টা কৰা হৈছে।

পদ্ধতিঃ যিহেতু মেকিয়াভেলিয়ে বিভিন্ন সমস্যাৰ সৈতে মোকাবিলা কৰিছিল, সেয়েহে ই স্বাভাৱিক যে তেওঁ বিভিন্ন ক্ষেত্ৰৰ অধ্যয়নৰ বাবে বিভিন্ন পদ্ধতি অৱলম্বন কৰিছিল। তেওঁৰ মতে, ৰাজনৈতিক সমস্যা অধ্যয়নৰ বাবে সৰ্বশ্ৰেষ্ঠ পদ্ধতিটো হ'ল ঐতিহাসিক পদ্ধতি। তেওঁ মত পোষণ কৰিছিল যে ৰাজনৈতিক সমস্যা সমাধানৰ বাবে অতীতৰ অধ্যয়ন অত্যন্ত সহায়কাৰী। সেইবাবে, ঐতিহাসিক দৃষ্টিভংগী হ'ল মেকিয়াভেলিয়ে অৱলম্বন কৰা আটাইতকৈ সুপ্ৰসিদ্ধ দৃষ্টিভংগী। সমালোচকসকলে বিশ্বাস কৰে যে প্ৰকৃত অৰ্থত মেকিয়াভেলিৰ দৃষ্টিভংগী সম্পূৰ্ণৰূপে ঐতিহাসিক নহয়। তেওঁলোকৰ মতে, মেকিয়াভেলিৰ দৃষ্টিভংগী প্ৰয়োগবাদৰ ওপৰত প্ৰতিষ্ঠিত আৰু ঐতিহাসিক ভাৱত ব্যৱহাৰহে কৰা হৈছে। দৰাচলতে, মেকিয়াভেলিয়ে মধ্যযুগীয় ব্ৰহ্মবিদ্যা প্ৰণালীক কৰা বিসৰ্জনে তেওঁক নৱজাগৰণৰ সন্তান আৰু আধুনিক ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰথম জন চিন্তাবিদ হিচাপে স্বীকৃতি দিছে।



জানি থোৱা ভাল

নৱজাগৰণৰ হ'ল বুদ্ধিগত উন্নয়নৰ এক পৰ্যায়, যেতিয়া মানুহে লাহে লাহে অজ্ঞতাৰ পৰা জ্ঞানলৈ, বিশ্বাসৰ পৰা যুক্তিলৈ আৰু অৱনমন তথা সম্পূৰ্ণ অধীনতাৰ পৰা যুক্তি-বিচাৰ আৰু স্ব-বোধশক্তিলৈ ধাৱমান হৈছিল।

এই সময়ছোৱাতেই "পৃথিৱী যে ঘূৰণীয়া" সেয়া উদঘাটন হৈছিল। এই ধাৰণাটো গীৰ্জাৰ পিতৃসকলে প্ৰচাৰ কৰা সাধাৰণ বিশ্বাস "পৃথিৱী সমতল" তাৰ বিৰোধী আছিল। গীৰ্জাৰ আধিপত্য আৰু ইয়াৰ লগত জড়িত অন্ধ বিশ্বাস কমি গৈছিল। নৱজাগৰণে মানৱতাবাদ নামে এক নতুন ধাৰণা আনিছিল, যি ব্যক্তিৰ সামৰ্থতাৰ ওপৰত বিশ্বাসী। ই স্ব-প্ৰণীত মানুহৰ ধাৰণাটোৰ ওপৰত প্ৰতিষ্ঠিত। নৱজাগৰণে অৰ্থনৈতিক আৰু ৰাজনৈতিক উভয় প্ৰকাৰৰ পৰিৱৰ্তন আনিছিল। বাস্তৱবাদ আৰু প্ৰয়োগবাদৰ ধাৰণাও নৱজাগৰণৰেই আশীৰ্বাদ আছিল।

- **মানৱ প্ৰকৃতি সম্পৰ্কে মেকিয়াভেলিৰ বৰ্ণনা** ঃ মানৱ প্ৰকৃতি হ'ল মনোবিজ্ঞানৰ অধ্যয়ন আৰু ৰাজনীতি হ'ল ৰাষ্ট্ৰৰ অধ্যয়ন। ব্যক্তি অবিহনে ৰাষ্ট্ৰ অকল্পনীয়। ব্যক্তিৰ প্ৰকৃতিৰ সৈতে সম্পৰ্কিত কৰিব নোৱাৰিলে ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন সম্পূৰ্ণ হ'ব নোৱাৰে। ৰাজনীতি আৰু মানৱ প্ৰকৃতিৰ মাজৰ এনেকুৱা এক সম্পৰ্ক মেকিয়াভেলিৰ ক্ষেত্ৰত দেখিবলৈ পোৱা যায়। এয়া উল্লেখনীয় যে মনস্তাত্ত্বিক দিশৰ পৰা মানৱ প্ৰকৃতিৰ বৰ্ণনা সম্পৰ্কত মেকিয়াভেলিয়ে প্ৰদান কৰা গুৰুত্বই তেওঁক প্ৰথমজন আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে স্বীকৃতি দিছে। কিন্তু, একে সময়তে এইটো মনত ৰখা উচিত যে মেকিয়াভেলিয়ে *দ্য প্ৰিন্স* নামৰ গ্ৰন্থখনত মানৱ প্ৰকৃতি সম্পৰ্কে কৰা মন্তব্য যথেষ্ট নঞৰ্থক। ই মানৱ প্ৰকৃতিৰ সামাজিক আৰু স্বৰ্গীয় বা পবিত্ৰ দিশটোৰ সম্পূৰ্ণ বিৰোধী।
- **ধৰ্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ** ঃ ধৰ্ম আৰু ৰাজনীতি সম্পৰ্কে মেকিয়াভেলিৰ দৃষ্টিভংগী তেওঁৰ মানৱ প্ৰকৃতিৰ ধাৰণাৰ দ্বাৰা প্ৰত্যক্ষভাৱে পৰিচালিত। মধ্যযুগৰ সমগ্ৰ সময়ছোৱাত ৰাজনীতি আৰু ধৰ্মক অবিচ্ছেদ্য হিচাপে গণ্য কৰা হৈছিল। একে সময়তে, ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজৰ বিতৰ্কই মধ্যযুগৰ সমগ্ৰ সময়ছোৱাত আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু, মেকিয়াভেলি আছিল প্ৰথমজন ৰাজনৈতিক চিন্তাবিদ যিয়ে ধৰ্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ নিশ্চিত কৰিছিল। এনেদৰে, মেকিয়াভেলিয়ে ধৰ্ম আৰু ৰাজনীতিৰ সমস্যাসমূহৰ অধ্যয়নৰ বাবে বৈজ্ঞানিক দৃষ্টিভংগী দাঙি ধৰিছিল আৰু এজন আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে তেওঁৰ স্থান প্ৰতিষ্ঠিত কৰিছিল।
- **ৰাজ্যৰ সম্প্ৰসাৰণ সম্পৰ্কে মতামত** ঃ মেকিয়াভেলিয়ে কেৱল নৈতিকতা আৰু ধৰ্ম সম্পৰ্কে মতবাদ দাঙি ধৰিয়েই সন্তুষ্ট হোৱা নাছিল। তেওঁ ৰাজ্য সম্পৰ্কে ব্যৱহাৰিক পৰামৰ্শও আগবঢ়াইছিল। মেকিয়াভেলিয়ে ৰজাৰ ক্ষমতাৰ সম্প্ৰসাৰণৰ বিষয়টো আলোচনা কৰিছিল। তেওঁ পৰামৰ্শ আগবঢ়াইছিল যে ৰজাই কেৱল মাত্ৰ ৰাজ্য অধিগ্ৰহণ কৰিয়েই সন্তুষ্ট থকাটো উচিত নহয়, তেওঁ সেই ৰাজ্য সম্প্ৰসাৰণ কৰিবলৈও চেষ্টা কৰা উচিত। এনেদৰে, ৰাজ্য সম্প্ৰসাৰণ সম্পৰ্কে মতবাদ আগবঢ়াই মেকিয়াভেলিয়ে তেওঁৰ বাস্তৱবাদী আৰু আধুনিক ৰাজনৈতিক দৃষ্টিভংগী দাঙি ধৰিছে।
- **পৰিবেশৰ প্ৰভাৱ** ঃ মেকিয়াভেলি তেওঁৰ সময়ৰ এজন অতি চমৎকাৰী ব্যক্তি আছিল। দৰাচলতে, তেওঁৰ চূড়ান্ত ব্যক্তিবাদ আৰু প্ৰয়োগবাদ আৰু লগতে ধৰ্ম আৰু ৰাজনীতিৰ মাজৰ সম্পৰ্কৰ বিৰোধিতাই তেওঁক প্ৰথমজন আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে স্বীকৃতি দিছে। আধুনিক ৰাজনৈতিক চিন্তাধাৰা প্ৰকৃততে মেকিয়াভেলিৰ সৈতেই আৰম্ভ হয়। ইয়াৰ কাৰণ এইটোৱেই যে মেকিয়াভেলিয়ে আন কোনো ব্যক্তিতকৈ পৰিবেশৰ দ্বাৰাহে বেছিকৈ প্ৰভাৱান্বিত হৈছিল। এজন অসাধাৰণ আৰু আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে মেকিয়াভেলিয়ে পৰিস্থিতিসমূহ এজন ঐতিহাসিক হিচাপে বৰ্ণনা কৰিছিল। তেওঁ কিছুমান গুৰুত্বপূৰ্ণ নীতি আৰু ব্যৱস্থাক উন্নীত কৰিব বিচাৰিছিল আৰু সেইবোৰ প্ৰাচীন ইতিহাসৰ পৰা ল'ব বিচাৰিছিল। একে সময়তে, তেওঁ আছিল সেই বিৰল চিন্তাবিদসকলৰ মাজৰ এজন যিয়ে মানৱ প্ৰকৃতিক বাস্তৱ দৃষ্টিভংগীৰ পৰা চাব বিচাৰিছিল।

- **ক্ষমতা- ৰাজনীতি সম্পৰ্কীয় মতবাদ** ঃ মেকিয়াভেলিক ক্ষমতা- ৰাজনীতিৰ প্ৰৱৰ্তক হিচাপে অভিহিত কৰা হয়। এজন বাস্তৱবাদী হিচাপে মেকিয়াভেলিয়ে সাৰ্বভৌমত্ব আৰু জাতি-ৰাষ্ট্ৰৰ ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ সামন্তবাদী ব্যৱস্থাৰ জটিল ৰাজনৈতিক সংস্থাৰ ধাৰণাটো সম্পূৰ্ণৰূপে নাকচ কৰিছিল আৰু সাৰ্বভৌম মৰ্যাদাৰ সৈতে জাতি-ৰাষ্ট্ৰৰ ব্যৱস্থাটোক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল। এনেদৰে, ক্ষমতা-ৰাজনীতি, সাৰ্বভৌমত্ব আৰু জাতি-ৰাষ্ট্ৰৰ ধাৰণাৰ সূচনা কৰি মেকিয়াভেলিয়ে স্পষ্টভাৱে আধুনিক ৰাজনৈতিক চিন্তাধাৰালৈ তেওঁৰ অৱদান আগবঢ়াইছে।

মেকিয়াভেলিৰ ৰাজনৈতিক দৰ্শনৰ ধাৰণাসমূহৰ ক্ষেত্ৰত এইটো দেখা যায় যে তেওঁৰ ধাৰণাসমূহত আধুনিকতাবাদ আৰু বাস্তৱবাদৰ সন্ধান পোৱা যায়, যিয়ে আধুনিক ৰাজনৈতিক চিন্তাধাৰাৰ ইতিহাসত তেওঁক প্ৰথমজন ৰাজনৈতিক চিন্তাবিদ হিচাপে প্ৰতিপন্ন কৰিছে।



৩.২ চিন্তা-চৰ্চা কৰক

মেকিয়াভেলিৰ ওপৰত নৱজাগৰণৰ প্ৰভাৱসমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ মেকিয়াভেলিয়ে নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত এক বিচ্ছেদ আনিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৬ ঃ কাক প্ৰথমজন আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে অভিহিত কৰা হয়?

.....

.....

প্ৰশ্ন ৭ ঃ মেকিয়াভেলিয়ে ধৰ্মক ৰাজনীতিৰ পৰা পৃথক কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৮ ঃ ধৰ্মক ৰাজনীতিৰ পৰা পৃথকীকৰণ সম্পৰ্কত মেকিয়াভেলিৰ ধাৰণাৰ ওপৰত এটি টোকা লিখক।

.....

.....

প্ৰশ্ন ৯ ঃ ক্ষমতা- ৰাজনীতি সম্পৰ্কত মেকিয়াভেলিৰ ধাৰণা ব্যাখ্যা কৰক।

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মেকিয়াভেলিৰ সমগ্ৰ দৰ্শন তেওঁৰ দুখন বিখ্যাত গ্ৰন্থ *দ্য প্ৰিন্স (The Prince)* আৰু *দ্য দিছকোৰ্ছে (The Discources)* ত সন্নিবিষ্ট হৈ আছে।
- মানৱ প্ৰকৃতি সম্পৰ্কে মেকিয়াভেলিয়ে এখন অতি নঞৰ্থক চিত্ৰ অংকন কৰিছে।
- তেওঁৰ মতে মানৱ জাতি অকৃতজ্ঞ আৰু স্বাৰ্থপৰ।
- মেকিয়াভেলিৰ মতে প্ৰকৃতিগতভাৱে মানুহে তেওঁলোকৰ আত্মীয়-কুটুম্বতকৈ ব্যক্তিগত সম্পত্তিৰ প্ৰতিহে বেছি আগ্ৰহী।
- হ'বচ্‌ৰ দৰে মেকিয়াভেলিয়েও বিশ্বাস কৰে যে মানুহ মূলতঃ স্বাৰ্থপৰ আৰু এই স্বাৰ্থপৰ মানুহবিলাকক সংঘবদ্ধ কৰা একমাত্ৰ উপাদানটো হৈছে নিজৰ সুৰক্ষাৰ প্ৰতি আকাংক্ষা।
- মেকিয়াভেলিয়ে মিশ্ৰিত চৰকাৰ ব্যৱস্থাক সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ চৰকাৰ হিচাপে অভিহিত কৰিছে। ব্যক্তিগত স্বাধীনতাৰ সমৰ্থক হিচাপে তেওঁ প্ৰজাতান্ত্ৰিক চৰকাৰক অগ্ৰাধিকাৰ প্ৰদান কৰিছিল।
- ৰাজ্য ৰক্ষাৰ বাবে মেকিয়াভেলিয়ে ৰজা আৰু জনসাধাৰণ উভয়ৰে ওপৰত বিভিন্ন দায়িত্ব অৰ্পণ কৰিছিল।
- প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থা আৰু লগতে ৰাজ্য ৰক্ষাৰ ক্ষেত্ৰত বিভিন্ন উপায়ৰ বিষয়ে পৰামৰ্শ আগবঢ়াই মেকিয়াভেলিয়ে তেওঁৰ বাস্তৱবাদী আৰু আধুনিক ৰাজনৈতিক দৃষ্টিভংগী প্ৰদৰ্শন কৰিছে।
- মেকিয়াভেলিয়ে নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত এক পাৰ্থক্য দাঙি ধৰিছিল।
- ৰাজনৈতিক চিন্তাধাৰাৰ ইতিহাসলৈ মেকিয়াভেলিৰ অৱদান সম্পৰ্কে বিভিন্ন দিশ, যেনে— তেওঁৰ প্ৰণালী বিদ্যা, মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা, ধৰ্ম আৰু ৰাজনীতি সম্পৰ্কে মতামত, ৰাজ্য সম্প্ৰসাৰণ সম্পৰ্কে মতামত, পৰিবেশৰ প্ৰভাৱ আৰু লগতে ক্ষমতা-ৰাজনীতি সম্পৰ্কীয় মতবাদ ইত্যাদিৰ ফালৰ পৰা বৰ্ণনা কৰিব পাৰি।
- মেকিয়াভেলি আছিল প্ৰথমজন ৰাজনৈতিক চিন্তাবিদ যিয়ে ধৰ্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ নিশ্চিত কৰিছিল।
- ক্ষমতা-ৰাজনীতি, সাৰ্বভৌমত্ব আৰু জাতি-ৰাষ্ট্ৰৰ ধাৰণাৰ সূচনা কৰি মেকিয়াভেলিয়ে স্পষ্টভাৱে আধুনিক ৰাজনৈতিক চিন্তাধাৰালৈ তেওঁৰ অৱদান আগবঢ়াইছে।



৩.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Jha, S. (2010). *Western political thought: From Plato to Marx*. New Delhi: Dorling Kindersley.

2. Nelson, B. R. (1996). *Western political thought: From Socrates to the age of ideology*. New Delhi: Dorling Kindersley.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰজাতান্ত্ৰিক চৰকাৰ ব্যৱস্থা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মাতৃভূমিৰ প্ৰতিষ্ঠিত অনুষ্ঠান-প্ৰতিষ্ঠান আৰু চলিত প্ৰথা সমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ প্ৰকৃতি সম্পৰ্কে মেকিয়াভেলিৰ চাৰিটা মতামতসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি —

- মানুহ আত্মকেন্দ্ৰিক আৰু আনৰ স্বাৰ্থৰ বিষয়ে ভবাতকৈ মানুহে নিজৰ স্বাৰ্থৰ কথাহে ভাবে। তেওঁলোকে সদায় নিজৰহে যত্ন লয়। তেওঁলোক লোভী জীৱ।
- মানুহ সদায় আক্ৰমণাত্মক আৰু প্ৰত্যেকেই অধিক আহৰণ কৰাৰ বাবে আগ্ৰহী। সেয়েহে, তেওঁলোকে সদায় ইজনে আনজনৰ লগত সংঘৰ্ষত লিপ্ত হৈ অৰাজকতাৰ পৰিবেশ সৃষ্টি কৰে।
- মানুহ সদায় ভীৰু আৰু স্বভাৱসিদ্ধ জীৱ। ভীৰু হোৱা হেতুকে মানুহে সদায় খুব কম প্ৰতিৰোধ কৰিব লগা পথটো অনুসৰণ কৰে। মানুহে কেৱল সুপ্ৰতিষ্ঠিত ৰীতিসমূহহে অনুসৰণ কৰিব বিচাৰে যাতে তেওঁলোকক সমাজে বিৰোধিতা নকৰে।
- মেকিয়াভেলিৰ মতে প্ৰকৃতিগতভাৱে মানুহে তেওঁলোকৰ আত্মীয়-কুটুম্বতকৈ ব্যক্তিগত সম্পত্তিৰ প্ৰতিহে বেছি আগ্ৰহী।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ নিকোলো মেকিয়াভেলি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ **ধৰ্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ** ঃ ধৰ্ম আৰু ৰাজনীতি সম্পৰ্কে মেকিয়াভেলিৰ দৃষ্টিভংগী তেওঁৰ মানৱ প্ৰকৃতিৰ ধাৰণাৰ দ্বাৰা প্ৰত্যক্ষভাৱে পৰিচালিত। মধ্যযুগৰ সমগ্ৰ সময়ছোৱাত ৰাজনীতি আৰু ধৰ্মক অবিচ্ছেদ্য হিচাপে গণ্য কৰা হৈছিল। একে সময়তে, ৰাষ্ট্ৰ আৰু গীৰ্জাৰ মাজৰ বিতৰ্কই মধ্যযুগৰ সমগ্ৰ সময়ছোৱাত আধিপত্য বিস্তাৰ কৰিছিল। কিন্তু, মেকিয়াভেলি আছিল প্ৰথমজন

ৰাজনৈতিক চিন্তাবিদ যিয়ে ধর্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ নিশ্চিত কৰিছিল। এনেদৰে, মেকিয়াভেলিয়ে ধর্ম আৰু ৰাজনীতিৰ সমস্যাসমূহৰ অধ্যয়নৰ বাবে বৈজ্ঞানিক দৃষ্টিভংগী দাঙি ধৰিছিল আৰু এজন আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে তেওঁৰ স্থান প্রতিষ্ঠিত কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰ ঃ **ক্ষমতা- ৰাজনীতি সম্পর্কীয় মতবাদঃ** মেকিয়াভেলিক ক্ষমতা- ৰাজনীতিৰ প্রৱর্তক হিচাপে অভিহিত কৰা হয়। এজন বাস্তৱবাদী হিচাপে মেকিয়াভেলিয়ে সার্বভৌমত্ব আৰু জাতি-ৰাষ্ট্রৰ ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ সামন্তবাদী ব্যৱস্থাৰ জটিল ৰাজনৈতিক সংস্থাৰ ধাৰণাটো সম্পূর্ণৰূপে নাকচ কৰিছিল আৰু সার্বভৌম মর্যাদাৰ সৈতে জাতি-ৰাষ্ট্রৰ ব্যৱস্থাটোক অগ্রাধিকাৰ প্রদান কৰিছিল। এনেদৰে, ক্ষমতা-ৰাজনীতি, সার্বভৌমত্ব আৰু জাতি-ৰাষ্ট্রৰ ধাৰণাৰ সূচনা কৰি মেকিয়াভেলিয়ে স্পষ্টভাৱে আধুনিক ৰাজনৈতিক চিন্তাধাৰালৈ তেওঁৰ অৱদান আগবঢ়াইছে।



৩.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ মেকিয়াভেলিয়ে উল্লেখ কৰা ধৰণে যিকোনো দুটা মানৱ প্রকৃতি উল্লেখ কৰক।

প্রশ্ন ২ ঃ ৰাজ্য ৰক্ষাৰ ক্ষেত্রত ৰাজকুমাৰৰ বাবে প্রয়োজনীয় যিকোনো দুটা গুণ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ মেকিয়াভেলি আছিল প্রথমজন ৰাজনৈতিক চিন্তাবিদ যিয়ে ধর্ম আৰু ৰাজনীতিৰ পৃথকীকৰণ নিশ্চিত কৰিছিল। (শুদ্ধ/অশুদ্ধ লিখক।)

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ চৰকাৰৰ প্রকাৰ সম্পর্কে মেকিয়াভেলিৰ মতামত ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ নীতিশাস্ত্র আৰু ৰাজনীতিৰ মাজৰ সম্পর্কৰ ক্ষেত্রত মেকিয়াভেলিয়ে কেনেকুৱা দৃষ্টিভংগী গ্রহণ কৰিছে?

প্রশ্ন ৩ ঃ মানৱ প্রকৃতি সম্পর্কে মেকিয়াভেলিৰ মতামতৰ ওপৰত এটি চমুটোকা লিখক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ প্রথম আধুনিক ৰাজনৈতিক চিন্তাবিদ হিচাপে মেকিয়াভেলিৰ অৱদান মূল্যায়ন কৰক।

প্রশ্ন ২ ঃ চৰকাৰৰ প্রকাৰ আৰু ৰাজ্য ৰক্ষাৰ ক্ষেত্রতমেকিয়াভেলিৰ মন্তব্য আলোচনা কৰক।

****

অধ্যায় ৪ঃ থমাচ হ'বচ্

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা

৪.৪ ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা

৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৬ অধিক জানিবলৈ

৪.৭ অগ্ৰগতিৰ খতিয়ান

৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- থমাচ হ'বচে মানৱ প্ৰকৃতি সম্পৰ্কে আগবঢ়োৱা মতামতৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- হ'বচৰ ৰাষ্ট্ৰৰ বিষয়ে ধাৰণাৰ ওপৰত ব্যাখ্যা কৰিব পাৰিব
- ৰাজনৈতিক চিন্তাধাৰাৰ বিকাশলৈ হ'বচৰ অৱদানৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

সামাজিক চুক্তি তত্ত্বৰ ইতিহাসত থমাচ হ'বচ্ প্ৰথমজন চুক্তি তত্ত্ববিদ হিচাপে পৰিচিত। হ'বচৰ বিখ্যাত গ্ৰন্থখনৰ নাম হ'ল *লেভিয়াথান (Leviathan)*। হ'বচৰ বিভিন্ন ধাৰণাসমূহৰ ওপৰত সেই সময়ছোৱাৰ পৰিবেশৰ প্ৰভাৱ নিশ্চিতভাৱে পৰিস্ফুট। সেয়েহে সেই সময়ছোৱাৰ পৰিবেশৰ ধাৰণা অবিহনে হ'বচ্ আৰু তেওঁৰ দৰ্শনসমূহ বোধগম্য হোৱাত আধৰুৱা যে নহ'ব তাক ন দি ক'ব নোৱাৰি। এই অধ্যায়টিত আমি মানৱ প্ৰকৃতি আৰু ৰাষ্ট্ৰৰ বিষয়ে হ'বচে আগবঢ়োৱা মতামতৰ বিষয়ে আলোচনা কৰিম।

৪.৩ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণা

হ'বচে কৈছে যে ৰাষ্ট্ৰৰ বিষয়ে জানিবলৈ পোনপ্ৰথমে আমি ৰাষ্ট্ৰৰ অবিচ্ছেদ্য অংগ 'মানুহ' সম্পৰ্কে বিস্তৃত জ্ঞান আহৰণ কৰি ল'ব লাগিব। হ'বচৰ মানৱ প্ৰকৃতি সম্পৰ্কে ধাৰণাক

তেওঁৰ ৰাজনৈতিক দৰ্শনৰ প্ৰধান কেন্দ্ৰ বিন্দু বুলি ক'ব পাৰি। দৰাচলতে, মানৱ প্ৰকৃতি তেওঁৰ দৰ্শনৰ এনেকুৱা এটা অংশ যিটোৱে তেওঁৰ দৰ্শনৰ সমগ্ৰ দিশত প্ৰত্যক্ষ বা পৰোক্ষভাৱে ক্ৰিয়া কৰি আছে। হ'বচে মানৱ প্ৰকৃতি সম্পৰ্কীয় ধাৰণাৰ ব্যাখ্যা দিবলৈ যাওঁতে তেওঁৰ সমসাময়িক দাৰ্শনিকসকলৰ পৰা ফালৰি কাটি গৈ কৈছে যে মানুহ স্বভাৱগতভাৱে দুষ্ট, ক্ৰুৰ, নিষ্ঠুৰ, অসভ্য জীৱ। প্ৰনিধানযোগ্য যে, হ'বচৰ আগতে প্লেটো, মেকিয়াভেলি, চেইন্ট আগষ্টাইন আদিয়েও তেওঁলোকৰ ধাৰণা ব্যক্ত কৰিছিল য'ত তেওঁলোকৰ আলোচনাৰ মূল বিষয়বস্তু মানুহৰ পৰিবৰ্তে সমাজহে আছিল; কিন্তু হ'বচে মানুহকহে তেওঁৰ দৰ্শনৰ মূল বিষয়বস্তু হিচাপে বাছি লৈ অন্য দিশৰ সূচনা কৰিছে।

হ'বচৰ মতে, মানুহ গতিশীল। তেওঁৰ মতে, গতিশীলতা দুই প্ৰকাৰৰ — অত্যাৱশ্যকীয় গতিশীলতা (vital motion), যেনে - ৰক্ত সঞ্চালন বা ধমনীৰ স্পন্দন আৰু ঐচ্ছিক গতিশীলতা (voluntary motion), ঐচ্ছিক গতিশীলতা বা প্ৰচেষ্টা (endeavour) আকৌ দুই প্ৰকাৰৰ। প্ৰথমটো হৈছে লক্ষ্যবস্তুৰ ফালে ধাৱিত হোৱা আৰু আনটো হৈছে লক্ষ্যবস্তুৰ পৰা ফালৰি কটা। লক্ষ্যবস্তুৰ ফালে ধাৱিত হোৱা প্ৰচেষ্টাক হ'বচে ক্ষুধা (Appetite) বা আকাংক্ষা (Desire) বুলি কৈছে। আনহাতে, লক্ষ্যবস্তুৰ পৰা বিতাড়িত হোৱা প্ৰচেষ্টাক হ'বচে বিমুখতা (Aversion) বুলি কৈছে। হ'বচৰ মতে মানৱ জীৱনচক্ৰ এই ক্ষুধা আৰু বিমুখতাৰ সমষ্টিৰ বাহিৰে আন একো নহয় আৰু জীৱনটো হৈছে এটাৰ পিছত আন এটা ক্ষুধা নিবা�ৰণৰ লক্ষ্য স্থিৰ কৰাৰ প্ৰক্ৰিয়া। কিন্তু মানুহৰ ক্ষুধা বা আকাংক্ষাৰ কেতিয়াও পৰিসমাপ্তি নঘটে। মানুহৰ ক্ষুধা তেওঁৰ মৃত্যুৰ সৈতেহে শেষ হয়। মানুহে ক্ষুধা নিবাৰণৰ অৰ্থে বুদ্ধিৰ আশ্ৰয় লয়, যিহেতু মানুহৰ ইচ্ছাৰ লগতে বুদ্ধিও থাকে। কিন্তু বুদ্ধি ইচ্ছাৰ দাসহে মাথোন আৰু ইয়াক মানুহে উদ্দেশ্য সিদ্ধিৰ বাবে প্ৰয়োগ কৰে।

হ'বচৰ ধাৰণা অনুসৰি, সকলো মানুহেই স্বাধীন, সকলো মানুহ সমান আৰু সকলো মানুহ সুবিবেচক। প্ৰত্যেকজন ব্যক্তিয়ে তেওঁৰ নিজৰ ক্ষেত্ৰত কি শুদ্ধ বা অশুদ্ধ তাক বিচাৰ কৰিবলৈ স্বাধীন আৰু এই স্বাধীনতাৰ সুব্যৱহাৰ কৰিবলৈ প্ৰত্যেকেই একোজন বিচাৰ-বুদ্ধিসম্পন্ন ব্যক্তি। ইয়াৰ বাবে প্ৰত্যেকজন ব্যক্তিয়ে সম সুবিধা লাভ কৰা উচিত। হ'বচৰ মতে, যোগ্যতা আৰু কঠোৰ পৰিশ্ৰমৰ ওপৰত ভিত্তি কৰি পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰত্যেকজন ব্যক্তিৰে ভুল আৰু শুদ্ধৰ পাৰ্থক্য নিৰূপণ কৰিব পৰা ক্ষমতা আছে। ইয়াৰোপৰি, হ'বচে কৈছে যে সকলো মানুহেই আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। হ'বচে আকৌ কৈছে যে বুদ্ধিমত্তাৰ দিশৰ পৰা জন্মসূত্ৰে মানুহ সমান, কিন্তু একেটা বস্তু পাবলৈ মানুহৰ মাজত থকা আকাংক্ষাৰ বাবেহে কাজিয়াৰ সূত্ৰপাত ঘটে। হ'বচে বিশ্বাস কৰে যে প্ৰতিযোগিতাই মানুহক নিষ্ঠুৰ আৰু কাজিয়াপ্ৰৱণ কৰি তোলে। আকাংক্ষা প্ৰিয় মানুহবোৰৰ এখন নিয়ন্ত্ৰনহীন, অৰাজক সমাজে সামগ্ৰিকভাৱে এখন সুস্থ সমাজৰ নীতি-আদৰ্শক মষিমূৰ কৰে।

হ'বচৰ মতে, সুখী হোৱাটোৱেই মানুহৰ জীৱনৰ চৰম লক্ষ্য। আকাংক্ষা পূৰণৰ ক্ৰমাগত সন্তুষ্টিৰ সুখৰ সংজ্ঞা হিচাপে নিৰ্ধাৰণ কৰি হ'বচে আকাংক্ষাক মানৱ কৰ্মৰ মূল চালিকাশক্তি বুলি কৈছে। এই আকাংক্ষাই মানুহক মানুহৰ বিৰুদ্ধে কাজিয়া কৰিবলৈ ইন্ধন যোগায়, মানুহক

ঈর্ষাপৰায়ণ, নিষ্ঠুৰ, হিংস্র কৰি তোলে আৰু নিজৰ আকাংক্ষা পূৰণৰ পথত আনৰ বৈধ আকাংক্ষাৰ বিৰুদ্ধে থিয় হ'বলৈ উৎসাহ যোগায়।

সমালোচনাঃ- হ'বচৰ মানৰ প্রকৃতি সম্পর্কে ধাৰণাৰ বিৰুদ্ধে উত্থাপিত হোৱা প্রধান যুক্তিসমূহ হ'ল —

- সমালোচকসকলৰ মতে, হ'বচে মানৰ প্রকৃতি সম্পর্কে হয়তো ভালদৰে বুজা নাছিল নতুবা তেওঁৰ তত্ত্বৰ প্রয়োজনীয়তা অনুসাৰে মানৰ চৰিত্রৰ ধাৰণা তেওঁৰ নিজৰ মতে ব্যক্ত কৰিছিল। এটা সময়ত তেওঁ মানুহবোৰক এলাগী, স্বার্থান্বেষী বুলি উল্লেখ কৰিছে। আকৌ আন এটা সময়ত তেওঁ মানুহবোৰক সভ্য আৰু একতাপৰায়ণ বুলি উল্লেখ কৰিছে। ইয়াৰ পৰা ইয়াকে বুজা যায় যে হ'বচে একেটা সময়তে একেখিনি মানুহক আদিম আৰু সভ্য বুলি অভিহিত কৰিছে। গতিকে, তেওঁৰ মানৰ প্রকৃতি সম্পর্কীয় ধাৰণা পৰিষ্কাৰ নহয়।
- হ'বচে যেনেদৰে মানুহক বন্য, নিষ্ঠুৰ আদি বুলি উল্লেখ কৰিছে, মানুহ দৰাচলতে তেনে নহয়। বুৰঞ্জীত বহুতো উদাহৰণ পোৱা যায় যে মানুহ প্রকৃতিগতভাৱে সামাজিক প্রাণী আৰু মানুহে শান্তিপূর্ণভাৱে সমাজত থাকি ভাল পায়। আদিম সমাজৰ আটাইতকৈ বন্য জাতিটোৰো যে শান্তিপূর্ণভাৱে বাস কৰাৰ বাবে কিছুমান নীতি-নির্দেশনা আছিল, সেই কথাবোৰ সকলোৰে জ্ঞাত। গতিকে, ইয়াৰ পৰা এইটোকে ক'ব পাৰি যে মানুহ স্বভাৱগতভাৱে কেতিয়াও ইমান হিংস্র নহয়। ইয়ে হ'বচৰ সামাজিক চুক্তি তত্ত্বক শিথিল বুলি প্রতিপন্ন কৰাত অৰিহণা যোগাইছে।

অৱশ্যে এনেকুৱা সমালোচনাৰ গুৰুত্ব যদিও নুই কৰিব নোৱাৰি, তথাপিও হ'বচৰ ৰাজনৈতিক দর্শনৰ তত্ত্বক আওকাণ কৰিব নোৱাৰি। একে আষাৰতে হ'বচৰ ধাৰণাক ভুল বুলি কোৱাটো মূর্খামিৰ বাহিৰে আন একো নহ'ব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ থমাচ হ'বচৰ গুৰুত্বপূর্ণ গ্রন্থখনৰ নাম কি?

.....

.....

প্রশ্ন ২ ঃ হ'বচে অংকন কৰা ধৰণে যিকোনো এটা মানৰ প্রকৃতি ব্যাখ্যা কৰক।

.....

.....

প্রশ্ন ৩ ঃ হ'বচে কৈছে যে সকলো মানুহ আত্মকেন্দ্রিক আৰু স্বার্থপৰ। (সচাঁ/মিছা)

.....

.....

৪.৪ ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা

থমাচ হ'ব্‌চ্‌ আছিল তেওঁৰ সময়ৰ এজন প্ৰখ্যাত ৰাজনৈতিক চিন্তাবিদ যিয়ে বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰৰ অৱস্থান ঘটে ব্যক্তিসমূহ আৰু সাৰ্বভৌমৰ মাজত হোৱা সামাজিক চুক্তিৰ ফলস্বৰূপে। তেওঁৰ মতে, ৰাষ্ট্ৰ সৃষ্টিৰ পূৰ্বে মানুহে প্ৰকৃতি ৰাজ্যত বাস কৰিছিল য'ত তেওঁলোকৰ জীৱন বা সম্পত্তি একোৱেই সুৰক্ষিত নাছিল। কাৰণ, হ'বচৰ ধাৰণা অনুসৰি প্ৰকৃতিৰাজ্যত কোনো ৰাষ্ট্ৰ নাছিল, কৰ্তৃত্ব নাছিল, শাসক নাছিল আৰু কোনো ৰাজনৈতিক ব্যৱস্থা নাছিল যাৰ ফলত তেওঁলোকৰ জীৱন দুৰ্বিসহ হৈ পৰিছিল। এই অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ মানুহবোৰে একেলগ হৈ ইচ্ছাকৃতভাৱে এখন চুক্তিত আবদ্ধ হৈছিল যাক সামাজিক চুক্তি ৰূপে জনা গৈছিল। এই চুক্তিখনৰ জৰিয়তে প্ৰকৃতিৰাজ্যত বাস কৰা প্ৰত্যেকজন ব্যক্তিয়ে ইজনে আনজনৰ ওচৰত প্ৰতিজ্ঞা কৰিছিল যে নিজ জীৱন আৰু সম্পত্তিৰ সুৰক্ষাৰ বাবে প্ৰত্যেকেই তেওঁলোকৰ প্ৰাকৃতিক অধিকাৰসমূহ সাৰ্বভৌম কৰ্তৃপক্ষৰ ওচৰত অৰ্পন কৰিব আৰু লগতে সাৰ্বভৌম কৰ্তৃপক্ষৰ সকলো আইন মানি চলিব। এই ক্ষেত্ৰত তেওঁলোকৰ ভৱিষ্যত সকলো কাৰ্যপন্থাৰ ওপৰত সাৰ্বভৌম কৰ্তৃপক্ষই সম্পূৰ্ণ কৰ্তৃত্ব লাভ কৰিব। এইখিনিতে এয়া উল্লেখনীয় যে সামাজিক চুক্তিৰ জৰিয়তে সকলো মানুহে জীৱনৰ অধিকাৰৰ বাহিৰে সকলো ক্ষমতা সাৰ্বভৌম কৰ্তৃপক্ষৰ হাতত অৰ্পন কৰে।



জানি থোৱা ভাল

হ'বচে কৈছে যে যদিও প্ৰকৃতি ৰাজ্যত কোনো ৰাষ্ট্ৰ নাছিল, কোনো ৰাজনৈতিক কৰ্তৃত্ব নাছিল, বা কোনো লিখিত আইন নাছিল, কিন্তু কিছুমান প্ৰাকৃতিক আইন নিশ্চয়কৈ আছিল। এই প্ৰাকৃতিক আইনসমূহ মানুহৰ বিচাৰ -বুদ্ধিৰ ফলস্বৰূপে সৃষ্টি হৈছিল। মানুহে নিজেই জানিছিল তেওঁলোকৰ কাৰণে কি ভাল আৰু কি বেয়া। হ'বচৰ মতে প্ৰকৃতিৰাজ্যত ১৯ টা প্ৰাকৃতিক আইন আছিল। কিন্তু কোনেও এই প্ৰাকৃতিক আইনসমূহ মানি চলা নাছিল আৰু এই আইনসমূহ কাৰ্যত পৰিণত কৰিবলৈ কোনো কৰ্তৃত্ব নাছিল।

এই সামাজিক চুক্তি শাসকজনৰ ক্ষেত্ৰত বাধ্যতামূলক নহয়। শাসকজনৰ অৱস্থান সামাজিক চুক্তিৰ পৰা বাহিৰত। গতিকে হ'বচে সকলো মানুহ স্বাধীন, সমান আৰু বিবেকসম্পন্ন, এই যুক্তিৰে তেওঁৰ তত্ত্বৰ আৰম্ভণি কৰিছিল যদিও এজন অতি শক্তিশালী কৰ্তৃত্ব প্ৰতিষ্ঠাৰ জৰিয়তে ইয়াৰ সামৰণি ঘটাইছিল।

এই সামাজিক চুক্তিখনে এজন সাৰ্বভৌম আৰু একে সময়তে এখন ৰাষ্ট্ৰৰ সৃষ্টি কৰে। প্ৰকৃত সত্য এয়াই যে সাৰ্বভৌমক মনোনীত কৰি মানুহে পৰোক্ষভাৱে ৰাষ্ট্ৰৰ সৃষ্টিত অৰিহণা যোগায়। এই ৰাষ্ট্ৰখনৰ প্ৰকৃতি অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য। হ'বচৰ মতে ৰাষ্ট্ৰ হ'ল এজন কৃত্ৰিম ব্যক্তি আৰু সেয়েহে ৰাষ্ট্ৰৰ কাৰ্যসমূহ সূচাৰুৰূপে পৰিচালিত কৰিবলৈ

এজন প্রাকৃতিক ব্যক্তিৰ প্রয়োজন। সেইবাবে সকলো মানুহে মিলি তেওঁলোকৰ মাজৰেই এজনক সার্বভৌম ক্ষমতাৰ অধিকাৰী হিচাপে মনোনীত কৰে। যেতিয়া সার্বভৌমই কাম কৰে, সেইটো ৰাষ্ট্রই কৰা কাম হৈ পৰে। সেইখন ৰাষ্ট্র শক্তিৰ ভঁৰাল আৰু সার্বভৌমজন ৰাষ্ট্রৰ প্রতিনিধি আৰু সেই ৰাষ্ট্রখনৰ জনসাধাৰণে সার্বভৌম অধিকাৰীজনৰ প্রতি আনুগত্যতা প্রকাশ কৰে, কিয়নো তেওঁ ৰাষ্ট্রৰ প্রতিনিধি। সার্বভৌমজন জনসাধাৰণৰ সন্মতি, স্বাধীনতা আৰু বিচাৰশক্তিৰ পৰিণতি।

এখন ৰাষ্ট্রত যেতিয়া সার্বভৌম নির্বাচন কৰা হয়, তেতিয়া তাৰ জনসাধাৰণে সার্বভৌমই প্রদান কৰা স্বাধীনতাবোৰহে অকল ভোগ কৰিব পাৰে। গতিকে এখন ৰাষ্ট্রত জনসাধাৰণৰ স্বাধীনতা সার্বভৌমৰ নীতি বা আইনৰ ওপৰত নির্ভৰশীল। প্রকৃতি ৰাজ্যত কোনো শাসক নাছিল, কিন্তু জনসাধাৰণে অত্যাধিক স্বাধীনতা উপভোগ কৰিছিল। সার্বভৌমৰ অধীনস্থ ৰাষ্ট্রতো স্বাধীনতা বিদ্যমান। কিন্তু এই ক্ষেত্রত কেৱল সার্বভৌমৰ আইনসমূহ অনুসৰণ কৰিহে জনসাধাৰণে স্বাধীনতা উপভোগ কৰিব পাৰে। অন্যথা, তেওঁলোকক শাস্তি প্রদান কৰা হ'ব। সার্বভৌমই জনসাধাৰণৰ পৰামর্শ অবিহনে সকলো সিদ্ধান্ত গ্রহণ কৰিব পাৰে। কাৰণ, সার্বভৌমৰ ওপৰত কোনো সীমাবদ্ধতা নাথাকে আৰু জনসাধাৰণৰ প্রতি তেওঁৰ কোনো দায়বদ্ধতা নাথাকে, যিহেতু তেওঁ সামাজিক চুক্তিৰ অংশীদাৰ নহয়। সার্বভৌমজনক প্রশ্ন কৰা, সমালোচনা কৰা আৰু নিপাত কৰাৰ কাৰো অধিকাৰ নাথাকে, কাৰণ সার্বভৌমজন জনসাধাৰণৰ নিজৰ সৃষ্টি। সার্বভৌমৰ পতন ঘটাবলৈ জনসাধাৰণে সামাজিক চুক্তিখন ভংগ কৰিব লাগিব আৰু ইয়াৰ বাবে তেওঁলোকে সার্বভৌমৰপৰা অনুমতি ল'ব লাগিব। নিঃসন্দেহে সার্বভৌমই কেতিয়াও এই অনুমতি প্রদান নকৰে। যদি সামাজিক চুক্তি ভংগ হয়, তেতিয়া মানুহে পুনৰ নৈৰাজ্যবাদী প্রকৃতিৰাজ্যৰ অৱস্থালৈ উভতি যাব লাগিব। যদি মানুহে সামাজিক চুক্তিৰ বিৰোধিতা কৰে, তেতিয়াহ'লে ই তেওঁলোকৰ নিজৰ সিদ্ধান্তৰেই বিৰোধী হ'ব। গতিকে, তেওঁলোকৰ ওচৰত অন্য কোনো বিকল্প নাছিল।

জানি থোৱা ভাল



হ'বচৰ মতে স্বতন্ত্রতা দুই প্রকাৰৰ অনিয়ন্ত্রিত স্বতন্ত্রতা বা নঞৰ্থক স্বতন্ত্রতা আৰু নিয়ন্ত্রিত স্বতন্ত্রতা বা সদর্থক স্বতন্ত্রতা। অনিয়ন্ত্রিত স্বতন্ত্রতা প্রকৃতি ৰাজ্যত বিৰাজমান য'ত মানুহে কোনো বাধা নোহোৱাকৈ স্বাধীনতা বা অধিকাৰ ভোগ কৰিব পাৰে। আনহাতে, নিয়ন্ত্রিত স্বতন্ত্রতা সার্বভৌমই পৰিচালনা কৰা ৰাষ্ট্রৰ ক্ষেত্রত দেখা যায় য'ত মানুহে আইনৰ পৰিসৰৰ ভিতৰত থাকি স্বাধীনতা ভোগ কৰিব লাগে।)

পূর্বতে ৰজাই অকল ৰাষ্ট্রক প্রতিনিধিত্ব কৰাই নাছিল; দৰাচলতে তেওঁৰেই আছিল ৰাষ্ট্র। হ'বচে ৰাষ্ট্রক ৰজাৰ পৰা স্বতন্ত্র হিচাপে উল্লেখ কৰিছিল য'ত ৰজাই ৰাষ্ট্রৰ প্রতিনিধি

হিচাপে কাম কৰে। হ'বচে ৰাষ্ট্ৰ আৰু সার্বভৌমৰ মাজত এক ধৰণৰ সূদূৰপ্রসাৰীপার্থক্য নির্ণয় কৰি দেখুৱাইছিল। হ'বচে কেৱল ৰাষ্ট্ৰ আৰু ৰজাৰ মাজতেই পার্থক্য আনিব বিচৰা নাছিল, তেওঁ ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজতো পার্থক্য নির্ধাৰণ কৰিব বিচাৰিছিল। হ'বচৰ মতে, ৰাষ্ট্ৰখন গণতান্ত্রিক ব্যৱস্থাৰেই পৰিচালিত হওঁক বা ৰাজতান্ত্রিক ব্যৱস্থাৰেই হওঁক, ৰাষ্ট্ৰৰ মূল সার্বভৌমত্ব ৰাষ্ট্ৰতেই সীমাবদ্ধ; এই সার্বভৌমত্ব কোনো ৰজা বা জনসাধাৰণৰ ওচৰত নাথাকে। স্কিনাৰৰ ভাষাত, হ'বচৰ ৰাজনৈতিক চিন্তাধাৰাই ৰাষ্ট্ৰৰ ক্ষেত্রত এক নতুন দিশ উদঘাটন কৰিছিল।

সমালোচনাঃ হ'বচৰ ৰাষ্ট্ৰ সম্পর্কীয় ধাৰণা সমালোচনামুক্ত নহয়। ইয়াক তলত উল্লেখ কৰা দিশসমূহৰ ক্ষেত্রত সমালোচনা কৰা হৈছে —

- হ'বচে কৈছে যে এজন সার্বভৌম বা সর্বশক্তিমান ৰজাই ৰাষ্ট্ৰ এখনত সীমিত ক্ষমতাহে প্রয়োগ কৰে। হ'বচৰ মতে, যদিও শাসকজন অসীম ক্ষমতাৰ অধিকাৰী, কিন্তু তেওঁ ৰাষ্ট্ৰৰ সুৰক্ষাৰ বাবেহে কিছুমান আইন প্রণয়ন কৰে। তেওঁ ব্যক্তিৰ পৰিয়াল, অর্থনৈতিক, ধর্মীয় বা আন কোনো দিশত হস্তক্ষেপ কৰিব পৰা কোনো ধৰণৰ আইন প্রণয়ন নকৰে। তেওঁ প্রজাৰ ব্যক্তিগত জীৱনত হস্তক্ষেপ নকৰি তেওঁলোকৰ আকাংক্ষাসমূহে পূৰণ কৰিবলৈ সর্বাধিক স্বাধীনতা প্রদান কৰে। কিন্তু, সমালোচকসকলৰ মতে এয়া কেতিয়াও গ্রহণযোগ্য নহয়, কাৰণ এজন সর্বশক্তিমান ৰজাই সদায় অসীম ক্ষমতা প্রয়োগ কৰিব বিচাৰে। ইয়াৰোপৰি, হ'বচে অনুমান কৰি লৈছে যে সকলো শাসকেই ভাল। তেওঁ এজন বেয়া শাসকৰ বিষয়ে কোনো ধাৰণা আগবঢ়োৱা নাই। এই ক্ষেত্রত তেওঁ কোনো উত্তৰ প্রদান কৰা নাই।
- আন এক সমালোচনা ৰাজনৈতিক দায়বদ্ধতাৰ কাৰণৰ ক্ষেত্রত উত্থাপিত হৈছে। হ'বচে কৈছে যে নৈতিকতাৰ বাবে জনসাধাৰণে সার্বভৌম আৰু ৰাষ্ট্ৰৰ প্রতি ৰাজনৈতিক দায়বদ্ধতা প্রকাশ কৰে, যিহেতু সার্বভৌমজন জনসাধাৰণৰ নিজৰ সৃষ্টি। কিন্তু সমালোচকসকলে মত পোষণ কৰিছে যে জনসাধাৰণে নৈতিকতাৰ বাবে নহয়, ভয় আৰু তেওঁলোকৰ নিজৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবেহে সার্বভৌম আৰু ৰাষ্ট্ৰৰ প্রতি দায়বদ্ধতা প্রকাশ কৰে।

অৱশ্যে, এনেকুৱা সমালোচনা সত্ত্বেও হ'বচৰ ৰাষ্ট্ৰৰ বিষয়ে যি ধাৰণা তাৰ গুৰুত্ব কেতিয়াও আওকাণ কৰিব নোৱাৰি। এইটো হ'বচৰ ৰাজনৈতিক দর্শনৰেই অৱদান যে তেওঁৰ দর্শনৰ ফলতেই ৰাষ্ট্ৰৰ যি দৈৰিক তত্ত্বৰ প্রতি আকর্ষণ, তাৰ পৰিৱর্তন ঘটি লাহে লাহে এক নতুন ৰাজনৈতিক চিন্তাধাৰাৰ দিশে ধাৱমান হৈছিল। মানৱ প্রজাতিক তেওঁৰ দর্শনৰ মূল কেন্দ্রবিন্দু হিচাপে প্রতিষ্ঠা কৰি হ'বচে ৰাজনৈতিক ব্যৱস্থাৰ উচিত মূল্যাংকন কৰিছিল। সম্ভৱতঃ তেওঁৰেই প্রথম বৃটিছ দার্শনিক যিয়ে ৰাজনৈতিক তত্ত্বৰ অধীনত ব্যক্তি স্বাধীনতাৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছিল।



চিন্তা-চর্চা কৰক ৪.১

প্রাচীন উদাৰতাবাদী ধাৰা নাইবা সামাজিক চুক্তি ধাৰাৰ বৈশিষ্ট্যসমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ হ'বচ্ৰ ৰাজনৈতিক দর্শন অনুসৰি, ৰাষ্ট্ৰৰ অৱস্থান ঘটে সামাজিক চুক্তিৰ ফলস্বৰূপে। (সঁচা/ মিছা)

.....

প্রশ্ন ৫ ঃ হ'বচৰ মতে ৰাষ্ট্ৰৰ প্রকৃতি কেনেকুৱা?

.....

.....

প্রশ্ন ৬ ঃ হ'বচৰ ৰাষ্ট্ৰ সম্পর্কীয় ধাৰণাৰ এটা সমালোচনা লিখক।

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক চুক্তি তত্ত্বৰ ইতিহাসত থমাচ হ'ৱচ প্রথমজন চুক্তি তত্ত্ববিদ হিচাপে পৰিচিত। হ'ৱচৰ বিখ্যাত গ্রন্থখনৰ নাম হ'ল 'লেভিয়াথান' (Leviathan)। হ'ৱচৰ মানৱ প্রকৃতি সম্পর্কে ধাৰণাক তেওঁৰ ৰাজনৈতিক দর্শনৰ প্রধান কেন্দ্রবিন্দু বুলি ক'ব পাৰি।
- হ'ৱচে পর্যবেক্ষণ কৰিছে যে মানুহ স্বভাৱগতভাৱে দুষ্ট, ক্রুৰ, নিষ্ঠুৰ, অসভ্য জীৱ।
- মানুহে এটাৰ পিছত আন এটা ক্ষুধা নিবাৰণৰ বাবে গতি কৰে। মানুহৰ ক্ষুধা বা আকাংক্ষাৰ কেতিয়াও পৰিসমাপ্তি নঘটে। মানুহৰ ক্ষুধা তেওঁৰ মৃত্যুৰ সৈতেহে শেষ হয়। জীৱনটো হৈছে এটাৰ পিছত আন এটা ক্ষুধা নিবাৰণৰ লক্ষ্য স্থিৰ কৰাৰ প্রক্রিয়া আৰু মানুহে ক্ষুধা নিবাৰণৰ অর্থে বুদ্ধিৰ আশ্রয় লয় ।
- মানুহৰ ইচ্ছাৰ লগতে বুদ্ধিও থাকে। কিন্তু বুদ্ধি ইচ্ছাৰ দাসহে মাথোন আৰু ইয়াক মানুহে উদ্দেশ্য সিদ্ধিৰ বাবে প্রয়োগ কৰে। তেওঁলোক সদায় ক্ষমতাৰ বাবে অন্বেষী। হ'বচ্ৰ ধাৰণা অনুসৰি, সকলো মানুহেই স্বাধীন, সমান আৰু সুবিবেচক। ইয়াৰোপৰি, সকলো মানুহেই আত্মকেন্দ্রিক আৰু অভিমানী।

- হ'বচে আকৌ কৈছে যে বুদ্ধিমত্তাৰ দিশৰপৰা জন্মসূত্রে মানুহ সমান, কিন্তু একেটা বস্তু পাবলৈ মানুহৰ মাজত থকা আকাংক্ষাৰ বাবেহে কাজিয়াৰ সূত্রপাত ঘটে। একেটা বস্তু পাবলৈ হাবিয়াস নথকা হ'লে মানুহৰ মাজত কেতিয়াও কাজিয়াৰ সূত্রপাত নহ'লহেঁতেন। হ'বচে বিশ্বাস কৰিছিল যে প্রতিযোগিতাই মানুহক নিষ্ঠুৰ আৰু কাজিয়াপ্রৱণ কৰি তোলে। হবচৰ মতে, সুখী হোৱাটোৱেই মানুহৰ জীৱনৰ চৰম লক্ষ্য।
- হ'বচৰ মতে, ৰাষ্ট্র হ'ল প্রকৃতি ৰাজ্যত ব্যক্তিসমূহ আৰু সার্বভৌমৰ মাজত সম্পন্ন হোৱা এক সামাজিক চুক্তিৰ পৰিণতি। সামাজিক চুক্তিৰ জৰিয়তে সকলো মানুহে জীৱনৰ অধিকাৰৰ বাহিৰে সকলো ক্ষমতা সার্বভৌম অধিকাৰীৰ হাতত অর্পন কৰে। এই সামাজিক চুক্তিখনে এজন সার্বভৌম আৰু একে সময়তে এখন ৰাষ্ট্রৰ সৃষ্টি কৰে।
- হ'বচৰ সামাজিক চুক্তি তত্ত্বত ৰাষ্ট্রৰ প্রকৃতি অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য। সেইখন ৰাষ্ট্র শক্তিৰ ভঁৰাল আৰু সার্বভৌমজন ৰাষ্ট্রৰ প্রতিনিধি আৰু সেই ৰাষ্ট্রখনৰ জনসাধাৰণে সার্বভৌম অধিকাৰীজনৰ প্রতি আনুগত্য প্রকাশ কৰে, কিয়নো তেওঁ ৰাষ্ট্রৰ প্রতিনিধি।
- এখন ৰাষ্ট্রত যেতিয়া সার্বভৌম নির্বাচন কৰা হয়, তেতিয়া তাৰ জনসাধাৰণে সার্বভৌমই প্রদান কৰা স্বাধীনতাবোৰহে অকল ভোগ কৰিব পাৰে। গতিকে, এখন সার্বভৌম অধিকাৰী ৰাষ্ট্রত, জনসাধাৰণৰ স্বাধীনতা সার্বভৌমৰ নীতি বা আইনৰ ওপৰত নির্ভৰশীল।



৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.
2. Gogoi, P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
3. Jha, S. (2010). *Western political thought: From Plato to Marx*. New Delhi: Dorling Kindersley.
4. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.
5. Nelson, B. R. (1996). *Western political thought: From Socrates to the age of ideology*. New Delhi: Dorling Kindersley.
6. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.

7. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লেভিয়াথান।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হ'ৱচৰ ধাৰণা অনুসৰি, সকলো মানুহেই স্বাধীন, সকলো মানুহ সমান আৰু সকলো মানুহ সুবিবেচক। প্ৰত্যেকজন ব্যক্তিয়ে তেওঁৰ নিজৰ ক্ষেত্ৰত কি শুদ্ধ বা অশুদ্ধ তাক বিচাৰ কৰিবলৈ স্বাধীন আৰু এই স্বাধীনতাৰ সুব্যৱহাৰ কৰিবলৈ প্ৰত্যেকেই একোজন বিচাৰ বুদ্ধিসম্পন্ন ব্যক্তি। ইয়াৰ বাবে প্ৰত্যেকজন ব্যক্তিয়ে সুবিধাৰ সমতা লাভ কৰা উচিত। হ'ৱচৰ মতে, পুৰষ্কাৰ প্ৰদান কৰা হয় যোগ্যতা আৰু কঠোৰ পৰিশ্ৰমৰ ওপৰত ভিত্তি কৰি। প্ৰত্যেকজন ব্যক্তিৰে ভুল আৰু শুদ্ধৰ পাৰ্থক্য নিৰূপন কৰিব পৰা ক্ষমতা আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ হ'বচৰ ৰাষ্ট্ৰ সম্পৰ্কীয় ধাৰণাৰ এটা সমালোচনা ৰাজনৈতিক দায়বদ্ধতাৰ কাৰণৰ ক্ষেত্ৰত উত্থাপিত হৈছে। হ'ৱচে কৈছে যে নৈতিকতাৰ বাবে জনসাধাৰণে সাৰ্বভৌম আৰু ৰাষ্ট্ৰৰ প্ৰতি ৰাজনৈতিক দায়বদ্ধতা প্ৰকাশ কৰে, যিহেতু সাৰ্বভৌমজন জনসাধাৰণৰ নিজৰ সৃষ্টি। কিন্তু, সমালোচকসকলে মত পোষণ কৰিছে যে জনসাধাৰণে নৈতিকতাৰ বাবে নহয়, ভয় আৰু তেওঁলোকৰ নিজৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবেহে সাৰ্বভৌম আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰে।

৪.৮ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ ব্যক্তিবাদী হিচাপে থমাচ হ'ৱচৰ সপক্ষে যিকোনো দুটা যুক্তি উল্লেখ কৰক।

প্রশ্ন ২ ঃ সার্বভৌমৰ শাসনাধীন ৰাষ্ট্রত মানুহে কেনেকুৱা ধৰণৰ স্বাধীনতা উপভোগ কৰে?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ হ'ৱচে উল্লেখ কৰা ধৰণে মানৱ প্রকৃতিৰ যিকোনো চাৰিটা দিশ লিখক।

প্রশ্ন ২ ঃ কি পৰিস্থিতিত মানুহে সামাজিক চুক্তি স্বাক্ষৰ কৰে আৰু ৰাষ্ট্রৰ সৃষ্টি কৰে? চমুকৈ ব্যাখ্যা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ থমাচ হ'ৱচৰ মানৱ প্রকৃতি সম্পর্কীয় ধাৰণাৰ ওপৰত এটি টোকা লিখক।

প্রশ্ন ২ ঃ ৰাষ্ট্র সম্পর্কে থমাচ হ'ৱচৰ মতামতৰ ওপৰত সমালোচনাত্মক ব্যাখ্যা আগবঢ়াওক।

****

অধ্যায় ৫ঃ জন লক

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ মানুহৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা
৫.৪ সামাজিক চুক্তি তত্ত্ব
৫.৫ ব্যক্তিবাদ সম্পৰ্কে ধাৰণা
৫.৬ নাৰীৰ স্বাধীনতা সম্পৰ্কে ধাৰণা
৫.৭ ব্যক্তিগত সম্পত্তি সম্পৰ্কে ধাৰণা
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৯ অধিক জানিবলৈ
৫.১০ অগ্ৰগতিৰ খতিয়ান
৫.১১ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- জন লকৰ মানৱ প্ৰকৃতি সম্পৰ্কে দৃষ্টিভঙ্গী বুজিব পাৰিব
- লকৰ সামাজিক চুক্তি তত্ত্ব মূল্যায়ন কৰিব পাৰিব
- লকৰ ব্যক্তিবাদ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- লকৰ নাৰী স্বাধীনতা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- লকৰ ব্যক্তিগত সম্পত্তি সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

জন লক হ'ল সামাজিক চুক্তিতত্ত্ব ধাৰণাৰ দ্বিতীয়জন চুক্তিতত্ত্ববিদ। তেওঁক ধ্ৰুপদী উদাৰপন্থীৰ পিতৃ হিচাপেও জনা যায়। তেওঁ ব্যক্তিবাদৰ সকলোবোৰ মৌলিক ধাৰণা যেনে সকলো ব্যক্তি মুক্ত, সমান আৰু যুক্তিসংগত সৰোগত কৰি ব্যক্তিবাদ আৰম্ভ কৰিছিল আৰু সাংবিধানিক ৰাজতন্ত্ৰৰ জৰিয়তে সমাপ্ত কৰিছিল। তেওঁৰ আটাইতকৈ উল্লেখনীয় গ্ৰন্থ হৈছে "টু ট্ৰিটিজ অফ্ গৱৰ্ণমেন্ট"।

৫.৩ মানুহৰ প্ৰকৃতি সম্পৰ্কে ধাৰণা

হ'বচৰ দৰে লকেও বিশ্বাস কৰে যে ৰাষ্ট্ৰ কোনো ঐশ্বৰিক শক্তি বা যান্ত্ৰিক বিকাশৰ দ্বাৰা উৎপত্তি হোৱা নাই; ৰাষ্ট্ৰৰ উৎপত্তিৰ মূল হৈছে সামাজিক চুক্তি। সামাজিক চুক্তিৰ আবিৰ্ভাৱৰ

কাৰণ হৈছে ব্যক্তিয়ে নিজৰ ভাল বিচৰাৰ লগতে সামাজিক নিৰাপত্তা আৰু উন্নতি বিচৰাটো। কিন্তু তাৰ বাহিৰে তেওঁলোকে প্ৰত্যেকেই আনজনৰ পৰা পৃথক হৈ যায়। হ'বচৰ বিপৰীতে লকে বিশ্বাস কৰে যে ব্যক্তি হৈছে সক্ষম, দক্ষ আৰু যুক্তিবাদী প্ৰাণী।

লকে বিশ্বাস কৰে যে সকলোকে যদি যথাযত সুযোগ দিয়া হয় তেতিয়া তেওঁলোক সমান মানসিক বিকাশৰ বাবে দায়বদ্ধ। তেওঁৰ মতে এইটো শাৰীৰিক বিকাশৰ পৰিবৰ্তে মানসিক বিকাশহে যিটো সকলো সময়তে গ্ৰহণযোগ্য। তেওঁ হ'বচৰ মতেৰে একমত যে ব্যক্তিৰ ইচ্ছা আছে আৰু ব্যক্তিয়ে দুখবোৰ সুখলৈ পৰিবৰ্তনৰ ইচ্ছা প্ৰকাশ কৰে। অৱশ্যে, তেওঁ হ'বচৰ সৈতে এইটো ক্ষেত্ৰত একমত নহয় যে ব্যক্তিয়ে সুখৰ কাৰণে কাজিয়া, বৰ্বৰতা বা নিৰ্মমতাক প্ৰশ্ৰয় দিয়ে। অন্যহাতে, লকে ভাবে যে ব্যক্তিয়ে শান্তিপূৰ্ণ আৰু যুক্তিবাদেৰে নিজৰ উদ্দেশ্যত উপনীত হ'ব বিচাৰে। তেওঁ লগতে বিশ্বাস কৰে যে প্ৰকৃতিয়ে মানুহক বুদ্ধিমত্তা প্ৰদান কৰিছে যিয়ে মানুহক অন্ধকাৰৰ পৰা মুকলি হোৱাত সহায় কৰে। প্ৰত্যেকেই তেওঁলোকৰ ক্ৰিয়াসমূহ শৃংখল কৰাত স্বাধীন, লগতে একতিয়াৰৰ ভিতৰত ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰতো স্বাধীন। সেয়েহে ব্যক্তি সকলো দিশতে স্বাধীন হোৱাৰ কাৰণে কোনোৱে কাৰো জীৱন, স্বাস্থ্য, স্বাধীনতা বা সম্পত্তিৰ ক্ষতি নকৰে। পূৰ্ব-ৰাষ্ট্ৰ নাগৰিক সমাজত শান্তি, শুভ ইচ্ছা, পাৰস্পৰিক সহযোগিতা নতুবা সংৰক্ষণতা বিৰাজ কৰে আৰু যিয়ে তেওঁলোকৰ সামাজিক সম্পৰ্কসমূহ পৰিচালনা কৰে।

৫.৪ সামাজিক চুক্তি তত্ত্ব

যদি প্ৰকৃতি ৰাজ্যত লোকসকলে শান্তি, সমৃদ্ধি উপভোগ কৰে, লগতে তাত কোনো যুদ্ধৰ ভয় নাই, তেনেহ'লে তেওঁলোকে কিয় প্ৰকৃতি ৰাজ্য ত্যাগ কৰিব বিচাৰে। লকৰ মতে, সামাজিক চুক্তি প্ৰতিষ্ঠা কৰাটো সমাজৰ অভ্যন্তৰীণ আকাংক্ষা যিয়ে মানুহক এই দিশত পৰিচালিত কৰে। এটি সাধাৰণ সিদ্ধান্তৰ অনিশ্চয়তা আৰু গ্ৰহণযোগ্য সামাজিক আইনসমূহৰ এজন সাধাৰণ ব্যাখ্যাকৰ্তাৰ প্ৰয়োজনীয়তাই তেওঁলোকক প্ৰকৃতি ৰাজ্য ত্যাগৰ চিন্তা কৰাত বাধ্য কৰে। প্ৰাকৃতিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত অন্যায়ৰ বিৰুদ্ধে অক্ষমতা হ'ল প্ৰকৃতি ৰাজ্য ত্যাগৰ অন্য এটা কাৰক।

লকৰ মতে, মানুহে প্ৰকৃতি ৰাজ্য ত্যাগ কৰি নাগৰিক ৰাষ্ট্ৰ গঠন কৰাৰ কাৰণ হ'ল প্ৰকৃতি ৰাজ্যত উৎপত্তি হোৱা অসুবিধা আৰু বিশৃংখলতা। প্ৰকৃতি ৰাজ্যত সৃষ্টি হোৱা অৰাজকতাই মানুহক সামাজিক চুক্তি গঠন কৰাত অৰিহনা যোগায়। সামাজিক চুক্তিত অন্তৰ্ভুক্তিৰ পাছত মানুহে এখন নাগৰিক সমাজ বা ৰাজনৈতিক সমাজ প্ৰতিষ্ঠা কৰে। এই ক্ষেত্ৰত লকে নাগৰিক সমাজ আৰু ৰাজনৈতিক সমাজ নামক দুয়োটা শব্দ একে অৰ্থত ব্যৱহাৰ কৰে। এই ধৰণৰ সমাজত ৰাজনৈতিক কৰ্তৃত্ব আৰু ৰাজনৈতিক ক্ষমতা থাকে। লকে কৈছে যে সামাজিক চুক্তিৰ সময়ত মানুহে তেওঁলোকৰ প্ৰাকৃতিক অধিকাৰ যেনে— জীয়াই থকাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ ত্যাগ নকৰে। নতুনকৈ গঠন হোৱা নাগৰিক বা ৰাজনৈতিক সমাজত মানুহৰ প্ৰাকৃতিক অধিকাৰসমূহ চৰকাৰে ৰক্ষা কৰে। জনসাধাৰণে অৱশ্যে এই ক্ষেত্ৰত নিবিচাৰে যে তেওঁলোকৰ চৰকাৰ চৰম ক্ষমতাৰ অধিকাৰী হওঁক। বৰং, তেওঁলোকে এখন সীমিত চৰকাৰ বিচাৰে য'ত ক্ষমতা বিকেন্দ্ৰীভূত

আৰু হস্তান্তৰযোগ্য হয়। লকিয়ান চৰকাৰৰ প্ৰধান কৰ্তব্য হ'ল জনস্বাৰ্থ বা সকলোৰে হিত সাধন কৰা আৰু জনসাধাৰণৰ অধিকাৰসমূহ ৰক্ষাৰ জৰিয়তে এই কামসমূহ সমাধান কৰা। এই চৰকাৰ জণগণৰ সন্মতিৰ ভিত্তিতে গঢ়ি উঠা চৰকাৰ। যদি চৰকাৰে জনসাধাৰণৰ অধিকাৰ ৰক্ষা কৰাত ব্যৰ্থ হয় বা জনসাধাৰণৰ কল্যাণ সাধনত অপৰাগ হয়, তেনেহ'লে জনসাধাৰণে সামাজিক চুক্তি ভংগ কৰি চৰকাৰৰ বিলুপ্তি সাধন কৰিব পাৰে। তাৰ পৰৱৰ্তী সময়ত জনসাধাৰণে তেওঁলোকৰ নাগৰিক সমাজত সন্মতি সাপেক্ষে অন্য এখন চৰকাৰ গঠন কৰিব পাৰে।

জানি থোৱা ভাল



যদিও লকে প্ৰকৃতি ৰাজ্যৰ অৱস্থা যুদ্ধ ৰাজ্যৰ পৰা পৃথক কৰে, তেওঁ প্ৰকৃতি ৰাজ্যৰ কিছুমান এনেকুৱা অসুবিধাৰ তালিকা প্ৰস্তুত কৰিছে যিয়ে মানুহক প্ৰকৃতি ৰাজ্য এৰিবলৈ সন্মত কৰায় —

- ব্যক্তিগত সম্পত্তি আৰু শ্ৰেণী দ্বন্দ্ব প্ৰকৃতি ৰাজ্যৰ প্ৰধান গুৰুত্বপূৰ্ণ সমস্যা।
- প্ৰকৃতি ৰাজ্যত এনেকুৱা কিছুমান বিধি আছে যিবোৰ জনগণে মানি চলিব লাগে। কিন্তু যদি কোনোৱে প্ৰকৃতি ৰাজ্যৰ এই বিধি ভংগ কৰে তেনেহ'লে তেওঁক শাস্তি দিবলৈ প্ৰকৃতি ৰাজ্যত কোনো ধৰণৰ অধিকাৰী নাই।
- প্ৰকৃতিৰাজ্যত জনসাধাৰণৰ তিনিটা ৰাজনৈতিক ক্ষমতা যেনে কাৰ্যনিৰ্বাহী, বৈধানিক আৰু যুদ্ধত জড়িত হোৱাৰ ক্ষমতা আছে। কিন্তু তেওঁলোকৰ বিচাৰৰ কোনো ক্ষমতা নাই।)

গতিকে, লকিয়ান সামাজিক চুক্তিয়ে প্ৰাক-ৰাজনৈতিক অৱস্থাৰ বিলুপ্তি ঘটাই এটি ৰাজনৈতিক অৱস্থাৰ সৃষ্টি কৰে। এইখন এনেকুৱা চুক্তি যি সাৰ্বভৌম চুক্তিৰ এটি অংশ। তেওঁ সমাজৰ অন্যান্য জনগণতকৈ ওপৰত নহয় বা তেওঁ প্ৰকৃতি ৰাজ্যতো থাকিব নোৱাৰে। প্ৰাক্-ৰাজনৈতিক ৰাষ্ট্ৰৰ জনগণে সাৰ্বভৌমক তেওঁলোকৰ অধিকাৰ সমূহ নিদি অকল ব্যাখ্যামূলক ক্ষমতাহে প্ৰদান কৰে। চুক্তিখনে সকলোবোৰ ক্ষমতা কোনো ব্যক্তিৰ হাতত অৰ্পন কৰাৰ পৰিবৰ্তে সমাজৰ হাতত অৰ্পন কৰে। লকৰ মতে, চৰম ৰাজতন্ত্ৰৰ ধাৰণা হ'ল মূৰ্খতা কিয়নো ৰজাসকলো মানুহ যিসকলে ভালপোৱা আৰু ঘৃণাভাৱ অনুভৱ কৰে।

সমালোচনাঃ- লকৰ দ্বাৰা প্ৰেৰিত সামাজিক চুক্তি তত্ত্বটিও কিছুমান সমালোচনাৰ সন্মুখীন হৈছিল যিবোৰ হ'ল —

- লকে বিশ্বাস কৰে যে প্ৰকৃতি ৰাজ্যত বাস কৰা মানুহৰ কিছু সম্পত্তি আৰু কৰ্তৃত্ব আছে আৰু তেওঁ বিচাৰে যে এখন ভাল চৰকাৰে তেওঁৰ এই অধিকাৰসমূহ ৰক্ষা কৰক। অন্য কথাত, লকে সম্পত্তিশালী শ্ৰেণীৰ সুৰক্ষাৰ পক্ষে ঠিয় দিছে যিটো ধাৰণা সমতা আৰু ন্যায্যতাৰ ভিত্তিত ন্যায় সংগত বুলি ক'ব নোৱাৰি।
- হ'বচৰ দৰে লকেও মানুহৰ প্ৰকৃতি সম্পৰ্কে ভুল ধাৰণা আগবঢ়াইছে। যদি মানুহবোৰ হ'বচে কোৱাৰ দৰে দুষ্ট, বৰ্বৰ, নিষ্ঠুৰ আৰু অভদ্ৰ নহয় তেতিয়াহ'লে তেওঁলোক কেতিয়াও ভদ্ৰ,

আত্ম উপলব্ধক আৰু দায়বদ্ধ সেই পর্য্যায়লৈ হ'ব নোৱাৰে যিটো পর্য্যায়লৈ লকে ব্যাখ্যা কৰিছে। মানৱ সভ্যতাৰ ইতিহাসৰ কোনো স্তৱতেই কর্তৃত্ব অবিহনে মানুহে সংযতভাবে কাম কৰাৰ নজিৰ নাই। গতিকে, তেওঁ মানুহৰ প্রকৃতি আৰু প্রৱনত্র সমূহ বুজাত ব্যর্থ হৈছে।

- লকে এখন সমাজ নে এখন চৰকাৰ গঠন কৰিব বিচাৰিছে তাত সন্দেহৰ অৱকাশ আছে। চৰকাৰ হ'ল এটি সংস্থা যাৰ কার্য্যপালিকা, ন্যায়পালিকা আৰু বিধায়িনী ক্ষমতা আছে। কিন্তু লকৰ ক্ষেত্রত চৰকাৰৰ অকল সীমিত বিধায়িনী কামহে আছে আৰু সেইটোও কেৱল আইন ব্যাখ্যাকাৰী হিচাপেহে।
- জনসাধাৰণৰ সন্মতি সম্পর্কেও লকৰ ধাৰণাৰ বিৰুদ্ধাচৰণ কৰা দেখা যায়। লকে কৈছে যে প্রত্যেক ব্যক্তিয়ে চৰকাৰ গঠনৰ কাৰণে সামাজিক চুক্তিত সন্মতি প্রদান কৰে। এই ধাৰণাটো ভুল কিয়নো তাত মাত্র সংখ্যাগৰিষ্ঠইহে সন্মতি দিয়ে। গতিকে, লকে সক্রিয় সন্মতি আৰু উহ্য সন্মতিৰ প্রভেদ ব্যাখ্যা কৰাত ব্যর্থ হৈছে। লকিয়ান সন্মতি মূলতঃ প্রত্যেকজন ব্যক্তিৰ ইচ্ছাৰ পৰিৱর্তে সংখ্যাগৰিষ্ঠৰ সন্তুষ্টিৰ ওপৰতহে প্রতিষ্ঠিত।

অৱশ্যে, এনেধৰণৰ সমালোচনা সত্বেও লকৰ ধাৰণাক নুই কৰিব নোৱাৰি কিয়নো লকে জনগণৰ সন্মতিৰ ভিত্তিতে এখন সীমিত চৰকাৰ গঠনৰ ধাৰণা ব্যক্ত কৰিছিল যিখন চৰকাৰৰ মূখ্য উদ্দেশ্য হ'ব জনসাধাৰণৰ মংগল সাধন কৰা।



৫.১ চিন্তা-চর্চা কৰক

বর্তমান পৰিস্থিতিত জন লকৰ ৰাজনৈতিক দর্শনৰ প্রাসংগিকতা বিচাৰিবলৈ চেষ্টা কৰক।

৫.৫ ব্যক্তিবাদ সম্পর্কে ধাৰণা

লক হ'ল এনে এজন দার্শনিক যিয়ে তেওঁৰ সমসাময়িক সময়ৰ ৰাজনৈতিক দর্শনৰ বিৰুদ্ধে থিয় দি নিজৰ ৰাজনৈতিক মতবাদ সজোৰে দাঙি ধৰিছিল। তেওঁ বিশ্বাস নকৰে যে ব্যক্তিৰ কোনো স্থায়িত্ব নাই নতুবা ব্যক্তি কেৱল সমাজৰ তুচ্ছ বা পৰাধীন অংগ। অন্যফালে লকে বিশ্বাস কৰে যে সমাজত ব্যক্তিৰ এটি নির্দিষ্ট স্থান আছে। তেওঁৰ মতে ব্যক্তিয়েই হৈছে ৰাষ্ট্র বা সমাজৰ সর্ব্বোচ্ছ সত্তা আৰু ৰাষ্ট্র হৈছে ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতাৰ ৰক্ষক। লকৰ মতে সেইখন ৰাষ্ট্রহে শ্রেষ্ঠ য'ত ব্যক্তিৰ স্বার্থসমূহ সর্বাধিক সুৰক্ষিত থাকে। ব্যক্তিৰ জন্মগত বা প্রাকৃতিক অধিকাৰ সংৰক্ষন কৰা, সুৰক্ষা দিয়া আৰু সন্মান কৰাটো ৰাষ্ট্রৰ প্রধান কর্তব্য।

দৰাচলতে লকৰ একমাত্র উদ্দেশ্য হ'ল সামগ্রীকভাৱে জনসাধাৰণৰ ওচৰত চৰকাৰক পৰাধীন কৰা। লকে দাবী কৰে যে চৰকাৰ অকল ব্যক্তিৰ কল্যাণৰ কাৰনে বিদ্যমান। তেওঁৰ ব্যক্তিবাদ সম্পর্কে অগাধ প্রীতি সার্বভৌমৰ বিৰুদ্ধে জনগণৰ বিদ্রোহৰ অধিকাৰতে ফুটি উঠে। তেওঁৰ মতে জনগণৰ এইখিনি ক্ষমতা আছে যাৰ জৰিয়তে তেওঁলোকে চৰকাৰ অপসাৰিত কৰিব

পাৰে যি চৰকাৰে তেওঁলোকৰ অধিকাৰৰ বিপৰীতে পৰিচালিত হয়। অন্যান্য ব্যক্তিবাদীসকলৰ দৰে লকেও বিশ্বাস কৰে যে জনসাধাৰণৰ কিছুমান নির্দিষ্ট নূন্যতম অধিকাৰ আছে আৰু ৰাষ্ট্ৰৰ কোনো কর্তৃত্বৰে এই অধিকাৰসমূহ জনসাধাৰণৰ পৰা কাঢ়ি নিয়াৰ ক্ষমতা নাই।

লকৰ ব্যক্তিবাদৰ প্ৰতি চৰম ভালপোৱা অন্য দিশতো প্ৰতিফলিত হয় যেতিয়া তেওঁ মানুহক সৰ্ব্বোচ্ছ আসনত প্ৰতিষ্ঠা কৰি ৰাষ্ট্ৰক কেৱল নির্দিষ্ট লক্ষ্য পূৰণৰ মাধ্যম হিচাপে অভিহিত কৰে। ব্যক্তিৰ প্ৰাকৃতিক অধিকাৰ সংৰক্ষণ কৰাটো ৰাষ্ট্ৰৰ প্ৰধান কর্তব্য আৰু এই ধৰণৰ অধিকাৰক অবজ্ঞা বা অসন্মান কৰাৰ অর্থ হ'ল বিপ্লৱ বা বিদ্রোহক ন্যায় সংগত কৰা।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ধ্ৰুপদী উদাৰপন্থীৰ পিতৃ কোন?

.....

.....

প্ৰশ্ন ২ ঃ লকে মানৱ প্ৰকৃতি সম্পর্কে হ'বচৰ সৈতে একে মত পোষণ কৰিছে (সঁচা/মিছা)

.....

.....

প্ৰশ্ন ৩ ঃ লকৰ মতে সামাজিক চুক্তিৰ দ্বাৰা নির্মিত চৰকাৰৰ প্ৰধান উদ্দেশ্য কি?

.....

.....

প্ৰশ্ন ৪ ঃ লকৰ মতে ব্যক্তি ৰাষ্ট্ৰযন্ত্ৰতকৈ ওপৰত (সঁচা/মিছা)

.....

.....

৫.৬ নাৰী স্বাধীনতা সম্পর্কে ধাৰণা

বেছিভাগ ৰাজনৈতিক তত্ত্ববিদে সামাজিক লিংগৰ (Gender) সমতা স্থাপনৰ ধাৰণা গঢ়ি তোলাৰ ক্ষেত্ৰত বেছি মনোনিৱেশ কৰা নাছিল। তেওঁলোকে সামাজিক লিংগৰ মাজত এক ধৰণৰ প্ৰাকৃতিক বৈষম্য থকাটোকে মানি লৈছিল আৰু নাগৰিক সমাজে এই ধাৰণাটোক সংৰক্ষণ কৰিব লাগে বুলি মত পোষণ কৰিছিল।

লকেও বিশ্বাস কৰিছিল যে সামাজিক লিংগসমূহৰ মাজত এটি প্ৰাকৃতিক বৈষম্য আছে আৰু যিয়ে পুৰুষক ওপৰত ৰাখিছে। লগতে পুৰুষৰ এই শ্ৰেষ্ঠত্বৰ ধাৰণাই স্ত্ৰী সকলক আনুগত্যতাৰ অধিকাৰ প্ৰদান কৰে। লকে বিশ্বাস কৰে যে নাৰীৰ হীনমন্যতাৰ উৎস হৈছে তেওঁলোকৰ প্ৰজনন ক্ষমতা আৰু এইটোক লকে প্ৰচলিত অসুবিধাতকৈ প্ৰাকৃতিক হিচাপে গণ্য কৰিছিল।

দুয়োখন চুক্তিতে (Treaties) লকে উল্লেখ কৰিছে যে নাৰীসকলৰ প্ৰাকৃতিক অৱস্থাটি পৰিয়ালকেন্দ্ৰীক অৰ্থাৎ পুৰুষৰ দ্বাৰা নাৰী বশীভূত হোৱা বা স্বামীৰ ওচৰত স্ত্ৰী বশীভূত হোৱা। আচৰিত ধৰণে লকৰ লিখনিৰ কোনো ঠাইতে একক মহিলাৰ (Single Women) বিষয় উল্লেখ পোৱা নাযায়। নাৰী মানে লকৰ মতে বিবাহিত মহিলা আৰু সেয়ে বেছিভাগ মহিলা পুৰুষৰ অধীন। মহিলাৰ প্ৰকৃতি যিহেতু সন্তান জন্ম দিয়া সেয়েহে বেছিভাগ মহিলা বিবাহিত। সেয়েহে, মহিলাৰ প্ৰজনন ক্ষমতাৰ পৰিণতি হিচাপে তেওঁলোক বিবাহিত লগতে স্বামীৰো বশীভূত হয় কিয়নো মহিলাসকলে তেওঁলোকৰ সন্তানৰ পালন-পোষণৰ কাৰণে পুৰুষৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়। লকে ধৰি লৈছে যে পৰিয়াল আৰু পৰিয়ালৰ মাজত থকা কৰ্তৃত্বৰ পৰিকাঠামো প্ৰকৃতি ৰাজ্যতে তৈয়াৰী এটি প্ৰাকৃতিক ঘটনা।

এনেদৰে, লকে ভাৱে যে নাৰীৰ স্বাধীনতা নাৰীৰ প্ৰাকৃতিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল আৰু পুৰুষৰ 'সক্ষমতা আৰু শক্তিশালী" গুণৰ বাবে নাৰী পুৰুষৰ অধীন।

৫.৭ ব্যক্তিগত সম্পত্তি সম্পৰ্কে ধাৰণা

লকৰ মতে প্ৰকৃতি ৰাজ্যত মানুহে তিনিটা গুৰুত্বপূৰ্ণ অধিকাৰ উপভোগ কৰে। সেইবোৰ হৈছে — জীয়াই থকাৰ অধিকাৰ, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰ। যিহেতু এজনে অন্য এজনৰ জীৱন, স্বাস্থ্য, স্বাধীনতা বা সম্পত্তিৰ কোনো ক্ষতিসাধন নকৰে, সেয়েহে প্ৰকৃতি ৰাজ্যত মানুহৰ ব্যক্তিগত সম্পত্তি থাকে।

লকে কৈছে যে ঈশ্বৰে মানুহ সৃষ্টি কৰিছে তেওঁৰ উদ্দেশ্যসমূহ সফল কৰাৰ কাৰণে। ঈশ্বৰৰ জীৱ হিচাপে মানুহে নিজৰ জীৱন ৰক্ষা কৰাটো মানুহৰ কৰ্তব্য। ৱালড্ৰনৰ (Waldron) মতে " লকিয়ান স্ব-সংৰক্ষমশীলতা যিমান অধিকাৰ সিমান কৰ্তব্যও।" সেয়েহে আত্মহত্যাৰ ধাৰণাটো লকে কেতিয়াও সমৰ্থন কৰা নাছিল। কাৰণ মানুহৰ নিজকে নিজে মৰাৰ স্বাধীনতা নাই। তেওঁ কৈছে যে জীয়াই থাকিবলৈ হ'লে মানুহক সম্পত্তি লাগিব। তেওঁৰ মতে, সম্পত্তি ব্যক্তিগত হোৱা উচিত। ব্যক্তিগত সম্পত্তি এটি এনেকুৱা বস্তু য'ত মানুহৰ একচেটিয়া অধিকাৰ থাকে।

লকে কৈছে যে ঈশ্বৰে সকলো প্ৰাকৃতিক সম্পদ সমূহীয়া ভাৱেই দিছে। এইটো হৈছে সমূহীয়া (Common) সম্পত্তিৰ ধাৰণা। কিন্তু যদি কোনোৱে তেওঁৰ স্বতন্ত্ৰ শ্ৰম প্ৰাকৃতিক সম্পদৰ লগত যুক্ত কৰে, তেতিয়া তাক ব্যক্তিগত সম্পত্তি বুলি কোৱা হয়। কিন্তু প্ৰকৃতি ৰাজ্যত ব্যক্তিগত সম্পত্তিৰ কিছু বাধ্যবাধকতা আছে। যেনে —

- লকে কৈছে যে ব্যক্তিগত সম্পত্তি থাকিব লগা হ'লে ব্যক্তি বিশেষে তেওঁৰ শ্ৰম প্ৰাকৃতিক সম্পদৰ লগত যুক্ত কৰিব লাগিব। এই ক্ষেত্ৰত তেওঁ সেইখিনি সম্পত্তিৰহে গৰাকী হ'ব, যিমানখিনি তেওঁ তেওঁৰ শ্ৰমৰ সৈতে সংযুক্ত কৰিব পাৰিব।
- পৃথিৱীত বাচি থাকিবলৈ হ'লে মানুহক সম্পত্তি লাগে। কিন্তু মানুহে সেইখিনি সম্পত্তিহে ৰাখিব লাগে যিখিনি বাচি থকাৰ কাৰণে দৰকাৰ হয়, কিয়নো মানুহৰ প্ৰাকৃতিক সম্পদ নষ্ট কৰাৰ অধিকাৰ নাই।

- তৃতীয় সীমাবদ্ধতা হিচাপে লকে কৈছে যে এজনে আনজনৰ ভালৰ বাবে সিমান পাৰে সিমান ত্যাগ কৰিব লাগে। কাৰণ সকলো প্ৰাকৃতিক সম্পদ সমূহীয়া আৰু এই সম্পদসমূহৰ ওপৰত সকলোৰে সমান অধিকাৰ আছে।

গতিকে লকে তেওঁৰ গ্ৰন্থত (Two Treatisc on Government) সীমিত সম্পত্তিৰ ধাৰণা উল্লেখ কৰিছে। কিন্তু তেওঁ পৰৱৰ্তী সময়ত তেওঁৰ সীমিত সম্পত্তিৰ ধাৰণা সলনি কৰি সীমাহীন সম্পত্তিৰ ধাৰণালৈ ৰূপান্তৰিত কৰে। লগতে সীমাহীন সম্পত্তি আহৰণৰ তিনিটা উপায় সম্পৰ্কে পৰামৰ্শ আগবঢ়ায়।

- মানুহে শ্ৰম শক্তি কিনিব পাৰে আৰু এই শ্ৰম শক্তি ব্যৱহাৰ কৰি প্ৰচুৰ পৰিমানে বৈধ সম্পত্তি আহৰণ কৰিব পাৰে। গতিকে, অন্যৰ শ্ৰম ক্ৰয়ৰ জৰিয়তে এজন সীমাহীন সম্পত্তিৰ অধিকাৰী হ'ব পাৰে।
- অৰ্থ যেতিয়া বিনিময়ৰ মাধ্যম হৈ যায়, তেতিয়া লুণ্ঠনৰ চৰ্তটি খণ্ডন হয়, কাৰণ অৰ্থই কোনো বস্তু লুণ্ঠন নকৰে। গতিকে, অৰ্থৰ আৱিষ্কাৰৰ লগতে লুণ্ঠনৰ অৱকাশো নাইকিয়া হয়।
- তৃতীয়তে, সীমাবদ্ধতাৰ পৰা মুক্তি পথৰ সন্ধানৰ কাৰণে লকে শ্ৰমৰ উৎপাদনশীলতাৰ যুক্তি প্ৰদৰ্শন কৰিছে। লকে দাবী কৰে যে যদি মাটি আৰু শ্ৰম কৃষিকাৰ্য্যৰ বাবে প্ৰয়োজনীয় কাৰক হয়, তেনেহ'লে সেই উৎপাদনৰ ক্ষেত্ৰত মাটিৰ অৰিহণা মাত্ৰ দহ শতাংশ, আনহাতে শ্ৰমৰ অৰিহণা নব্বে শতাংশ। গতিকে যদিহে এজন সম্পত্তিৰ কাৰণে শ্ৰম কৰে তেনেহ'লে তেওঁ মানৱ শ্ৰম বঢ়ালেই হ'ল।

তেনেকৈয়ে লকে তেওঁৰ সীমিত সম্পত্তিৰ ধাৰণা সীমাহীন সম্পত্তিৰ ধাৰণালৈ পৰিবৰ্তন কৰিছে। লকে কৈছে যে ব্যক্তিগত সম্পত্তিৰ তত্ত্ব এখন শ্ৰেণী বিভাজিত সমাজ প্ৰতিষ্ঠা কৰিব। যিবোৰ মানুহে অধিক শ্ৰম কৰিব লগতে উদ্যোগ গ্ৰহণ কৰিব সেইবোৰ ধনী হ'ব আৰু আনবোৰ দুখীয়া হ'ব। গতিকে প্ৰকৃতি ৰাজ্যত ব্যক্তিগত সম্পত্তিৰ উত্থানৰ বিষয়তো লকৰ ব্যাখ্যাৰ ক্ষেত্ৰত সম্পত্তিৰ গুৰুতৰ বৈষম্যও ন্যায় সংগত হৈ উঠে। এই ক্ষেত্ৰত চি.বি মেকফার্চন (C.B. Macpherson)য়ে কৈছে লক এজন ধনীক (bourgeoisie) শ্ৰেণীৰ ৰাজনৈতিক চিন্তাবিদ। কিয়নো লকে এনে এখন সমাজ ব্যৱস্থাৰ বিষয়ে কৈছে য'ত কিছুমান মানুহ ধনী আৰু কিছুমান মানুহ দুখীয়া আৰু এখন শ্ৰেণীবিভাজিত সমাজত ধনীক শ্ৰেণীৰহে মাত্ৰ উপকাৰ সাধন হয়। তাৰোপৰি লকে জীৱন আৰু স্বাধীনতাৰ অধিকাৰতকৈ ব্যক্তিগত সম্পত্তিৰ অধিকাৰতহে অধিক গুৰুত্ব প্ৰদান কৰিছে।

কিন্তু লকে কৈছে যে তেওঁ 'সমতা' শব্দটো কেৱল ৰাজনৈতিক দিশৰ পৰাহে ব্যৱহাৰ কৰিছে। কিন্তু যেতিয়া তেওঁ প্ৰকৃতি ৰাজ্যক সমতাৰ ৰাজ্য হিচাপে সংজ্ঞায়িত কৰে তেতিয়া ইয়াৰ অৰ্থ কিন্তু অৰ্থনৈতিক সমতা হিচাপে ধৰি লোৱা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ লকৰ মতে প্রকৃতিগতভাৱে নাৰী হ'ল পুৰুষতকৈ শ্রেষ্ঠ (সঁচা/মিছা)।

.....

.....

প্রশ্ন ৬ ঃ লকৰ মতে মানুহে প্রকৃতি ৰাজ্যত কোনবোৰ প্রাকৃতিক অধিকাৰ লাভ কৰে?

.....

.....

প্রশ্ন ৭ ঃ লকে কৈছে যে ব্যক্তিগত সম্পত্তিৰ তত্ত্বই এখন শ্রেণী বিভাজিত সমাজ প্রতিষ্ঠা কৰে। (সঁচা/মিছা)।

.....

প্রশ্ন ৮ ঃ লকে সীমাহীন সম্পত্তি আহৰণৰ সম্পর্কে আগবঢ়োৱা দুটা পৰামর্শ লিখক।

.....

.....



৫.৮ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- জন লকক ধ্রুপদী উদাৰবাদৰ জনক হিচাপে জনা যায়। তেওঁৰ আটাইতকৈ উল্লেখনীয় গ্রন্থ হৈছে "টু ট্রিটিজ অফ্ গৱর্ণমেন্ট"।
- জন লকে মানৱ প্রকৃতি সম্পর্কে হ'বচতকৈ এখন সম্পূর্ণ বেলেগ চিত্র দাঙি ধৰিছে। লকে হ'বচৰ ধাৰণাৰ ওলোটাকৈ বিশ্বাস কৰি কয় যে মানুহ দৰাচলতে শান্তিপ্রিয় প্রাণী। ব্যক্তি হৈছে সক্ষম, দক্ষ আৰু যুক্তিবাদী প্রাণী। প্রত্যেকেই তেওঁলোকৰ ক্রিয়াসমূহ শৃংখল কৰাত স্বাধীন, লগতে একতিয়াৰৰ ভিতৰত ক্ষমতা প্রয়োগৰ ক্ষেত্রতো স্বাধীন।
- লকৰ মতে মানুহে প্রকৃতি ৰাজ্যৰ অসুবিধাৰ পৰা মুক্তি পাবলৈ হ'লে এখন সামাজিক চুক্তিত স্বাক্ষৰ কৰাৰ প্রয়েজনীয়তা অনুভৱ কৰিছিল। সেই চুক্তিৰ দ্বাৰা এখন সীমিত চৰকাৰ প্রতিষ্ঠা কৰা হয় আৰু যাৰ প্রধান উদ্দেশ্য হ'ব জনসাধাৰণৰ মংগল সাধন কৰা।
- সামাজিক চুক্তিত অন্তর্ভুক্তিৰ পাছত মানুহে এখন নাগৰিক সমাজ বা ৰাজনৈতিক সমাজ প্রতিষ্ঠা কৰে। এই ক্ষেত্রত লকে নাগৰিক সমাজ আৰু ৰাজনৈতিক সমাজ নামক দুয়োটা শব্দ একে অর্থত ব্যৱহাৰ কৰে।
- এজন ব্যক্তিকেন্দ্রীক চিন্তাবিদ হিচাপে লকে মানুহক তেওঁৰ দর্শনৰ কেন্দ্রবিন্দু হিচাপে গণ্য কৰিছে। তেওঁ ৰাষ্ট্রক কেন্দ্রবিন্দু হিচাপে গণা কৰা নাই। তেওঁ ৰাষ্ট্রক কেৱল উদ্দেশ্য সাধনৰ মাধ্যম হিচাপেহে অভিহিত কৰিছে।

- লকৰ মতে সেইখন ৰাষ্ট্ৰহে শ্ৰেষ্ঠ য'ত ব্যক্তিৰ স্বাৰ্থসমূহ সৰ্বাধিক সুৰক্ষিত থাকে। ব্যক্তিৰ জন্মগত বা প্ৰাকৃতিক অধিকাৰ সংৰক্ষন কৰা, সুৰক্ষা দিয়া আৰু সন্মান কৰাটো ৰাষ্ট্ৰৰ প্ৰধান কৰ্তব্য।
- লকে ধৰি লৈছে যে পৰিয়াল আৰু পৰিয়ালৰ মাজত থকা কৰ্তৃত্বৰ পৰিকাঠামো প্ৰকৃতি ৰাজ্যতে তৈয়াৰী এটি প্ৰাকৃতিক ঘটনা।
- লকে বিশ্বাস কৰে যে মানুহৰ কাৰণে প্ৰাকৃতিক অধিকাৰসমূহৰ ভিতৰত সম্পত্তিৰ অধিকাৰ অতিকৈ গুৰুত্বপূৰ্ণ, কিয়নো তেওঁৰ মতে জীয়াই থকাৰ কাৰণে ব্যক্তিগত সম্পত্তি অতিকৈ প্ৰয়োজনীয়। অৱশ্যে লকে উল্লেখ কৰে যে প্ৰকৃতি ৰাজ্যত ব্যক্তিগত সম্পত্তিৰ ধাৰণাই এখন শ্ৰেণী বিভাজিত সমাজ প্ৰতিষ্ঠা কৰে।



৫.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.
2. Gogoi, P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
3. Jha, S. (2010). *Western political thought: From Plato to Marx*. New Delhi: Dorling Kindersley.
4. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.
5. Nelson, B. R. (1996). *Western political thought: From Socrates to the age of ideology*. New Delhi: Dorling Kindersley.
6. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.
7. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।



৫.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জন লক।

২ নং প্রশ্নৰ উত্তৰ ঃ মিছা।

৩ নং প্রশ্নৰ উত্তৰ ঃ জনসাধাৰণৰ কল্যাণ।

৪ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৫ নং প্রশ্নৰ উত্তৰ ঃ মিছা

৬ নং প্রশ্নৰ উত্তৰ ঃ জীয়াই থকাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰ

৭ নং প্রশ্নৰ উত্তৰ ঃ সঁচা।

৮ নং প্রশ্নৰ উত্তৰ ঃ লকে সীমাহীন সম্পত্তি আহৰণৰ সম্পর্কে আগবঢ়োৱা দুটা পৰামর্শ হ'ল-

(১) মানুহে শ্রম শক্তি কিনিব পাৰে আৰু এই শ্রম শক্তি ব্যৱহাৰ কৰি প্রচুৰ পৰিমানে বৈধ সম্পত্তি আহৰণ কৰিব পাৰে। গতিকে, অন্যৰ শ্রম ক্রয়ৰ জৰিয়তে এজন সীমাহীন সম্পত্তিৰ অধিকাৰী হ'ব পাৰে।

(২) অর্থ যেতিয়া বিনিময়ৰ মাধ্যম হৈ যায়, তেতিয়া লুণ্ঠনৰ চর্তটি খণ্ডন হয়, কাৰণ অর্থই কোনো বস্তু লুণ্ঠন নকৰে। গতিকে, অর্থৰ আৱিষ্কাৰৰ লগতে লুণ্ঠনৰ অৱকাশো নাইকিয়া হয়।

৫.১১ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ ধ্রুপদী উদাৰবাদৰ জনক হিচাপে জন লকৰ পক্ষে যিকোনো দুটা যুক্তি আগবঢ়াওক।

প্রশ্ন ২ ঃ লকৰ মতে সামাজিক চুক্তিৰ দ্বাৰা গঠিত চৰকাৰৰ প্রকৃতি কি?

প্রশ্ন ৩ ঃ লকৰ মতে ব্যক্তিগত সম্পত্তিৰ ধাৰণা কি?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানুহৰ প্রকৃতি সম্বন্ধে লক আৰু হ'বচৰ তুলনা কৰক।

প্রশ্ন ২ ঃ ব্যক্তিবাদী হিচাপে জন লকৰ স্থিতি নিৰূপণ কৰক।

প্রশ্ন ৩ ঃ নাৰীৰ স্বাধীনতা সম্পর্কে লকে দিয়া মতামতৰ ওপৰত এটি টোকা লিখক।

প্রশ্ন ৪ ঃ প্রকৃতি ৰাজ্যত ব্যক্তিগত সম্পত্তিৰ সীমাবদ্ধতা কি কি?

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ জন ল'কৰ সামাজিক চুক্তি তত্ত্বটো সমালোচনামূলকভাৱে বিশ্লেষণ কৰক।

প্রশ্ন ২ ঃ জন ল'কৰ ব্যক্তিগত সম্পত্তি তত্ত্বৰ মূল্যায়ন কৰক।

****

অধ্যায় ৬ঃ জ্যা জ্যাঁক ৰুছো

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সামাজিক চুক্তি তত্ত্ব

৬.৪ সাধাৰণ ইচ্ছা তত্ত্ব

৬.৫ ৰাজনৈতিক চিন্তাধাৰালৈ ৰুছোৰ অৱদান

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান

৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- ৰুছোৰ সামাজিক চুক্তি তত্ত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ৰুছোৰ সাধাৰণ ইচ্ছাৰ তত্ত্বৰ বিষয়ে বুজিব পাৰিব
- ৰাজনৈতিক চিন্তাধাৰালৈ ৰুছোৰ অৱদান সম্পর্কে বিশ্লেষণ কৰিব পাৰিব।

৬.২ পৰিচয়

ফৰাছী চিন্তাবিদ জ্যাঁ জেক ৰুছো (১৭১২-১৭৭০ খৃষ্টাব্দ)ৰ চিন্তা-ধাৰণাবোৰে আনকি সমসাময়িক যুগৰ ৰাজনৈতিক চিন্তাৰ জগতখনকো গভীৰ ভাৱে প্রভাৱিত কৰিছে। প্লেট',থ'মাচ হ'বচ্, জন লক আৰু মণ্টেস্কিউৰ দৰে চিন্তাবিদসকলৰ দ্বাৰা ৰুছোযথেষ্ট প্রভাৱিত হৈছিল। তেওঁ লিখা কেইখন মান গুৰুত্বপূর্ণ গ্রন্থ হ'ল- *To Essays Written for Academy, Contract Social, The Dialogues* and *The Reveries* ।

সামাজিক চুক্তি ধাৰাৰ ক্ষেত্রত ৰুছো তৃতীয়জন চিন্তাবিদ হ'ব পাৰে। কিন্তু সমতা, স্বাধীনতা আৰু গণতন্ত্র ইত্যাদিৰ দৰে আধুনিক মূল্যবোধৰ নামত প্রচলিত আধুনিক, সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ বিৰুদ্ধে এক শক্তিশালী সমালোচনা আগবঢ়োৱাৰ ক্ষেত্রত ভূমিকা অন্যতম। ৰুছোৱে আধুনিক সংস্থাসমূহৰ নিম্নগামীকৰণ সিহঁতে স্তৰক্রমৰ প্রাকৃতিক স্তৰটোক অধিক্রম ব্যৱস্থাৰ নামত কৰিব বিচৰা নাই; ইয়াৰ পৰিৱর্তে, তেওঁ বাবে বাৰে এই অনুষ্ঠানসমূহে

সকলোৰে বাবে সমান আৰু স্বাধীন অধিকাৰৰ ব্যৱস্থা কৰাত হোৱা ব্যর্থতাকহে প্রকাশ কৰিছে। আন কথাত, অতি গুৰুত্বপূর্ণভাৱে ৰুছোৱে আধুনিকতাৰ প্রগতিশীলতাক প্রশ্ন কৰাৰ এক বিপৰীতমুখী ধাৰা আৰম্ভ কৰিছে। এই অধ্যায়ত আমি ৰুছোৰ *সামাজিক চুক্তি তত্ত্ব* আৰু *সাধাৰণ ইচ্ছাৰ তত্ত্বৰ* লগতে ৰাজনৈতিক চিন্তাধাৰালৈ ৰুছোৰ অৱদান সম্পর্কে ব্যাখ্যা কৰিম।

৬.৩ সামাজিক চুক্তি তত্ত্ব

ৰুছোই তেওঁৰ গ্রন্থ *Contract Social*ত সামাজিক চুক্তি তত্ত্বটোৰ বিষয়ে আলোচনা কৰিছিল। ৰুছোৰ মতে ধনী শ্রেণীটেৱে কৰা শোষণ ৰোধ কৰি নিজৰ স্বাধীনতা আৰু অধিকাৰকৰক্ষণাবেক্ষণ দিবলৈ জনসমূহে ইচ্ছাকৃত ভাৱে ৰাষ্ট্র গঠন কৰিছিল। ৰাষ্ট্রৰ উত্থান ঘটাৰ পূর্বে অধিকাংশ লোকেই শোচনীয় পৰিৱেশত জীৱন নির্বাহ কৰিছিল। এই পৰিৱেশ আছিল দুখ-দুর্দশা, হিংসাআৰু অপৰাধেৰে ভৰা প্রকৃতি জগত। মানুহৰ ওপৰত চলা শোষণৰ ওৰ পেলাবলৈ তথা স্বাধীনতা আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ মানুহে নিজে সকলোৰে সন্মতিৰ আধাৰত সম্পাদিত এখন চুক্তিৰ মাধ্যমেৰে ৰাজনৈতিক সংগঠন অথবা ৰাষ্ট্র গঠন কৰিছিল।

ৰুছোৱে কৈছে যে কৃষিক্ষেত্রৰ উন্নয়নৰ লগে লগে মানুহৰ মাজত অসমতাৰ আৰম্ভণি ঘটিছিল। কৃষিক্ষেত্রত কৃষিকার্য্যৰ আৰম্ভণিৰ লগে লগে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটো উদ্ভৱ হৈছিল। মানুহে যথেষ্ট পৰিমাণৰ সম্পত্তি অর্জন কৰিব বিচাৰিছিল। ইয়াৰ ফলত এখন শ্রেণী সমাজৰ সৃষ্টি হৈছিল, যিখন সমাজে ধনী আৰু দুখীয়া দুটা শ্রেণীৰ মানুহৰ জন্ম দিছিল। যেতিয়া সমাজত ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৰ উদ্ভৱ হৈছিল, তেতিয়া মানুহে, বিশেষকৈ ধনী শ্রেণীয়ে এই ব্যক্তিগত সম্পত্তিৰ সুৰক্ষাৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। এই উদ্দেশ্যে ধনী শ্রেণী আৰু দুখীয়া শ্রেণী উভয়ে এখন চৰকাৰ গঠন কৰিবলৈ তেওঁলোকৰ মাজত এখন সামাজিক চুক্তি স্বাক্ষৰৰ বাবে সিদ্ধান্ত গ্রহণ কৰিছিল।

কিন্তু এই সামাজিক চুক্তিখন অর্থনৈতিক অসমতাৰ ভিত্তিত প্রতিষ্ঠিত আছিল। সেয়েহে, এই চৰকাৰখনে কেৱল মাত্র ধনী শ্রেণীৰ স্বার্থৰক্ষাৰ বাবেহে কাম কৰিছিল। দৰাচলতে, এই সামাজিক চুক্তিখন ধনী শ্রেণীটোৱে দুখীয়া শ্রেণীৰ লগত খেলা এক কৌশলহে আছিল। সেইবাবে, প্রথম সামাজিক চুক্তিখনৰ ক্ষেত্রত দুখীয়া শ্রেণীটো যথেষ্ট অসুখী হৈছিল আৰু এই সামাজিক চুক্তিখন নিপাত কৰি দ্বিতীয় এখন সামাজিক চুক্তি স্বাক্ষৰ কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল। দ্বিতীয় সামাজিক চুক্তিখন 'সাধাৰণ ইচ্ছা'ৰ ধাৰণাৰ ওপৰত প্রতিষ্ঠিত আছিল। দ্বিতীয় সামাজিক চুক্তিখনত সকলো মানুহে একেলগ হৈ সকলো ক্ষমতা তেওঁলোকক নিজকেই দিবলৈ সিদ্ধান্ত গ্রহণ কৰিছিল। তেওঁলোকে হ'বচে আৰু লকে কোৱাৰ ধৰণে সকলো ক্ষমতা আৰু স্বাধীনতা এজন ব্যক্তি বা এটা গোষ্ঠীৰ হাতত প্রদান কৰা নাছিল। তেওঁলোকে সার্বভৌম ক্ষমতাৰ অধিকাৰী প্রতিষ্ঠিত কৰিছিল আৰু এই সার্বভৌম অধিকাৰীজন সাধাৰণ ইচ্ছাৰ ভিত্তিত নির্ধাৰিত হৈছিল। এই ক্ষমতা সকলো মানুহৰ হাতত ন্যস্ত আছিল।

এনেদৰে, ৰুছোৰ মতে সমাজ ব্যৱস্থাত ব্যক্তিগত সম্পত্তিৰ আগমনৰ লগে লগে শান্তিপূর্ণ পৰিবেশ আৰু শৃংখলা ভংগ হৈছিল আৰু মানুহে পুৰণি প্রশান্ত আৰু সুখী জীৱনটো ঘুৰাই অনাৰ প্রয়োজনীয়তা অনুভৱ কৰিবলৈ আৰম্ভ কৰিছিল। এই সমস্যাটো এটা সামাজিক বা ৰাজনৈতিক সংঘৰ সৃষ্টিৰ জৰিয়তে সমাধান কৰা হৈছিল যাৰ ক্ষেত্রত সমাজৰ সকলো সদস্যই সন্মতি প্রদান কৰিছিল। এই কথাত লকৰ সৈতে ৰুছো একমত আছিল যে সামাজিক চুক্তিৰ বাধ্যবাধকতাৰ বাবে ব্যক্তিৰ সন্মতি নিতান্তই প্রয়োজনীয়। ব্যক্তিয়ে তেওঁলোকৰ সমস্ত সমাজৰ ওচৰত সমর্পন কৰিছিল যদিও সমাজৰ সদস্য হিচাপে তেওঁলোকে সকলোখিনিৰে অধিকাৰী হৈছিল। এই সামাজিক চুক্তিত প্রত্যেকেই লাভবান হোৱাটো প্রতীয়মান হৈছিল আৰু কোনেও দুর্ভাগ্যজনক বুলি প্রদর্শিত হোৱা নাছিল। এই সামাজিক চুক্তিখনৰ জৰিয়তে ৰুছোৱে জন সার্বভৌমত্ব প্রতিষ্ঠা কৰিব বিচাৰিছিল যাৰ প্রকৃতি আছিল অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য।

ৰুছোই সামাজিক চুক্তি তত্ত্বৰ দুটা দিশ আছিল। তেওঁৰ মতে ব্যক্তি সার্বভৌম কর্তৃত্ব আৰু অন্য ব্যক্তি উভয়ৰে প্রতি দায়ৱদ্ধ আছিল। সম্প্রদায় এটাৰ সর্ব শক্তি প্রয়োগ কৰি ইয়াৰ প্রতিগৰাকী সদস্যৰে স্বাধীনতা আৰু সম্পত্তি ৰক্ষা কৰাৰ উদ্দ্যেশেৰে ৰাষ্ট্র গঠন কৰা হৈছিল। এই চুক্তি মানি লোৱা সকলো ব্যক্তিয়ে আগৰ দৰেই মুক্ত জীৱন যাপন কৰিব পাৰিছিল। সামাজিক চুক্তিৰ ফলশ্রুতিত সৃষ্টি হোৱা ৰাষ্ট্র আছিল এক নৈতিক আৰু সামূহিক অভিকৰণ। ই আছিল প্রতিগৰাকী ব্যক্তিৰ জীৱনৰ সৈতে জড়িত এটা সংগঠন। সমাজৰ প্রতিগৰাকী ব্যক্তিয়েই সচেতন অথবা অচেতনভাৱে এই সংগঠনটোলৈ নিজ নিজ অৱদান আগবঢাইছিল। ব্যক্তিৰ অস্তিত্ব বর্তাই ৰখাৰ ক্ষেত্রত ৰাষ্ট্রই এটা অতি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ৰাষ্ট্রৰ উপস্থিতি অবিহণে ব্যক্তিয়ে নিজৰ স্বাধীনতা আৰু অধিকাৰ উপভোগ কৰিব নোৱাৰে।

ৰুছোৰ সামাজিক চুক্তি তত্ত্বটোৰ এটা বৈশিষ্ট্য হ'ল সমতাৰ ধাৰণাটোৰ উপস্থিতি। ৰুছোৰ দৃষ্টিভংগী অনুসৰি সমতাৰ নীতিৰ বাবে মানুহে নিজৰ সকলো অধিকাৰ সম্পর্ণ কৰিবলৈ আগবাঢ়ি আহে। এই চুক্তিৰ অধীনত ব্যক্তিয়ে সমাজ অথবা সার্বভৌমত্বৰ হাতত নিজৰ অধিকাৰবোৰ সমর্পণ কৰে। কিন্তু একে সময়তে সমাজৰ সদস্য হিচাপে তেওঁলোকে নিজ নিজ অধিকাৰ আৰু স্বাধীনতা নিজৰ সৈতেই ৰাখি থ'ব পাৰে। সামাজিক চুক্তি তত্ত্বটোৰ জৰিয়তে ৰুছোই প্রকাশ কৰা আন এক গুৰুত্বপূর্ণ বিষয় হ'ল- ৰাষ্ট্রৰ দিক্‌নির্দেশনাত ব্যক্তিয়ে ন্যায় তথা অন্য ব্যক্তিৰ প্রতি দয়া প্রদর্শন আদিৰ দৰে ব্যক্তিগত বোধবোৰ বিকশাই তুলিব পাৰে।

৬.৪ সাধাৰণ ইচ্ছা তত্ত্ব

ৰুছোৰ 'সাধাৰণ ইচ্ছা তত্ত্ব'টোৱে ৰাজনৈতিক তত্ত্বৰ জগতখনত এটা গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। ৰুছোৰ সামাজিক চুক্তি তত্ত্ব অনুসৰি ব্যক্তিয়ে এই সাধাৰণ ইচ্ছা অথবা সমূহৰ চূড়ান্ত নির্দেশ মানি লৈ নিজ নিজ ক্ষমতা আৰু সামাজিক স্থিতি সম্পর্ণ কৰে। এই চুক্তিৰ অধীনত গঢ় লোৱা ৰাজনৈতিক ব্যৱস্থাটোৰ মূল হ'ল চৰম ক্ষমতা হস্তগতকৰণ। সকলো নাগৰিকৰ সংশ্লিষ্ট ইচ্ছা এই সাধাৰণ ইচ্ছাত বিলীন হৈ পৰে। সাধাৰণ ইচ্ছাৰ লক্ষ্য হ'ল সকলোৰে সাধাৰণ মংগল

সাধন কৰা। সকলোৰে মনত সাধাৰণ ইচ্ছা জাগিব লাগিব আৰু সকলোৰে ক্ষেত্ৰত এই ইচ্ছা প্ৰযোজ্য হ'ব লাগিব। ৰুছোৰ মতে, সাধাৰণ ইচ্ছা স্ব-বিৰোধী নহয়, ই যুক্তিসংগত। যুক্তি আৰু জ্ঞানৰ ভিত্তিত সাধাৰণ ইচ্ছা গঢ় লৈ উঠে আৰু সকলোৰে মংগল সাধনৰ বাবে এই ইচ্ছাৰ্ প্ৰয়োগ ঘটে।

ৰুছোৱে মত আগবঢ়াইছিল যে ব্যক্তিগত সম্পত্তিয়ে সমাজত আনি দিয়া অৰাজকতাৰ প্ৰতি পৰিশ্ৰান্ত হৈ এজন সাৰ্বভৌম সৃষ্টি কৰাৰ বাবে চিন্তা কৰিছিল। সামাজিক চুক্তিখন ব্যক্তি আৰু ব্যক্তিৰ দ্বাৰা গঠিত সম্প্ৰদায়ৰ মাজত সম্পন্ন হৈছিল যিসকল ব্যক্তিয়ে সমাজ গঠন কৰিছিল। ব্যক্তিসকলে মোটামুটিভাৱে তেওঁলোকৰ সকলো ক্ষমতা আৰু অধিকাৰ সমাজ বা সম্প্ৰদায়ৰ হাতত সমৰ্পন কৰিছিল আৰু সাধাৰণ ইচ্ছাৰ আগত বশ্যতা স্বীকাৰ কৰিছিল, যি চূড়ান্ত বিশ্লেষণ অনুসৰি আছিল সাৰ্বভৌম।

ৰুছোৰ মতে, সাধাৰণ ইচ্ছা হ'ল ব্যক্তিৰ সকলোবোৰ ইচ্ছাৰ সমষ্টি যি ব্যক্তিৰ বুদ্ধি আৰু দূৰদৰ্শিতাৰ ওপৰত প্ৰতিষ্ঠিত। আন কথাত, সাধাৰণ ইচ্ছা হ'ল সকলো ব্যক্তিৰ সমূহীয়া কল্যাণৰ বাবে কৰা ইচ্ছা। ই হ'ল সমূহীয়া চেতনা। ৰুছোৱে বিশ্বাস কৰিছিল যে সাধাৰণ ইচ্ছাৰ ক্ষেত্ৰত কোনো ব্যক্তিয়েই দাস নহয় বা কোনো ব্যক্তিয়েই আনৰ অধীন নহয়, প্ৰত্যেকেই মুক্ত বা স্বাধীন।



জানি থোৱা ভাল

ৰুছোৱে *সাধাৰণ ইচ্ছা* আৰু *সকলোৰে ইচ্ছাৰ* মাজত পাৰ্থক্য দাঙি ধৰিবলৈ চেষ্টা কৰিছে। তেওঁ বিশ্বাস কৰে যে সাধাৰণ ইচ্ছাই মোটামুটিভাৱে সমাজৰ ভালৰ বিষয়ে বিবেচনা কৰে, আনহাতে সকলোৰে ইচ্ছা আত্ম-স্বাৰ্থৰ ভিত্তিত প্ৰতিষ্ঠিত। সাধাৰণ ইচ্ছাৰ ক্ষেত্ৰত সকলো মানুহেই চৰকাৰ, সকলোৱেই শাসক, সকলোৱেই আজ্ঞাপালক আৰু সকলোৱেই প্ৰয়োগকাৰী।

ৰুছোৱে কৈছে যে সাধাৰণ ইচ্ছাৰ ধাৰণাটো তলত উল্লেখ কৰা বৈশিষ্ট্যসমূহৰ জৰিয়তে বিশ্লেষণ কৰিব পাৰি —

- সাধাৰণ ইচ্ছা উৎপত্তিৰ দিশৰপৰা সাধাৰণ। ই সূচায় যে প্ৰত্যেকেই সাধাৰণ ইচ্ছাৰ অংশ হোৱা উচিত। সামাজিক চুক্তিৰ পৰা কোনো ব্যক্তিকেই বাদ দিব নোৱাৰি।
- সাধাৰণ ইচ্ছা উদ্দেশ্যগতভাৱে সাধাৰণ। ই বুজায় যে সাধাৰণ ইচ্ছাৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল সমূহীয়া কল্যাণ সাধন। ই স্বাৰ্থপৰ নহয়।
- সাধাৰণ ইচ্ছা গঠনগতভাৱে সাধাৰণ। ই আইন প্ৰণয়নৰ সৈতে জড়িত। এই আইন সাধাৰণ, বিশেষ নহয়। এই সাধাৰণ আইন সকলোৱে বাস্তৱায়িত কৰা উচিত, সকলোৱে মানি চলা উচিত আৰু সকলোৱে ইয়াৰ পৰা লাভৱান হোৱা উচিত। আইন প্ৰণয়নৰ ক্ষেত্ৰত আইনৰ ভাষা বা বিষয়বস্তু সাধাৰণ হোৱা উচিত। ই কোনো বিশেষ গোষ্ঠীক সম্বোধন কৰাটো উচিত নহয়।

- ৰুছোৱে কৈছে যে মানুহৰ ব্যক্তিগত সম্পত্তি থাকিব, যদিও ইয়ে দুর্নীতিৰ দিশে পথ প্রদর্শিত কৰিব। তেওঁ কৈছে যে যিকোনো সমাজত প্রত্যেকেই সমান পৰিমাণৰ সম্পত্তি লাভ কৰাটো সম্ভৱপৰ নহয়। কিন্তু তেওঁ কৈছে যে মানুহৰ মাজত ব্যক্তিগত সম্পত্তিৰ ক্ষেত্রত থকা বৈসাদৃশ্য চৰম হোৱা উচিত নহয়। ই বুজায় যে এটা শ্রেণীৰ হাতত আন এটা শ্রেণীক কিনিব পৰাকৈ অত্যাধিক পৰিমাণৰ ব্যক্তিগত সম্পত্তি থাকিব নালাগে আৰু এটা শ্রেণীৰ হাতত নিজক বিক্রী কৰিব লগাকৈ যথেষ্ট কম পৰিমাণৰ সম্পত্তিও থাকিব নালাগে। ৰুছোৱে কৈছে যে ধনী আৰু দুখীয়া শ্রেণীৰ মাজৰ পার্থক্য নূন্যতম হোৱা উচিত। এনেদৰে, তেওঁলোকৰ মাজত অর্থনৈতিক সমতা থকা উচিত।
- ৰুছোৱে অংকন কৰাৰ দৰে সাধাৰণ ইচ্ছাৰ প্রকৃতি অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য। এবাৰ বিভাজিত হ'লে ই সাধাৰণ ইচ্ছাৰ পৰিৱর্তে আংশিক ইচ্ছা নামে�ৰেহে বিভূষিত হ'ব।
- ৰুছোৰ মতে, মানুহে তেওঁলোকক নিজক প্রতিনিধিত্ব কৰাৰ কর্তৃত্ব আনৰ হাতত অর্পন কৰাৰ কোনো অধিকাৰ নাই। তেওঁ সাধাৰণ ইচ্ছাৰ জৰিয়তে প্রত্যক্ষ গণতন্ত্র প্রতিষ্ঠা কৰাত বিশ্বাসী।

ৰুছোৰ সাধাৰণ ইচ্ছা তত্ত্বটো তীব্র সমালোচনাৰ সন্মুখীন হৈছে —

- ৰুছোৱে কৈছে যে কেৱল প্রত্যক্ষ গণতন্ত্রতহে মানুহৰ সাধাৰণ ইচ্ছা বর্তি থাকিব পাৰে। কিন্তু, সাম্প্রতিক পৰিবেশত বিশাল ভৌগোলিক আকাৰ আৰু জনসংখ্যাৰ বাবে প্রত্যক্ষ গণতন্ত্রৰ ধাৰণাটো অসম্ভৱ। ইয়াৰোপৰি, এখন বিচিত্র দেশত ই সম্পূর্ণৰূপে অসম্ভৱ। ই কেৱল সমজাতীয় দেশতহে সম্ভৱ।
- ৰুছোৱে কৈছে যে সাধাৰণ ইচ্ছা উৎপত্তিৰ ফালৰ পৰা সাধাৰণ। ইয়াৰ অর্থ হ'ল সকলো মানুহেই সাধাৰণ ইচ্ছাৰ অংশ। কিন্তু ৰুছোৱে "সকলো মানুহ"ৰ জৰিয়তে মহিলাসকলক বাদ দি কেৱল মাত্র পুৰুষকলকহে সূচাইছে। ই সাধাৰণ ইচ্ছাৰ আংশিক বৈশিষ্ট্যক প্রতিফলিত কৰে।
- ৰুছোৱে কৈছে যে সাধাৰণ ইচ্ছা আনৰ দ্বাৰা প্রতিনিধিত্ব কৰিব নোৱাৰি। কিন্তু পিছ মূহুর্ততে তেওঁ কৈছে যে মহিলাসকলৰ ইচ্ছাক পুৰুষসকলে প্রতিনিধিত্ব কৰিব পাৰে। গতিকে, সমালোচকসকলৰ মতে, ৰুছো তেওঁৰ নিজৰ মতামতৰ ক্ষেত্রতেই পৰস্পৰ বিৰোধী।
- সমালোচকসকলৰ মতে সাধাৰণ ইচ্ছাই মানুহক জীয়াই থকাৰ অধিকাৰ প্রদান নকৰে। যিহেতু সকলো মানুহেই সাধাৰণ ইচ্ছাৰ অংশ, সেয়েহে সকলোৱে সকলোৰে দ্বাৰা গ্রহণ কৰা সিদ্ধান্ত মানি চলিবই লাগিব। যদি সাধাৰণ ইচ্ছাৰ ভিত্তিত গ্রহণ কৰা সিদ্ধান্তৰ বাবে এজন ব্যক্তিৰ জীৱন বিপন্ন হয়, তেতিয়া সেই ব্যক্তিজনৰ ওচৰত সাধাৰণ ইচ্ছাৰ সিদ্ধান্তক অনুসৰণ কৰাৰ বাহিৰে আন কোনো বিকল্প নাথাকে।

- সাধাৰণ ইচ্ছা ইয়াৰ উদ্দেশ্যৰ ক্ষেত্ৰতো সমস্যাযুক্ত। সাধাৰণ ইচ্ছা অনুসৰি মানুহে সমূহীয়া কল্যাণৰ বাবে চিন্তা কৰিব। কিন্তু, সমালোচকসকলৰ মতে কোনোবাই সমূহীয়া কল্যাণৰ বাবে চিন্তা নকৰিবও পাৰে। এই ক্ষেত্ৰত যদি মানুহৰ ওপৰত বল প্ৰয়োগ কৰা হয়, তেতিয়া মানুহৰ স্বাধীনতা নাথাকিব।

এনেবোৰ সমালোচনা স্বত্বেও ই এইটো নুবুজায় যে সাধাৰণ ইচ্ছাৰ ধাৰণাটোৰ মুঠেও কোনো মূল্য নাই। নিসন্দেহে ৰাজনৈতিক তত্ত্বলৈ ইয়াৰ যথেষ্ট গুৰুত্ব আছে। এই তত্ত্বটোৰ সৰ্বাধিক আৱশ্যকতা এয়াই যে বল নহয়, ইচ্ছাই হ'ল ৰাষ্ট্ৰৰ মূল ভিত্তি আৰু এনেদৰে এই তত্ত্বটোৱে ব্যক্তি স্বাৰ্থতকৈ সামাজিক স্বাৰ্থক অগ্ৰাধিকাৰ দি এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সহায় কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰুছোৰ প্ৰথম সামাজিক চুক্তিখন অৰ্থনৈতিক সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত। (শুদ্ধ /অশুদ্ধ)

.....

.....

প্ৰশ্ন ২ ঃ ৰুছোৰ মতে, সামাজিক চুক্তিৰ পৰিণতি কি?

.....

.....

প্ৰশ্ন ৩ ঃ ৰুছোৰ মতে, সামাজিক চুক্তিৰ ভিত্তি কি?

.....

.....

প্ৰশ্ন ৪ ঃ ৰুছোৰ মতে, সাধাৰণ ইচ্ছাৰ প্ৰকৃতি কেনেকুৱা?

.....

.....

৬.৫ ৰাজনৈতিক চিন্তাধাৰালৈ ৰুছোৰ অৱদান

ৰুছো ১৮ শতিকাৰ সেইসকল ৰাজনৈতিক দাৰ্শনিকসকলৰ মাজৰ এজন যিসকলে তেওঁলোকৰ নিজৰ সময়ছোৱাত অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু বৰ্তমান সময়তো এই প্ৰভাৱ ক্ৰমান্বয়ে বাঢ়ি আছে। এইটোও কোৱা হয় যে তেওঁৰ সাধাৰণ ইচ্ছা তত্ত্বটো পৰৱৰ্তী ৰাজনৈতিক দাৰ্শনিকসকলৰ বাবে পথপ্ৰদৰ্শক হিচাপে পৰিগণিত হৈছিল যিসকলে ব্যক্তিৰ অধিকাৰ দাবী কৰাত আগ্ৰহী হৈছিল আৰু ব্যক্তিবাদত বিশ্বাস কৰিছিল। তেওঁৰ সাধাৰণ ইচ্ছা তত্ত্ব আৰু তেওঁৰ লেখনিয়ে অষ্টাদশ শতিকাত সৰ্বত্ৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হৈছিল।

ৰাজনৈতিক দৰ্শনৰ ক্ষেত্ৰখনলৈ তেওঁৰ আন এক গুৰুত্বপূৰ্ণ অৱদান এই যে এৰিষ্টটলৰ পিছত তেওঁ প্ৰচাৰ কৰিছিল যে মানুহ এক ৰাজনৈতিক জীৱ। এয়া আছিল মেকিয়াভেলি আৰু হ'ব্চে প্ৰচাৰ কৰা ৰাজনৈতিক দৰ্শনৰ বিৰোধী আৰু যিসকলে বিশ্বাস কৰিছিল যে মানুহ অহংকাৰী আৰু আক্ৰমণাত্মক আৰু সেয়েহে মানুহৰ আবেগ সংযত হোৱা উচিত। তেওঁ মধ্যযুগৰ পৰম্পৰাগত তত্ত্বসমূহক চিৰদিনৰ বাবে বিদায় দিছিল।

ৰুছোৱে জাতি-ৰাষ্ট্ৰৰ ধাৰণাটোৰ ওপৰত বিশ্বাস কৰা নাছিল, কাৰণ তেওঁ বিশ্বাস কৰিছিল যে সেই সময়ত স্বাধীন নাগৰিকতাৰ ধাৰণাটো আছিল অসম্ভৱ। যি কি নহওঁক, তেওঁ জাতীয় সংহতি আৰু একতাৰ বিষয়ে উল্লেখ কৰি সেই সময়ছোৱাৰ ৰাজনৈতিক দৰ্শনলৈ তেওঁৰ অৱদান আগবঢ়াইছিল। যদিও তেওঁ নিজে এজন জাতীয়তাবাদী নাছিল, তেওঁ জাতীয়তাবাদৰ সপক্ষে থিয় দিছিল।

ৰুছোৰ বিষয়ে কোৱা হয় যে তেওঁৰ ৰাজনৈতিক দৰ্শনে একতা, সংহতি আৰু জাতীয় একীকৰণৰ ধাৰণা প্ৰচাৰ কৰিছিল আৰু জ্যাঁ বদা আৰু হ'ব্চৰ দৰে তেওঁ জাতীয়তাবাদৰ ধাৰণা আগবঢ়াইছিল।

ৰুছোৱে কৈছে যে জনসাধাৰণেই হৈছে চূড়ান্ত কৰ্তৃত্ব আৰু সকলো ৰাজনৈতিক কৰ্তৃত্ব প্ৰদানৰ উৎস আৰু চৰকাৰ হ'ল এই সাৰ্বভৌম কৰ্তৃত্বই প্ৰদান কৰা নিৰ্দেশনাসমূহ কাৰ্যকৰী কৰা কেৱল মাত্ৰ এটা সংস্থা।

আমি জানিছো যে ৰুছোৰ ৰাজনৈতিক দৰ্শনে তেওঁৰ সময়ছোৱাত যথোচিত প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ স্বাধীনতা আৰু সমতাৰ ধাৰণা যে ১৭৮৯ চনৰ ফৰাছী বিপ্লৱৰ বাবে দায়ী আছিল, সেয়া কোনেও নুই কৰিব নোৱাৰে। তেওঁৰ ৰাজনৈতিক দৰ্শন বিপ্লৱৰ পিছৰ সময়ছোৱাত, অন্ততঃ নেপোলিয়নৰ উত্থানৰ সময়ছোৱালৈ ফৰাছী লোকসকলৰ বাবে কেৱল মাত্ৰ অনুপ্ৰেৰণাৰ এক উৎসই নাছিল, লগতে পথনিৰ্দেশক শক্তিও আছিল।

আমি তেওঁৰ অৱদানৰ বিষয়ে ইয়াকে কৈ সামৰণি মাৰিব পাৰো যে, সাধাৰণ ইচ্ছাৰ ধাৰণাই হ'ল ৰুছোৰ দৰ্শনৰ মূলকথা আৰু সম্ভৱতঃ ৰাজনৈতিক চিন্তাধাৰালৈ এইয়াই তেওঁৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অৱদান। তেওঁ জনসাধাৰণক ৰাজনৈতিক কৰ্তৃত্বৰ চৰম উৎস হিচাপে প্ৰদৰ্শিত কৰিছে। তেওঁ এই মতৰ ওপৰত জোৰ প্ৰদান কৰিছে যে ৰাষ্ট্ৰ হ'ল সামাজিক সংগঠন, ই হ'ল সমূহীয়া নীতিবোধ আৰু সাধাৰণ ইচ্ছা। তেওঁ এই মতবাদটো সমৰ্থন কৰে যে ৰাজনৈতিক দায়বদ্ধতাৰ মূল ভিত্তি হ'ল সন্মতি।



৬.১ চিন্তা-চৰ্চা কৰক

সামাজিক চুক্তিতত্ত্ববিদ হবচ্, ল'ক আৰু ৰুছোৰ ৰাজনৈতিক দৰ্শনৰ মাজৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ বিচাৰি উলিয়াবলৈ যত্ন কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ ৰুছোৰ মতে, মানুহ এজন ৰাজনৈতিক জীৱ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৬ ঃ ৰুছোৰ মতে, কর্তৃত্বৰ চৰম উৎস কোন?

.....

প্রশ্ন ৭ ঃ ৰুছোৰ সাধাৰণ ইচ্ছাতত্ত্বৰ দুটা আঁসোৱাহ লিখক।

.....

.....



৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ফৰাছী চিন্তাবিদ জ্যাঁ জেক ৰুছো (১৭১২-১৭৭০ খৃষ্টাব্দ) আধুনিক যুগৰ গুৰুত্বপূর্ণ চিন্তাবিদ সকলৰ মাজৰ এজন আছিল। তেওঁ লিখা কেইখন মান গুৰুত্বপূর্ণ গ্রন্থ হ'ল- *To Essays Written for Academy, Contract Social, The Dialogues* and *The Reveries*।
- ৰুছোৰ মতে, পোন প্রথমে জনসাধাৰণে বিশেষকৈ ধনী শ্রেণীয়ে তেওঁলোকৰ ব্যক্তিগত সম্পত্তিৰ সুৰক্ষাৰ বাবে এখন সামাজিক চুক্তি স্বাক্ষৰ কৰাৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। কিন্তু প্রথম সামাজিক চুক্তিখন ভংগ হৈছিল, যিহেতু ই অর্থনৈতিক অসমতাৰ ভিত্তিত প্রতিষ্ঠিত আছিল।
- ইয়াৰ পিছত সাধাৰণ ইচ্ছাক মূল ভিত্তি হিচাপে লৈ দ্বিতীয়খন সামাজিক চুক্তি স্বাক্ষৰিত হৈছিল। এই সামাজিক চুক্তিখনৰ জৰিয়তে ৰুছোৱে জন সার্বভৌমত্ব প্রতিষ্ঠা কৰিব বিচাৰিছিল।
- ৰুছোৱে সাধাৰণ ইচ্ছাক সকলো ব্যক্তিৰে সমূহীয়া কল্যাণ সাধনৰ বাবে প্রকাশ কৰা ইচ্ছা হিচাপে অভিহিত কৰিছে। সাধাৰণ ইচ্ছা উৎসগতভাৱে, উদ্দেশ্যগতভাৱে আৰু গঠনগতভাৱে সাধাৰণ। সাধাৰণ ইচ্ছাই অর্থনৈতিক সমতাক প্রতিনিধিত্ব কৰে।
- সাধাৰণ ইচ্ছাৰ প্রকৃতি অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য। তেওঁ সাধাৰণ ইচ্ছাৰ জৰিয়তে প্রত্যক্ষ গণতন্ত্র প্রতিষ্ঠা কৰাত বিশ্বাসী।
- ৰাজনৈতিক চিন্তাধাৰাৰ ইতিহাসলৈ ৰুছোৰ আটাইতকৈ গুৰুত্বপূর্ণ অৱদানটো হ'ল তেওঁৰ সাধাৰণ ইচ্ছাৰ ধাৰণা।
- জনসাধাৰণক ক্ষমতাৰ চৰম আধাৰ হিচাপে অভিহিত কৰি ৰাজনৈতিক তত্ত্বৰ দিশলৈ তেওঁৰ অৱদান আগবঢ়াইছে। ইয়াৰোপৰি, তেওঁৰ ৰাজনৈতিক দর্শনে মানুহক এক ৰাজনৈতিক

জীৱ হিচাপে অভিহিত কৰিছে আৰু একতা, সংহতি আৰু জাতীয় একীকৰণৰ ধাৰণাক সমর্থন কৰিছে।

- এনেবোৰ সমালোচনা স্বত্বেও ই এইটো নুবুজায় যে সাধাৰণ ইচ্ছাৰ ধাৰণাটোৰ মুঠেও কোনো মূল্য নাই। নিসন্দেহে ৰাজনৈতিক তত্ত্বলৈ ইয়াৰ যথেষ্ট গুৰুত্ব আছে। এই তত্ত্বটোৱে ব্যক্তি স্বার্থতকৈ সামাজিক স্বার্থক অগ্রাধিকাৰ দি এখন আদর্শ ৰাষ্ট্র প্রতিষ্ঠাৰ ক্ষেত্রত সহায় কৰিছে।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.
2. Gogoi, P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
3. Jha, S. (2010). *Western political thought: From Plato to Marx*. New Delhi: Dorling Kindersley.
4. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.
5. Nelson, B. R. (1996). *Western political thought: From Socrates to the age of ideology*. New Delhi: Dorling Kindersley.
6. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.
7. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্রন্থঃ

১) পাল, কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্রকাশন।

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

২ নং প্রশ্নৰ উত্তৰ ঃ জন সার্বভৌমত্বৰ প্রতিষ্ঠা।

৩ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ ইচ্ছা।

৪ নং প্রশ্নৰ উত্তৰ ঃ অসীম, অবিভাজ্য আৰু অহস্তান্তৰযোগ্য।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ জনসাধাৰণ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ৰুছোৰ সাধাৰণ ইচ্ছাতত্ত্বৰ দুটা আঁসোৱাহ হ'ল-

১) সমালোচকসকলৰ মতে সাধাৰণ ইচ্ছাই মানুহক জীয়াই থকাৰ অধিকাৰ প্রদান নকৰে। যিহেতু সকলো মানুহেই সাধাৰণ ইচ্ছাৰ অংশ, সেয়েহে সকলোৱে সকলোৰে দ্বাৰা গ্রহণ কৰা সিদ্ধান্ত মানি চলিবই লাগিব। যদি সাধাৰণ ইচ্ছাৰ ভিত্তিত গ্রহণ কৰা সিদ্ধান্তৰ বাবে এজন ব্যক্তিৰ জীৱন বিপন্ন হয়, তেতিয়া সেই ব্যক্তিজনৰ ওচৰত সাধাৰণ ইচ্ছাৰ সিদ্ধান্তক অনুসৰণ কৰাৰ বাহিৰে আন কোনো বিকল্প নাথাকে।

২) সাধাৰণ ইচ্ছা ইয়াৰ উদ্দেশ্যৰ ক্ষেত্রতো সমস্যাযুক্ত। সাধাৰণ ইচ্ছা অনুসৰি মানুহে সমূহীয়া কল্যাণৰ বাবে চিন্তা কৰিব। কিন্তু, সমালোচকসকলৰ মতে কোনোবাই সমূহীয়া কল্যাণৰ বাবে চিন্তা নকৰিবও পাৰে। এই ক্ষেত্রত যদি মানুহৰ ওপৰত বল প্রয়োগ কৰা হয়, তেতিয়া মানুহৰ স্বাধীনতা নাথাকিব।



৬.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ ৰুছোৰ প্রথম আৰু দ্বিতীয় সামাজিক চুক্তিৰ মূল ভিত্তি কি?

প্রশ্ন ২ ঃ সাধাৰণ ইচ্ছা বুলিলে কি বুজে?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ ৰুছোৰ সাধাৰণ ইচ্ছাৰ যিকোনো চাৰিটা বৈশিষ্ট্য আঙুলিয়াই দিয়ক।

প্রশ্ন ৩ ঃ "সাধাৰণ ইচ্ছা উৎপত্তিগতভাৱে, উদ্দেশ্যগতভাৱে আৰু গঠনগতভাৱে সাধাৰণ।" চমুকৈ ব্যাখ্যা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰুছোৰ সাধাৰণ ইচ্ছা তত্ত্বটোৰ সমালোচনাৰ সৈতে বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ২ ঃ ৰুছোৰ সামাজিক চুক্তি তত্ত্বটো আলোচনা কৰক।

প্রশ্ন ৩ ঃ ৰাজনৈতিক চিন্তাধাৰাৰ ইতিহাসলৈ ৰুছোৰ অৱদানৰ বিষয়ে মূল্যায়ন কৰক।

****

অধ্যায় ৭ঃ জেৰমি বেন্থাম আৰু জন ষ্টুৱার্ট মিল

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ উপযোগিতাবাদৰ প্রধান বৈশিষ্ট্যসমূহ
৭.৪ জেৰমি বেন্থাম ঃ উপযোগিতাবাদ সম্পর্কে মতামত
৭.৫ জন ষ্টুৱার্ট মিল ঃ উপযোগিতাবাদ সম্পর্কে মতামত
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- উপযোগিতাবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- উপযোগিতাবাদ সম্পর্কে জেৰমি বেন্থামৰ মতামত বিশ্লেষণ কৰিব পাৰিব
- উপযোগিতাবাদ সম্পর্কে জন ষ্টুৱার্ট মিলৰ মতামত ব্যাখ্যা কৰিব পাৰিব।

৭.২ পৰিচয়

আগৰ অধ্যায়বোৰত আমি চুক্তিতত্ত্ববিদসকলৰ অর্থাৎ হ'বচ, লক আৰু ৰুছোৰ মতামতসমুহ আলোচনা কৰাৰ পাছত এতিয়া আমি জেৰমি বেন্থাম আৰু জন ষ্টুৱার্ট মিলৰ এটা গুৰুত্বপূর্ণ তত্ত্ব উপযোগিতাবাদ সম্পর্কে আলোচনা কৰিম। উপযোগিতাবাদী দর্শনৰ বিষয়ে আলোচনা কৰিবলৈ আৰম্ভ কৰাৰ আগতে এইটো স্পষ্ট কৰি দিয়া ভাল যে ই কোনো নতুন বা মৌলিক দর্শন নহয়। এতিয়া প্রতীয়মান হৈছে যে ১৮৭২ চনত ৰিচার্ড কাম্বাৰলেণ্ডে তেওঁৰ "প্রাকৃতিক আইন"ৰ ওপৰত লিখিত গ্রন্থখনত উপযোগিতাবাদী ধাৰণাৰ বিষয়ে প্রকাশ কৰিছিল। ফ্রেন্সিচ হাট্ছচনে এই ধাৰণাটোক "সর্বাধিক লোকৰ সর্বাধিক কল্যাণ সাধন" হিচাপে সংজ্ঞাবদ্ধ কৰি ইয়াক আৰু অধিক বাস্তৱ ৰূপ প্রদান কৰিছিল। ইংলেণ্ডৰ প্রিছট্লি আৰু ফ্রান্সৰ হেলভেটিয়াছ এই চিন্তাধাৰাৰ আন আন অগ্রদূতসকলৰ ভিতৰত অন্যতম আছিল। আনকি উপযোগিতাবাদ শব্দটো উদ্ভাৱন কৰা কৃতিত্বও প্রথমজন উপযোগিতাবাদী বেন্থামলৈ প্রদান কৰিব নোৱাৰি, ইয়াৰ বিপৰীতে মিলেহে তেওঁৰ এখন গ্রন্থত উপযোগিতাবাদ শব্দটো ব্যৱহাৰ কৰিছিল। এই অধ্যায়ত আমি জেৰমি বেন্থাম আৰু জন ষ্টুৱার্ট মিলে আগবঢ়োৱা উপযোগিতাবাদ তত্ত্ব সম্পর্কে আলোচনা কৰিম।

৭.৩ উপযোগিতাবাদৰ প্রধান বৈশিষ্ট্যসমূহ

উপযোগীতাবাদৰ বিভিন্ন বৈশিষ্ট থকা দেখা যায়। ইয়াৰে কিছুমান তলত উল্লেখ কৰা হ'ল।

- মানুহে সকলো বস্তুৰ মূল্য সুখ আৰু দুখৰ দ্বাৰাই নির্ণয় কৰে। মানুহে সদায় সুখৰ অনুসন্ধান কৰে। যি কামে মানুহক সুখ প্রদান কৰে সি ভাল আৰু যি কামে মানুহক দুখ প্রদান কৰে সি বেয়া।
- উপযোগিতাবাদীসকলে নৈতিক মূল্যবোধত বিশ্বাস কৰে আৰু সেই দৃষ্টিকোণৰ পৰাই সকলো বস্তু বিচাৰ কৰে। মানুহৰ উন্নত নৈতিক চৰিত্র থকা আৰু সর্বাধিক নৈতিক বিকাশ হোৱাটো অত্যন্ত প্রয়োজনীয়।
- তেওঁলোকে অধ্যয়নৰ বাবে আৰোহণ প্রণালী আৰু পৰীক্ষামূলক প্রণালী ব্যৱহাৰ কৰে। ই প্রয়োজনীয়, কাৰণ প্রতিটো সমস্যাৰ প্রতি তেওঁলোকৰ দৃষ্টিভংগী ব্যৱহাৰিক। তেওঁলোকে বক্তৃতাকক্ষৰ চাৰিসীমাৰ ভিতৰত আবদ্ধ হৈ নাথাকে, ইয়াৰ বিপৰীতে তেওঁলোকে তেওঁলোকৰ তত্ত্বসমূহ আমাৰ দৈনন্দিন জীৱনত সংঘটিত হৈ থকা বাস্তৱ ঘটনাসমূহৰ আলমত ব্যাখ্যা কৰে।
- তেওঁলোকে বিশ্বাস কৰে যে মানুহ আৰু সমাজ অবিচ্ছেদ্য। আন কথাত, তেওঁলোকে এই ধাৰণাটোৰ ওপৰত গুৰুত্ব প্রদান কৰে যে মানুহ সমাজৰ এক অবিচ্ছেদ্য অংশ, যাৰ অবিহনে মানুহে এক সুখী আৰু আনন্দময় জীৱন অতিবাহিত কৰাটো সম্ভৱপৰ নহয়।
- তেওঁলোকে সর্বাধিক সংখ্যক লোকৰ সর্বাধিক কল্যাণ সাধনৰ সপক্ষে থিয় দিয়ে। জনসাধাৰণৰ নৈতিক বিকাশ উন্নীত কৰি, তেওঁলোকৰ অগ্রগতি চোৱাচিতা কৰি আৰু তেওঁলোকক সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, মানসিক, নৈতিক আৰু শাৰীৰিকভাৱে উন্নয়ন সাধন কৰি এই উদ্দেশ্যত উপনীত হ'ব পাৰি।
- তেওঁলোকে দৃঢ় মত পোষণ কৰে যে ৰাষ্ট্র হ'ল এক প্রয়োজনীয় অশুভ আৰু ৰাষ্ট্রক সন্মান কৰিব লাগে, কাৰণ ৰাষ্ট্র অবিহনে মানুহে অবাধ প্রগতিৰ দিশলৈ ধাৱমান হ'ব নোৱাৰে। মানুহৰ স্বাভাৱিক উন্নয়ন আৰু প্রগতিৰ ক্ষেত্রত আহিব পৰা বাধাসমূহ ৰোধ কৰাৰ বাবে ৰাষ্ট্র প্রয়োজনীয়।
- উপযোগিতাবাদীসকলে সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখৰ ধাৰণাটোৰ ওপৰত বিশ্বাস কৰে। আন কথাত, তেওঁলোকে মত পোষণ কৰে যে সুখ সমাজৰ কেৱল মাত্র এটা শাখা বা শ্রেণীৰ একচেটীয়া অধিকাৰ হ'ব নালাগে, ইয়াৰ বিপৰীতে ই সর্বাধিক সংখ্যক লোকৰ পক্ষে হ'ব লাগে। কেনেকৈ আৰু কি পর্যায়লৈ ৰাষ্ট্রই সুখ বৃদ্ধি কৰিব পাৰে, কেৱল মাত্র সেই ভিত্তিতহে ৰাষ্ট্রৰ অস্তিত্ব বিচাৰ কৰিব পাৰি।
- উপযোগিতাবাদীসকলে মত পোষণ কৰে যে ৰাষ্ট্র কেতিয়াও প্রাকৃতিক প্রয়োজনীয়তা নহয়, ই মানুহে প্রয়োজনীয়তা পূৰণ কৰিবৰ বাবে কৰা আশাৰ ফল। মানুহৰ প্রাকৃতিক অধিকাৰক ৰাষ্ট্রই সুৰক্ষা প্রদান কৰে। তেওঁলোকে নীতিশাস্ত্র আৰু ৰাজনীতিক সংযোজিত কৰিবলৈ

চেষ্টা কৰে আৰু অনুভৱ কৰে যে এখন ৰাষ্ট্ৰ নৈতিক চিন্তাৰ পৰা মুক্ত হ'ব নোৱাৰে। তেওঁলোকে বিশ্বাস কৰে যে ৰাষ্ট্ৰ শেষ পৰিণতি নহয়, ই শেষ পৰিণতিলৈ গমন কৰা এক মাধ্যমহে।

৭.৪ জেৰমি বেন্থাম ঃ উপযোগিতাবাদ সম্পৰ্কে মতামত

জেৰমি বেন্থাম ইংলেণ্ডৰ এজন ৰাজনৈতিক দাৰ্শনিক, যাক উপযোগিতাবাদী দৰ্শনক এক প্ৰণালীবদ্ধ ৰূপ প্ৰদান কৰা আৰু সেই দৰ্শনক চিন্তাধাৰালৈ উন্নীত কৰি বৈজ্ঞানিক পথত প্ৰতিষ্ঠা কৰাৰ কৃতিত্ব প্ৰদান কৰা হয়। তেওঁৰ দৰ্শনক মিলে ৰূপান্তৰ কৰিছে, কিন্তু তৎস্বত্ত্বেও তেওঁৰ দৰ্শনক আজিও অতি গম্ভীৰভাৱে অধ্যয়ন কৰা হয়। তেওঁ বহুতো গ্ৰন্থ লিখি উলিয়াইছে যাৰ ভিতৰত *Constitutional Code* আৰু *Introduction to the Principles of Morals and Legislation* নামৰ গ্ৰন্থ দুখন আটাইতকৈ গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হয়। তেওঁ "দাৰ্শনিক মৌলিকতাবাদী" (Philosophical Radicals) নামেৰে এটা অতি গুৰুত্বপূৰ্ণ গোষ্ঠীৰ সৈতে সংযুক্ত আছিল।

বেন্থামে তেওঁৰ উপযোগিতাবাদৰ ধাৰণা এনেদৰে আৰম্ভ কৰিছে যে "প্ৰকৃতিয়ে মানৱ জাতিক দুখ আৰু সুখ এই দুটা সাৰ্বভৌম অধিকাৰীৰ শাসনৰ অধীনত স্থাপিত কৰিছে। আমি কি কৰা উচিত, লগতে আমি কি কৰিম সেই সকলোবোৰৰ সিদ্ধান্ত এই দুই অধিকাৰীয়ে নিৰ্ধাৰণ কৰে।" বেন্থামে এই সুখ আৰু দুখক যুক্তি নহয়, অনুভূতি হিচাপে অভিহিত কৰিছে। প্ৰাকৃতিকভাৱে, ইহঁত দুটা গুৰুত্বপূৰ্ণ সংবেদন, যাৰ দ্বাৰা মানুহ প্ৰভাৱিত হয়। সুখ বৃদ্ধি কৰা আৰু দুখ হ্ৰাস কৰা এই দুটা মানুহৰ সাধাৰণ ইচ্ছা। মানুহে সদায় সেই অভিমুখেহে গতি কৰে, যিয়ে অধিক আনন্দ আৰু কম দুখ সৃষ্টি কৰিব পাৰে। মানুহে একেটা কামৰ পুনৰাবৃত্তি কৰি ভাল পায়, যিটো কামে সৰ্বাধিক আনন্দ সৃষ্টি কৰিব পাৰে। যিটো কামে সৰ্বাধিক আনন্দ সৃষ্টি কৰিব পাৰে, সেই কামটোক বেন্থামে উপযোগিতা বুলি গণ্য কৰিছে। উপযোগিতাই এটা বিশেষ কামৰ উপকাৰিতা বা কাৰ্যকাৰিতাক সূচায়। বেন্থামে আকৌ কৈছে যে সেই কামটোৰ আনন্দ বৃদ্ধি কৰা সামৰ্থ্য থাকিলেই নহ'ব, লগতে দুখ হ্ৰাস কৰা সামৰ্থ্যও থাকিব লাগিব।

যেতিয়া হ'বছে সুখ আৰু আনন্দৰ বিষয়ে কৈছিল, তাত নৈতিকতা অনুপস্থিত আছিল। কিন্তু, বেন্থামৰ মতে সৰ্বাধিক সুখ সৰ্বাধিক সংখ্যক লোকৰ বাবে হোৱা উচিত। সেয়েহে, বেন্থামৰ তত্ত্বটো নৈতিক। আন কথাত, হ'বচৰ তত্ত্বটোত কেৱল মাত্ৰ ব্যক্তিগত সুখহে আছিল, তাত আনৰ সুখৰ কথা উল্লেখ নাছিল। কিন্তু বেন্থামৰ তত্ত্ব অনুসৰি, যেতিয়া এজন ব্যক্তিয়ে সৰ্বাধিক সুখৰ সৃষ্টি কৰে, একে সময়তে সেই সৰ্বাধিক সুখ সৰ্বাধিক সংখ্যক লোকৰ বাবে হোৱা উচিত। ইয়াকে "সৰ্বাধিক সংখ্যক লোকৰ সৰ্বাধিক আনন্দ" বুলি ক'ব পাৰি। বেন্থামৰ তত্ত্বত এয়াই উপযোগিতাৰ ধাৰণা।

গতিকে, বেন্থামৰ মতে, উপযোগিতা সদায় সংখ্যাধিক লোকৰ বাবে সৰ্বাধিক আনন্দ সৃষ্টিৰ ওপৰত নিৰ্ভৰশীল। বেন্থামে কৈছে যে যদি এটা বিশেষ কাৰ্যই কিছু সংখ্যক লোকৰ বাবে দুখৰ সৃষ্টি কৰে, কিন্তু ই অধিকাংশ লোকৰ বাবে আনন্দৰ সৃষ্টি কৰিব পাৰে, তেতিয়াও সেই কামটোৰ উপযোগিতা থাকিব পাৰে।

বেন্থামে কৈছে যে আনন্দ আৰু সুখ গণনা কৰিব পাৰি। তেওঁ সুখাবহ কলন (Felicific Calculus) নামেৰে এটা বৈজ্ঞানিক পদ্ধতি প্রদান কৰিছে। সেয়েহে তেওঁ উপযোগিতাবাদক বৈজ্ঞানিক বা বস্তুনিষ্ঠ তত্ত্ব হিচাপে অভিহিত কৰিছে। বেন্থামে সুখ গণনা কৰিবলৈ বিভিন্ন বৈজ্ঞানিক উপায় আগবঢ়াইছে। সেইবোৰ হ'ল —

- **প্রবলতা ঃ** কিছুমান কার্য্য আনতকৈ বেছি শক্তিশালী। এনেকুৱা কার্য্যই আনতকৈ বেছি আনন্দ প্রদান কৰে।
- **স্থিতিকাল ঃ** কিমান সময়ৰ কাৰণে আনন্দ বর্তি থাকে। ইও ধার্য্য কৰে যে আনন্দ কিমান দৃঢ়।
- **নিশ্চয়তা বা অনিশ্চয়তা ঃ** যেতিয়া আমি নির্দিষ্ট কিছুমান কার্য্য কৰোঁ, সেই কার্য্যই পৰিণতি স্বৰূপে আনন্দ দিবও পাৰে বা নিদিবও পাৰে।
- **নিকটবর্তিতা ঃ** সুখ কেনেকৈ ব্যক্তিৰ সৈতে ঘনিষ্ঠভাৱে সংযুক্ত।
- **উর্বৰতা ঃ** সুখৰ এটা কার্য্যক সদায় আন এটা সুখৰ কার্য্যই অনুসৰণ কৰিব লাগে। ই এক ক্রমাগত সুখ।
- **বিশুদ্ধতা ঃ** এটা সুখৰ কার্য্যক এটা দুখৰ কার্য্যই অনুসৰণ কৰিব নালাগে।
- **ব্যাপ্তি ঃ** ই সূচায় যে সুখৰ কার্য্যৰ দ্বাৰা কিমান সংখ্যক লোক প্রভাৱিত হৈছে।

বেন্থামে কৈছে যে এখন সমাজত এজন ব্যক্তিয়ে কেৱল অতি সীমিত সংখ্যক লোকৰ বাবেহে সুখৰ সৃষ্টি কৰিব পাৰে। সেয়েহে, সমাজত কিছুমান নিৰপেক্ষ সংগঠন থকা উচিত যিয়ে সর্বাধিক সংখ্যক লোকৰ বাবে সর্বাধিক সুখৰ সৃষ্টি কৰিব পাৰে। তেওঁৰ মতে, এই নিৰপেক্ষ সংগঠনটো নিশ্চিতভাৱে ৰাষ্ট্র। তেওঁ এখন উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্রৰ সপক্ষে থিয় দিছে, কাৰণ এখন উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্রইহে সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখ নিশ্চিত কৰিব পাৰে।



জানি থোৱা ভাল

বেন্থামে ৰাষ্ট্রক ৰাজনৈতিক সমাজ হিচাপে উল্লেখ কৰিছে। তেওঁৰ মতে, ৰাষ্ট্র কোনো সামাজিক চুক্তিৰ পৰিণতি নহয়। ৰাষ্ট্রৰ আইন সম্পর্কে তেওঁ উল্লেখ কৰিছে যে মানুহে আইনসমূহ মানি নচলে, কাৰণ এই আইনসমূহ কোনো সামাজিক চুক্তিৰ পৰিণতি নহয়। তেওঁ চুক্তিতত্ত্ববাদৰ এজন সমালোচক। মানুহে তেতিয়াহে আইনসমূহ অনুসৰণ কৰে, যেতিয়া সেইবোৰ উপযোগিতাৰ ভিত্তিত প্রতিষ্ঠিত হয়। মানুহে কেৱল সেই আইনসমূহহে মানি চলে যিবোৰ আইনে সর্বাধিক সংখ্যক লোকৰ বাবে সর্বাধিক সুখৰ সৃষ্টি কৰিব পাৰে। যদি কোনো আইনে সর্বাধিক সংখ্যক লোকৰ বাবে সর্বাধিক সুখৰ সৃষ্টি কৰিব নোৱাৰে, তেতিয়া তেনেকুৱা আইনবোৰ দলিয়াই পেলোৱা হয়।)

সমালোচনা ঃ বেন্থামৰ উপযোগিতাৰ তত্ত্বটো তলত উল্লিখিত স্থলসমূহত গুৰুতৰভাৱে সমালোচনা কৰা হৈছে —

- বেন্থামৰ সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখৰ নীতিটো সংখ্যাগৰিষ্ঠৰ সপক্ষেহে। তেওঁক এই ভিত্তিত সমালোচনা কৰা হৈছে যে তেওঁ সংখ্যালঘুসকলৰ সুখক সম্পূর্ণৰূপে অৱজ্ঞা কৰিছে। গতিকে, বেন্থামৰ উপযোগিতাবাদৰ তত্ত্বটো এটা সংখ্যাগৰিষ্ঠৰ পক্ষপাতী তত্ত্ব।
- বেন্থামৰ সুখাবহ কলনৰ ধাৰণাটোও সমালোচনা কৰা হৈছে। কাৰণ, সুখ আৰু দুখৰ গাণিতিকভাৱে পৰিমাপ কৰাটো সম্পূর্ণৰূপে অসম্ভৱ।
- বেন্থামৰ তত্ত্বটোৰ আন এটা দুর্বলতা হ'ল যে তেওঁ সামগ্রিকভাৱে সমাজৰ গুৰুত্ব বুজাত অসমর্থ হৈছে। তেওঁ কেৱল ব্যক্তিগত সুখৰ ওপৰতহে জোৰ দিছে। দৰাচলতে, তেওঁৰ তত্ত্বৰ মূল ভিত্তি সমাজ বা ৰাষ্ট্ৰ নহয়, ব্যক্তিহে। তেওঁ সম্পূর্ণৰূপে পাহৰি গৈছে যে মানুহ সামাজিক প্রাণী আৰু মানুহে সমাজৰ ওপৰত নির্ভৰশীল হ'বই লাগিব। তেওঁ আকৌ পাহৰি গৈছে যে সমাজ অবিহনে ব্যক্তি অসম্পূর্ণ।

এনেদৰে আমি জানিব পাৰো যে সুখ আৰু দুখৰ ব্যাখ্যা আগবঢ়োৱা তেওঁৰ উপযোগিতাবাদৰ তত্ত্বটো কেৱল ত্রুটিপূর্ণ আৰু অবাস্তৱেই নহয়, লগতে ইয়াৰ যুক্তিসন্মত পৰিণতিয়ে নিশ্চিতভাৱে সূচায় যে দার্শনিকজনে বস্তুৰ প্রতি এক সংকীর্ণ দৃষ্টিভংগী গ্রহণ কৰিছে। তেওঁ তেওঁৰ নিজস্ব ধাৰণা অনুসৰি কিছুমান মৌলিক সত্যক ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে যদিও সেই ক্ষেত্রত তেওঁ যথেষ্ট সফল হোৱা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ যিকোনো এজন উপযোগিতাবাদী ৰাজনৈতিক দার্শনিকৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন ২ ঃ উপযোগিতাবাদীসকলৰ মতে, ৰাষ্ট্ৰ হ'ল এক প্রয়োজনীয় অশুভ। (শুদ্ধ /অশুদ্ধ)

.....

.....

প্রশ্ন ৩ ঃ বেন্থামৰ উপযোগিতাবাদী দর্শনৰ মূল নীতিটো কি?

.....

.....

প্রশ্ন ৪ ঃ বেন্থামে কি ধৰণৰ ৰাষ্ট্ৰ সমর্থন কৰে?

.....

.....

প্রশ্ন ৫ ঃ বেন্থামে মতে, সুখ গণনা কৰা বৈজ্ঞানিক পদ্ধতিটো কি?

.....

.....



৭.১ চিন্তা-চর্চা কৰক

বেন্থামৰ উপযোগিতাবাদী দর্শনত উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্রৰ কার্যসমূহ বিচাৰি উলিয়াবলৈ যত্ন কৰক।

৭.৫ জন ষ্টুৱার্ট মিল ঃ উপযোগিতাবাদ সম্পর্কে মতামত

জন ষ্টুৱার্ট মিল জেমচ মিলৰ জ্যেষ্ঠ সন্তান। তেওঁ লণ্ডনত জন্ম হৈছিল আৰু তেওঁৰ দেউতাক আৰু দেউতাকৰ বন্ধু জেৰমি বেন্থামৰ দ্বাৰা অত্যন্ত প্রভাৱান্বিত হৈছিল। তেওঁ এজন সমর্পিত উপযোগিতাবাদী হিচাপে তেওঁৰ দার্শনিক জীৱনৰ পাতনি মেলিছিল। তেওঁ বেন্থাম আৰু জেমচ মিলৰ দ্বাৰা প্রতিষ্ঠিত দার্শনিক মৌলিকতাবাদী নামৰ গোষ্ঠীটোৰ এজন বিশিষ্ট সদস্য আছিল। উপযোগিতাবাদ আৰু ইয়াৰ প্রধান নীতি, "মানুহৰ প্রত্যেক আকাংক্ষাই কেৱল মাত্র আনন্দকেই ইয়াৰ লক্ষ্য হিচাপে লয়" — এই নীতিটোত এই গোষ্ঠীটোৱে বিশ্বাস কৰিছিল। এজন গুৰুত্বপূর্ণ ব্যক্তি যাক তেওঁ তেওঁৰ জীৱনৰ প্রতিবিম্ব হিচাপে অভিহিত কৰিছিল, তেওঁ আছিল হেৰিয়েট টেইলৰ। মিলৰ কেইখনমান অতি গুৰুত্বপূর্ণ গ্রন্থৰ নাম হ'ল - *Utilitarianism, On Liberty, The Subjection of Women, Considerations on Representative Government, Principles of Political Economy* ইত্যাদি।

মিল আছিল সেই সময়ৰ এজন ব্যক্তি যি সময়ত বেন্থামৰ উপযোগিতা সম্পর্কীয় মতবাদে প্রতিষ্ঠা লাভ কৰিছিল। বেন্থামে প্রচাৰ কৰিছিল যে সুখেই প্রতিটো কাম পৰিমাপনৰ একমাত্র পথ হোৱা উচিত। আন কথাত, বেন্থামে বিশ্বাস কৰিছিল যে জীৱনৰ একমাত্র উদ্দেশ্য হ'ল সুখ বা আনন্দ লাভ কৰা। জীৱনৰ উদ্দেশ্য হ'ল ইয়াক উপভোগ কৰা আৰু ইয়াৰ পৰা আনন্দ আহৰণ কৰা। অতি কম সময়ৰ ভিতৰতে বেন্থামৰ এই তত্ত্বটো অনৈতিক আৰু অধঃপতিত বুলি ব্যাখ্যা আগবঢ়োৱা হৈছিল। এনেদৰে, মিলৰ সন্মুখত প্রধান কার্য্য আছিল বেন্থামৰ তত্ত্বক এই আক্রমণৰ পৰা ৰক্ষা কৰা। যি কি নহওঁক, মিলে কোনো ধৰণৰ দ্বিধা অবিহনে পূর্ণ সাহসেৰে ঘোষণা কৰিছিল যে মৌলিকভাৱে তেওঁ বেন্থামৰ নীতিৰ সৈতে সন্মত।

মিলে সেইবোৰ কার্য্যক শুদ্ধ হিচাপে অভিহিত কৰিছে যিবোৰ কার্য্যই সমানুপাতিকভাৱে সুখ বৃদ্ধি কৰাৰ প্রতি প্রৱণতা প্রকাশ কৰে আৰু সেইবোৰ কার্য্যক অশুদ্ধ হিচাপে অভিহিত কৰিছে যিবোৰ কার্য্যই আনন্দৰ বিপৰীতে যোৱাৰ প্রৱণতা প্রকাশ কৰে। আন কথাত, কেৱল সুখৰ

উপস্থিতি আৰু দুখৰ অনুপস্থিতিয়েই অন্তর্নিহিতভাৱে কাম্য। সুখ বৃদ্ধি কৰা আৰু দুখ হ্রাস কৰা সকলো বস্তুৱেই কাম্য। মিলে উচ্চ পর্যায়ৰ সুখ আৰু নিম্ন পর্যায়ৰ সুখৰ মাজত এক পার্থক্য দাঙি ধৰিছে। এই উচ্চ পর্যায়ৰ সুখ আৰু নিম্ন পর্যায়ৰ সুখৰ মাজৰ পার্থক্য মূল্যবোধ সংক্রান্তীয়হে, পছন্দ সংক্রান্তীয় নহয়।

যি কি নহওঁক, পুংখানুপুংখ আলোচনাৰ ক্ষেত্রত মিল বেন্থামৰ পৰা পৃথক। বেন্থামে মত আগবঢ়াইছে যে গুণগত সুখতকৈ পৰিমাণগত সুখহে অধিক গুৰুত্বপূর্ণ। কিন্তু মিলে পৰিমাণগত সুখৰ পৰিৱর্তে গুণগত সুখৰ সপক্ষেহে থিয় দিছে। তেওঁ বেন্থামৰ পৰা পৃথক যেতিয়া তেওঁ কৈছে যে কেৱল সুখেই একমাত্র উপাদান নহয়, সুখৰ লগতে খ্যাতি বা প্রতিপত্তি নামেৰেও আন এটা উপাদান আছে। বেন্থামে ঘোষণা কৰিছে যে সকলো মানুহেই সুখ আৰু দুখ— এই দুই অধিপতিৰ দ্বাৰা পৰিচালিত হয়, কিন্তু মিলে বিশ্বাস কৰে যে খ্যাতি বা প্রতিপত্তিয়ে এই ক্ষেত্রত প্রাধান্য লাভ কৰে। "এটা গাহৰি সন্তুষ্ট হোৱাতকৈ এজন মানুহ অসন্তুষ্ট হোৱা বেছি ভাল; এজন মূর্খ সন্তুষ্ট হোৱাতকৈ ছক্রেটিছ অসন্তুষ্ট হোৱা বেছি ভাল।

মিলে বিশ্বাস কৰিছিল যে ব্যক্তিগত সুখে সর্বাধিক সুখ প্রদান কৰিব নোৱাৰে, কিন্তু সমূহীয়া সুখে সর্বাধিক সুখ আৰু আনন্দ প্রদান কৰিব পাৰে। এনেদৰে, তেওঁ বিশ্বাস কৰিছিল যে সুখ বাহিৰৰ পৰাহে আহে, ভিতৰৰ পৰা নহয়।

স্বাধীনতাৰ ধাৰণাৰ ক্ষেত্রত মিলে বেন্থামৰ পৰা পৃথক। বেন্থামৰ মতে, সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখেই হ'ল উপযোগিতা। তেওঁ বিশ্বাস কৰিছিল যে উপযোগিতাৰ সৈতে স্বাধীনতাৰ কোনো সম্পর্ক নাই। কিন্তু, মিলে এই কথাত সন্মত হোৱা নাছিল। তেওঁৰ মতে, উপযোগিতাৰ বাবে স্বাধীনতা প্রয়োজনীয় আৰু প্রত্যেকজন ব্যক্তিয়ে স্বাধীনতা উপভোগ কৰাৰ সুযোগ পালেহে সংখ্যালঘূসকলৰ অধিকাৰ সুৰক্ষিত কৰিব পাৰি। এই ক্ষেত্রত তেওঁ মহিলাসকলক সমান অধিকাৰ প্রদান কৰাক অগ্রাধিকাৰ দিছিল। মিলে কৈছিল যে যেতিয়া মহিলাসকলক সমান অধিকাৰ প্রদান কৰা হয়, তেতিয়া মহিলাসকলৰ আনন্দৰ বৃদ্ধি হ'ব। তেতিয়া সমাজত পুৰুষসকলৰ লগতে মহিলাসকলেও সুখী হ'ব। ইয়াৰ ফলত সমাজত সর্বাধিক সংখ্যক লোকে সুখ লাভ কৰিব। ইয়ে সমাজত সর্বাধিক সংখ্যক লোকৰ বাবে সর্বাধিক সুখৰ সৃষ্টি কৰিব। এনেদৰে মিলে মহিলাসকলৰ সৈতে উপযোগিতাৰ সম্পর্ক দাঙি ধৰিছে।

সমালোচনা ঃ মিলক উপযোগিতাবাদৰ পৰিৱর্তন কৰাৰ ক্ষেত্রত সমালোচনা কৰা হৈছে। বেন্থামৰ পৰিমাণগত সুখৰ বিপৰীতে মিলে গুণগত সুখৰ সপক্ষে থিয় দিছে। কিন্তু সমালোচকসকলৰ মতে, যদিও তেওঁ উচ্চ পর্যায়ৰ সুখ আৰু নিম্ন পর্যায়ৰ সুখৰ মাজত এক পার্থক্য দাঙি ধৰিছে, কিন্তু সুখৰ ৰায় দিব পৰা কোনো কর্তৃত্বৰ বিষয়ে তেওঁ উল্লেখ কৰা নাই।

মিল আছিল শেষৰজন মহান উপযোগিতাবাদী যাৰ স্থান আৰু অৱদান সম্পর্কে বিভিন্ন মতামত পোৱা যায়। কিছুমানৰ মতে, বেন্থামৰ ৰাজনৈতিক দর্শনলৈ মিলে কোনো ধৰণৰ নতুন অৱদান আগবঢ়োৱা নাই, কেৱল নিজৰ সময়ৰ লগত খাপ খোৱাকৈ সময়োপযোগী কৰিহে

লৈছে। কিন্তু, তৎসত্ত্বেও এইটো স্বীকাৰ কৰিবই লাগিব যে ইংলেণ্ডৰ ৰাজনৈতিক ব্যৱস্থাত তেওঁ এক অতি গুৰুত্বপূর্ণ আৰু গৌৰৱপূর্ণ স্থান দখল কৰি আহিছে। তেওঁ উপযোগিতাবাদক এনেকুৱা ধৰণে সংশোধন কৰিছিল যাতে ই সেই সময়ৰ প্রত্যাহ্বানসমূহৰ সন্মুখীন হ'ব পাৰে আৰু সকলো বিতর্কৰ সন্মুখত বিদ্যমান হৈ থাকিব পাৰে। যদি সেই দৃশ্যপটত মিলৰ আৰির্ভাৰ নহ'লহেঁতেন, ই সম্পূর্ণৰূপে এক বেলেগ কাহিনী হ'লহেঁতেন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ মিলে কাক তেওঁৰ জীৱনৰ প্রতিবিম্ব হিচাপে অভিহিত কৰিছে?

.....

প্রশ্ন ৭ ঃ মিলে পৰিমাণগত সুখৰ সপক্ষে থিয় দিছে। (শুদ্ধ /অশুদ্ধ)

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- উপযোগিতাবাদ কোনো নতুন বা মৌলিক দর্শন নহয়। এতিয়া প্রতীয়মান হৈছে যে ১৮৭২ চনত ৰিচার্ড কাম্বাৰলেণ্ডে তেওঁৰ "প্রাকৃতিক আইন"ৰ ওপৰত লিখিত গ্রন্থখনত উপযোগিতাবাদী ধাৰণাৰ বিষয়ে প্রকাশ কৰিছিল।
- উপযোগিতাবাদ শব্দটো উদ্ভাৱন কৰা কৃতিত্বও প্রথমজন উপযোগিতাবাদী বেন্থামলৈ প্রদান কৰিব নোৱাৰি, ইয়াৰ বিপৰীতে মিলেহে তেওঁৰ এখন গ্রন্থত উপযোগিতাবাদ শব্দটো ব্যৱহাৰ কৰিছিল।
- জেৰমি বেন্থাম ইংলেণ্ডৰ এজন ৰাজনৈতিক দার্শনিক, যাক উপযোগিতাবাদী দর্শনক এক প্রণালীবদ্ধ ৰূপ প্রদান কৰা আৰু সেই দর্শনক চিন্তাধাৰালৈ উন্নীত কৰি বৈজ্ঞানিক পথত প্রতিষ্ঠা কৰাৰ কৃতিত্ব প্রদান কৰা হয়।
- উপযোগিতাবাদীসকলৰ মতে, মানুহে সকলো বস্তুৰ মূল্য সুখ আৰু দুখৰ দ্বাৰাই নির্ণয় কৰে। তেওঁলোকে নৈতিক মূল্যবোধত বিশ্বাস কৰে। তেওঁলোকে অধ্যয়নৰ বাবে আৰোহণ প্রণালী আৰু পৰীক্ষামূলক প্রণালী ব্যৱহাৰ কৰে। তেওঁলোকে মত পোষণ কৰে যে মানুহ আৰু সমাজ অবিচ্ছেদ্য আৰু ৰাষ্ট্র হ'ল এক প্রয়োজনীয় অশুভ।
- ৰাষ্ট্র কেতিয়াও প্রাকৃতিক প্রয়োজনীয়তা নহয়, ই মানুহে প্রয়োজনীয়তা পূৰণ কৰিবৰ বাবে কৰা আশাৰ ফল। তেওঁলোকে সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখৰ নীতিটোত বিশ্বাস কৰে।

- বেন্থামৰ উপযোগিতাবাদ তত্ত্বটো সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখৰ নীতিটোৰ ভিত্তিত প্রতিষ্ঠিত । তেওঁ সুখ আৰু আনন্দ গণনা কৰিবলৈ সুখাবহ কলন (Felicific Calculus) নামেৰে এটা বৈজ্ঞানিক পদ্ধতি আগবঢ়াইছে।
- তেওঁ সর্বাধিক সংখ্যক লোকৰ বাবে সর্বাধিক সুখৰ সৃষ্টি কৰিবলৈ ৰাষ্ট্ৰ, বিশেষকৈ এখন উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্ৰৰ প্রয়োজনীয়তা অনুভৱ কৰিছে।
- মিলে কেৱল মাত্র বেন্থামৰ উপযোগিতাবাদ তত্ত্বটো সুৰক্ষিত কৰিবলৈহে তেওঁৰ ৰাজনৈতিক দর্শনৰ উপস্থাপন কৰিছে। যদিও মিল বেন্থামৰ উপযোগিতাবাদী দর্শনৰ সৈতে একমত, কিন্তু কিছুমান নির্দিষ্ট বিষয়বস্তু যেনে — পৰিমাণগত সুখ আৰু গুণগত সুখৰ ধাৰণা, স্বাধীনতাৰ ধাৰণা ইত্যাদিৰ ক্ষেত্রত মিল বেন্থামৰ পৰা পৃথক।
- মিলে বিশ্বাস কৰিছিল যে ব্যক্তিগত সুখে সর্বাধিক সুখ প্রদান কৰিব নোৱাৰে, কিন্তু সমূহীয়া সুখে সর্বাধিক সুখ আৰু আনন্দ প্রদান কৰিব পাৰে। এনেদৰে, তেওঁ বিশ্বাস কৰিছিল যে সুখ বাহিৰৰ পৰাহে আহে, ভিতৰৰ পৰা নহয়।
- মিল আছিল শেষৰজন মহান উপযোগিতাবাদী যাৰ স্থান আৰু অৱদান সম্পর্কে বিভিন্ন মতামত পোৱা যায়।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.
2. Gogoi, P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
3. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.
4. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.
5. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্রন্থঃ

১) পাল, কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্রকাশন।



৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জেৰমি বেন্থাম।

২ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰ ঃ সর্বাধিক সংখ্যক লোকৰ সর্বাধিক সুখ।

৪ নং প্রশ্নৰ উত্তৰ ঃ উদাৰনৈতিক গণতান্ত্রিক ৰাষ্ট্র।

৫ নং প্রশ্নৰ উত্তৰ ঃ সুখাবহ কলন।

৬ নং প্রশ্নৰ উত্তৰ ঃ হেৰিয়েট টেইলৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৭.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ উপযোগিতাবাদী চিন্তাধাৰাৰ দুটা মৌলিক বৈশিষ্ট্য উল্লেখ কৰক।

প্রশ্ন ২ ঃ বেন্থামৰ তত্ত্বটো কেনেকৈ নৈতিক বুলি ক'ব পাৰি?

প্রশ্ন ৩ ঃ জন ষ্টুৱার্ট মিলৰ যিকোনো দুখন গুৰুত্বপূর্ণ গ্রন্থৰ নাম উল্লেখ কৰক।

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ উপযোগিতাবাদী দর্শনৰ মতে, ৰাষ্ট্র হ'ল এক প্রয়োজনীয় অশুভ — ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সুখাবহ কলন বুলিলে কি বুজে? সুখ গণনা কৰিব পৰা বৈজ্ঞানিক পদ্ধতিসমূহ উল্লেখ কৰক।

প্রশ্ন ৩ ঃ মিলে কেনেকৈ উপযোগিতাক নাৰীৰ সৈতে সম্পর্কিত কৰিছে?

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ উপযোগিতাবাদৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ২ ঃ বেন্থামৰ ৰাজনৈতিক দর্শনৰ উপযোগিতাবাদী দৃষ্টিকোণৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ কেনেকৈ মিল বেন্থামৰ উপযোগিতাবাদী দর্শনৰ পৰা পৃথক, সমালোচনাৰ সৈতে বিশ্লেষণ আগবঢ়াওক।

****

অধ্যায় ৮ঃ কার্ল মার্ক্স

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্ব
৮.৪ শ্রেণী সংগ্রাম তত্ত্ব
৮.৫ বিচ্ছিন্নকৰণ তত্ত্ব
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্রগতিৰ খতিয়ান
৮.৯ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- কার্ল মার্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্বটো বিশ্লেষণ কৰিব পাৰিব
- কার্ল মার্ক্সৰ শ্রেণী সংগ্রাম তত্ত্বটো ব্যাখ্যা কৰিব পাৰিব
- কার্ল মার্ক্সৰ বিচ্ছিন্নকৰণ তত্ত্বটো আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

সাম্যবাদৰ প্রতিষ্ঠাতা আৰু মুখ্য পৃষ্ঠপোষক কার্ল মার্ক্স তেওঁৰ সময়ৰ আটাইতকৈ বিপ্লৱী লেখক, চিন্তাবিদ আৰু দার্শনিক আছিল। তেওঁ তেওঁৰ লেখনিৰ দ্বাৰা ইতিহাসৰ গতিপথ সলনি কৰিছিল আৰু ইয়াক এক নতুন বুনিয়াদ আৰু স্থিতিবোধৰ সৈতে সামগ্রিকভাৱে এক নতুন আৰু পৃথক দৃষ্টিভংগী প্রদান কৰিছিল। তেওঁৰ বিপ্লৱী আৰু মৌলবাদী ধাৰণাৰ বাবে তেওঁ নির্বাসনত থাকিবলগা হৈছিল, এখন ৰাষ্ট্রৰ পৰা আন এখন ৰাষ্ট্রলৈ বহিষ্কৃত হ'ব লগা হৈছিল আৰু তেওঁৰ ব্যক্তিগত স্বাচ্ছন্দ্য আৰু সাংসাৰিক জীৱন বিসর্জন দিব লগা হৈছিল। কিন্তু তথাপিও তেওঁ তেওঁৰ প্রচেষ্টা অব্যাহত ৰাখিছিল আৰু সম্পূর্ণ দৃঢ় মানসিকতাৰ সৈতে তেওঁৰ জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰিছিল। তেওঁৰ দর্শনৰ মূল নীতিসমূহ তেওঁৰ জীৱনৰ সৈতে সংগ্রামৰ এক পৰিণতি আৰু তেওঁৰ ব্যৱহাৰিক জীৱনৰ অভিজ্ঞতাৰ ভিত্তিত প্রতিষ্ঠিত। সেয়েহে তেওঁৰ দর্শন কোনো তত্ত্বৰ ভিত্তিত প্রতিষ্ঠিত নহয়, জীৱনৰ কঠিন বাস্তৱৰ ভিত্তিত প্রতিষ্ঠিত। ই ব্যৱহাৰিক দিশৰ সৈতে গুৰুতৰভাৱে সংস্পর্শিত আৰু সেয়েহে পৰিশ্রমী আৰু পীড়াত ভুগি থকা সকলো লোককে আবেদন কৰিছিল। তেওঁ তেওঁৰ দর্শন বৈজ্ঞানিক ভিত্তিত প্রতিষ্ঠিত কৰিছিল আৰু ইয়াক এক যুক্তিসন্মত আৰু প্রত্যয়জনক ৰূপ প্রদান কৰিছে।

৮.৩ দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্ব

দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্বক মার্ক্সবাদী ৰাজনৈতিক দর্শনৰ আটাইতকৈ গুৰুত্বপূর্ণ অৱদান হিচাপে বিবেচনা কৰা হয়। ইয়াক দ্বন্দ্বাত্মক বুলি কোৱা হয়, কাৰণ মানৱ সভ্যতাৰ বিকাশৰ গতিপথ দ্বন্দ্বাত্মক; আনহাতে পৰিৱর্তন কিয় সংঘটিত হয় তাৰ ব্যাখ্যা বস্তুবাদী।

দ্বন্দ্বাত্মক শব্দটোৰ অর্থ হ'ল ইতিহাসৰ গতিশীলতা। মার্ক্সে কৈছে যে পৃথিৱী বা বাস্তৱতা হ'ল বস্তুগত। বস্তুগত দিশৰ পৰিৱর্তনৰ কাৰণে সমগ্র পৃথিৱীৰে পৰিৱর্তন ঘটে। মার্ক্সে তেওঁৰ দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণাটো হেগেলৰ দ্বন্দ্বাত্মক আদর্শবাদৰ ধাৰণাৰ পৰা ধাৰ কৰিছিল। হেগেলে কৈছে যে পৃথিৱীখন ধাৰণা বা আত্মা যুক্তিৰ ওপৰত প্রতিষ্ঠিত আৰু ধাৰণা বা আত্মাৰ পৰিৱর্তনৰ কাৰণে সমগ্র পৃথিৱীৰে পৰিৱর্তন ঘটে। হেগেলে কৈছে যে প্রত্যেক ধাৰণাই এক বিপৰীতমুখী ধাৰণাৰ জন্ম দিয়ে আৰু উভয়ৰে সমষ্টি হ'ল এক উচ্চ পর্যায়ৰ ধাৰণা। ইয়াৰে ধাৰণাক ক্রিয়া, বিপৰীতমুখী ধাৰণাক প্রতিক্রিয়া আৰু উচ্চ পর্যায়ৰ ধাৰণাক সমন্বয় হিচাপে জনা যায়। মার্ক্সেও এই চিন্তাধাৰা ধাৰ কৰিছিল। কিন্তু তেওঁ ধাৰণাৰ সলনি বস্তুগত দিশক ব্যৱহাৰ কৰিছিল। কিয়নো, মার্ক্সৰ মতে ধাৰণা নহয়, বস্তুগত দিশৰ পৰিৱর্তনেহে পৃথিৱীখন পৰিৱর্তন কৰে। সেয়েহে তেওঁ হেগেলৰ দ্বন্দ্বাত্মক আদর্শবাদৰ সলনি দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণাটো আগবঢ়াইছিল।

দ্বন্দ্বাত্মক বস্তুবাদৰ মূল বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল ঃ

- দ্বন্দ্বাত্মক বস্তুবাদৰ প্রথম মৌলিক বৈশিষ্ট্যটো হ'ল পৰিৱর্তন পৰিমাণগত আৰু গুণগত উভয় প্রকাৰৰ হ'ব পাৰে। সকলো পৰিৱর্তনৰে এক সুস্পষ্ট পৰিমাণগত দিশ আছে। কিন্তু পৰিমাণগত পৰিৱর্তনে অনির্দিষ্ট কাললৈ আগবাঢ়িব নোৱাৰে। এক নির্দিষ্ট বিন্দুৰ পিছত পৰিমাণগত পৰিৱর্তনে গুণগত পৰিৱর্তনৰ ৰূপ ল'ব পাৰে।
- দ্বন্দ্বাত্মক বস্তুবাদৰ আন এটা বৈশিষ্ট্য হ'ল বিপৰীতমুখী ধাৰণাৰ সংঘর্ষ। এই দুই ধাৰণা, ক্রিয়া আৰু প্রতিক্রিয়াৰ মাজত পৰস্পৰবিৰোধী স্থিতি থকাৰ বাবে সিহঁতৰ মাজত থকা সংঘর্ষ এক প্রাকৃতিক প্রক্রিয়া।
- দ্বন্দ্বাত্মক বস্তুবাদৰ আন এক বৈশিষ্ট্য হ'ল একতাৰ নীতি। এয়া উল্লেখনীয় যে দুই পৰস্পৰবিৰোধী স্থিতিয়ে ধাৰাবাহিক সংঘর্ষৰ জৰিয়তে সমন্বয়ৰ সৃষ্টি কৰে। এই সমন্বয়ে দুয়োটাৰ মাজৰ একতাক প্রতিনিধিত্ব কৰে।
- দ্বন্দ্বাত্মক বস্তুবাদৰ তত্ত্বটো অস্বীকৃতিৰ মতবাদৰ ভিত্তিটো প্রতিষ্ঠিত। দ্বন্দ্বাত্মক প্রক্রিয়াত প্রতিক্রিয়াই ক্রিয়াক অস্বীকাৰ কৰে আৰু সমন্বয়ে প্রতিক্রিয়াক অস্বীকাৰ কৰে। এই অস্বীকৃতিৰ ফলস্বৰূপে সমন্বয় এক সদর্থক বাস্তৱতা ৰূপে উদিত হয়। অতি শীঘ্রেই সমন্বয় আকৌ ক্রিয়ালৈ ৰূপান্তৰিত হয় আৰু সাম্যবাদত সকলো প্রতিদ্বন্দ্বিতা শেষ হোৱালৈ দ্বন্দ্বাত্মক প্রক্রিয়াৰ পুনৰাবৃত্তি ঘটে।

সমালোচনা ঃ দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্বটো তলত উল্লিখিত ক্ষেত্রসমূহত সমালোচনা কৰা হৈছে—

- প্রথম সমালোচনাটো উত্থাপিত হৈছে দ্বন্দ্বাত্মক বস্তুবাদৰ সার্বজনীন প্রয়োগৰ বিৰুদ্ধে। মার্ক্সে কৈছে যে বাস্তৱতাক জানিবৰ বাবে দ্বন্দ্বাত্মক বস্তুবাদেই হৈছে একমাত্র প্রণালী। সেয়েহে, তেওঁ ইয়াক ঐতিহাসিক বিকাশৰ গতিপথ অধ্যয়ন কৰিবলৈ প্রয়োগ কৰিছিল। কিন্তু সমালোচকসকলে কৈছে যে অষ্টাদশ আৰু ঊনবিংশ শতিকাত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ক্ষেত্রত বহুতো উন্নয়ন সংঘটিত হৈছিল যিবোৰে দ্বন্দ্বাত্মক বস্তুবাদী প্রক্রিয়াক অনুসৰণ কৰা নাছিল।
- সমালোচকসকলে মত পোষণ কৰিছে যে এই তত্ত্বটোত বস্তুবাদৰ ওপৰত অত্যাধিক মাত্রাত গুৰুত্ব প্রদান কৰা হৈছে। মার্ক্সে জীৱনৰ অ-বস্তুগত দিশটোৰ গুৰুত্ব সম্পূর্ণৰূপে উপেক্ষা কৰিছে।
- মার্ক্স আৰু এঞ্জেলছে কৈছে যে দ্বন্দ্বাত্মক বস্তুবাদৰ ফলত আমি সদায় এক উচ্চ পর্যায়ৰ সত্যত উপনীত হ'ব পাৰোঁ। কিন্তু সমালোচকসকলে কৈছে যে ৰাজনীতিত সংঘর্ষৰ পৰিণতিত উচ্চ পর্যায়ৰ উন্নয়ন নহ'বও পাৰে। কাৰণ, সংঘর্ষই সমাজৰ বিধ্বস্ততা আৰু ক্ষতিৰ বাহিৰে আন একোৱেই সৃষ্টি কৰিব নোৱাৰে।
- মার্ক্সে কৈছে যে দ্বন্দ্বাত্মক প্রক্রিয়া হ'ল এক সক্রিয় শক্তি যি সদায় গতিশীল। ই এক নিৰৱচ্ছিন্ন প্রক্রিয়া। দ্বন্দ্বাত্মক বস্তুবাদৰ সৈতে সমাজো অবিৰতভাৱে গতিশীল। কিন্তু তেওঁ সাম্যবাদৰ পিছত সমাজৰ কোনো পর্যায়ৰ বিষয়ে উল্লেখ কৰা নাই। তেওঁ সাম্যবাদী ব্যৱস্থাত কোনো ধৰণৰ সংঘর্ষৰ বিষয়ে উল্লেখ কৰা নাই। সেয়েহে সমালোচকসকলে প্রশ্ন কৰিছে যে যদি সাম্যবাদী সমাজ ব্যৱস্থা স্থিৰ হৈ যায়, তেনেহ'লে পৰৱর্তী সময়ত কি হ'ব, যিহেতু সমাজৰ স্তব্ধতা ঐতিহাসিকভাৱে প্রযোজ্য হ'ব নোৱাৰে। সেয়েহে সাম্যবাদৰ পিছত কি হ'ব, এই সন্দর্ভত মার্ক্সৰ নীৰৱতাক সমালোচকসকলে সমালোচনা কৰিছে।

অৱশ্যে, এনেবোৰ সমালোচনা স্বত্বেও দ্বন্দ্বাত্মক বস্তুবাদক মার্ক্সৰ ৰাজনৈতিক দর্শনৰ মূল ধাৰণা হিচাপে অভিহিত কৰা হয় আৰু মানৱ ইতিহাসৰ পৰিৱর্তন আৰু বিকাশ প্রক্রিয়াক বোধগম্য কৰাৰ মূল চাবিকাঠী হিচাপে বহুলভাৱে ব্যৱহাৰ কৰা হয়।

৮.৪ শ্রেণী সংগ্রাম তত্ত্ব

শ্রেণীৰ ধাৰণা কার্ল মার্ক্সৰ ৰাজনৈতিক দর্শনৰ এক অতি গুৰুত্বপূর্ণ অংশ। শ্রেণীয়ে গড় হিচাপত অভিন্ন অর্থনৈতিক অৱস্থাৰ মানুহৰ শ্রেণীক বুজায়। মার্ক্সে বিশ্বাস কৰিছিল যে আদিম সাম্যবাদী সমাজ আৰু সাম্যবাদী সমাজৰ বাহিৰে মানৱ সভ্যতাৰ প্রত্যেকটো স্তৰতে শ্রেণীৰ অৱস্থিতি আছিল। এহাতে কিছুমান শ্রেণী যিসকল উৎপাদন প্রক্রিয়াৰ নিয়ন্ত্রক আছিল, তেওঁলোক ধনী আৰু শোষক শ্রেণী হিচাপে পৰিগণিত হৈছিল আৰু অন্যহাতে যিসকলে উৎপাদন প্রক্রিয়াত প্রকৃতপক্ষে জড়িত আছিল, তেওঁলোক দুখীয়া আৰু শোষিত শ্রেণী হিচাপে পৰিগণিত হৈছিল। এনেদৰে, মার্ক্সবাদী বিশ্লেষণ অনুসৰি, সমাজৰ পৰিৱর্তন প্রক্রিয়াক বোধগম্য কৰাৰ বাবে শ্রেণী হ'ল এক অনিবার্য দিশ।

আদিম সাম্যবাদী সমাজঃ মার্ক্সৰ মতে, এয়া হ'ল মানৱ সভ্যতাৰ প্ৰথম পৰ্যায়। এই পৰ্যায়ত কোনো শ্ৰেণী নাছিল। ই সম্পূৰ্ণৰূপে এক শ্ৰেণীহীন সমাজ আছিল আৰু মানুহে এক সাম্যবাদী জীৱন অতিবাহিত কৰিছিল। কিন্তু আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ শেষৰ পিনে কিছু সংখ্যক বুদ্ধিমান লোকে জীৱনৰ মৌলিক প্ৰয়োজনীয়তাসমূহ পূৰণৰ সুবিধাৰ অৰ্থে কাঠ আৰু লোহাৰ কিছুমান অস্ত্ৰ উদঘাটন কৰিছিল। অস্ত্ৰৰ উদঘাটনৰ লগে লগে মানুহৰ এটা সৰু গোট আৱিৰ্ভাৱ হৈছিল যিয়ে শ্ৰমৰ লগতে উৎপাদন প্ৰক্ৰিয়াক নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিছিল। আন কথাত, মানুহৰ এক সৰু গোটে জীয়াই থকাৰ বাবে প্ৰয়োজনীয় খাদ্য আৰু আন আন পণ্যদ্ৰব্যসমূহ সংগ্ৰহ কৰিছিল আৰু সেইবোৰ মালিকসকলৰ ওচৰত জমা দিছিল। মালিকসকলে পণ্যদ্ৰব্যসমূহ সঞ্চয় কৰি ৰাখিছিল আৰু যিসকলে প্ৰকৃতপক্ষে প্ৰকৃতিৰপৰা সেইবোৰ সংগ্ৰহ কৰিছিল, তেওঁলোকক এটা অতি সামান্য অংশহে প্ৰদান কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে অৰ্থনীতিত উদ্বৃত্ত বা অতিৰিক্তৰ সৃষ্টি হৈছিল। যিটো শ্ৰেণীয়ে এই উদ্বৃত্তখিনি অৰ্জন কৰিছিল তেওঁলোক ধনী হৈছিল আৰু যিসকলে এই উদ্বৃত্ত লাভ কৰা নাছিল তেওঁলোক দুখীয়া হৈ গৈছিল। এনেদৰে, অৰ্থনীতিত উদ্বৃত্তৰ আৱিৰ্ভাৱেই ধনী দুখীয়াৰ বিভাজন আৰু শ্ৰেণীৰ সৃষ্টিৰ বাবে প্ৰধানকৈ দায়ী আছিল।

দাস সমাজ ব্যৱস্থাত শ্ৰেণীঃ এই সমাজ ব্যৱস্থাত মালিক আৰু দাস নামেৰে দুটা শ্ৰেণী আছিল। আদিম সাম্যবাদী সমাজ ব্যৱস্থাত যিসকল লোকে বিভিন্ন প্ৰকাৰৰ অস্ত্ৰৰ যোগান ধৰিছিল, তেওঁলোকে মালিক হিচাপে পৰিগণিত হৈছিল। আনহাতে, যিসকল লোকে খাদ্যসামগ্ৰী আৰু আন আন পণ্যদ্ৰব্যসমূহ আহৰণ কৰাত জড়িত হৈ আছিল, তেওঁলোক দাস হিচাপে পৰিগণিত হৈছিল। এনেদৰে, দাস সমাজ ব্যৱস্থাত মালিক শ্ৰেণীটো আছিল ধনী শ্ৰেণী যিহেতু উৎপাদন প্ৰক্ৰিয়া আৰু উৎপাদন সামগ্ৰীৰ ওপৰত তেওঁলোকৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আছিল।

সামন্তবাদী সমাজ ব্যৱস্থাত শ্ৰেণীঃ সামন্তবাদী ব্যৱস্থাত সামন্ত প্ৰভু আৰু কৃষি দাস নামেৰে দুটা শ্ৰেণী আছিল। সামন্ত প্ৰভুসকল মাটিৰ গৰাকী আছিল যি মাটি দাস সমাজ ব্যৱস্থাৰ শেষৰ পৰ্যায়ত দাসসকলক প্ৰদান কৰা হৈছিল। যিহেতু দাস সমাজ ব্যৱস্থাত দাসসকলৰ অৱস্থা অৱনমিত হৈছিল, সেয়েহে জীৱন নিৰ্বাহৰ এক অতিৰিক্ত নিশ্চিতি স্বৰূপে প্ৰত্যেকজন দাসৰ নামতে মাটি আবণ্টন কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে কৃষিকাৰ্য মূল অৰ্থনৈতিক কাৰ্য্য হিচাপে পৰিগণিত হৈছিল। কৃষিদাসসকল আছিল বাস্তৱ ক্ষেত্ৰত কৃষক, যিসকলে জমিদাৰসকলৰ মালিকীস্বত্বৰ নিয়ন্ত্ৰণাধীন খেতি পথাৰত কৃষিকাৰ্য সম্পাদন কৰিছিল। কিন্তু কৃষিদাসসকলৰ অৰ্থনৈতিক অৱস্থা আছিল মৰ্মান্তিক। তেওঁলোকে জীৱন-ধাৰণাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল যিহেতু উৎপাদিত সামগ্ৰীৰ ওপৰত তেওঁলোকৰ কোনো অধিকাৰ নাছিল। জমিদাৰসকল উৎপাদিত সামগ্ৰীৰ অধিকাৰী আছিল আৰু এই সামগ্ৰীৰ এটা সামান্য অংশহে কৃষিদাসসকলক প্ৰদান কৰা হৈছিল। তথাপিও কৃষিদাসসকলে খেতিপথাৰ এৰিব পৰা অৱস্থাত নাছিল, যিহেতু তেওঁলোকৰ হাতত জীৱন-ধাৰণৰ আন কোনো নিশ্চিত বিকল্পপন্থা নাছিল। আন কথাত, কৃষিদাসসকলৰ অৱস্থা এনেকুৱা আছিল যেন তেওঁলোকে খেতি কৰা মাটিডোখৰৰ সৈতে তেওঁলোকক বান্ধিহে থোৱা হৈছিল।

পুঁজিবাদী সমাজ ব্যৱস্থাত শ্রেণীঃ পুঁজিবাদী সমাজ ব্যৱস্থাৰ প্ৰথম পৰ্যায়ত বৃহৎ পুঁজিপতি, ক্ষুদ্ৰ পুঁজিপতি আৰু সৰ্বহাৰা নামেৰে তিনিটা শ্ৰেণী আছিল। কিন্তু বৃহৎ পুঁজিপতিসকলৰ শোষণ ইমানেই তীব্ৰ আছিল যে ক্ষুদ্ৰ পুঁজিপতিসকলে এই শোষণ সহ্য কৰিব নোৱাৰিলে আৰু সৰ্বহাৰাৰ পৰ্যায়লৈ অৱনমিত হয়। এনেদৰে, পুঁজিবাদৰ একাধিপত্য পৰ্যায়ত সমগ্ৰ ব্যৱস্থাটো পুঁজিপতি আৰু সৰ্বহাৰা এই দুটা শ্ৰেণীৰ মাজত বিভক্ত হয়।

পুঁজিবাদী সমাজ ব্যৱস্থাত শ্রেণী সংঘর্ষঃ মার্ক্সৰ মতে শ্ৰেণী সংগ্ৰাম হ'ল পুঁজিবাদী সমাজ ব্যৱস্থাৰ উচ্চ পৰ্যায়ত সংঘটিত হোৱা এটা পৰিঘটনা। ই দুই প্ৰতিদ্বন্দ্বী শ্ৰেণী পুঁজিপতি আৰু সৰ্বহাৰাসকলৰ মাজত তেওঁলোকৰ এটা শ্ৰেণীয়ে আন এটা শ্ৰেণীৰ ওপৰত শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠাৰ বাবে চলোৱা প্ৰতিযোগিতাৰ ফলত সংঘটিত হয়। ইয়ে বৈপ্লৱিক পৰিবেশৰ ভেঁটি গঢ়ি তোলে। শ্ৰেণী সংগ্ৰামৰ সৰ্বোচ্চ পৰ্যায়ত বিপ্লৱ সংঘটিত হ'ব। মার্ক্সে ভৱিষ্যতবাণী কৰিছিল যে বিপ্লৱে সৰ্বহাৰাৰ একনায়কত্ববাদ নামেৰে এক নতুন যুগৰ পথ প্ৰদৰ্শন কৰিব।

সর্বহারার একনায়কত্ববাদত শ্রেণীঃ বিপ্লৱৰ পিছত সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা হ'ব। সৰ্বাহাৰাৰ একনায়কত্ববাদত সৰ্বাহাৰা নামেৰে কেৱল এটা শ্ৰেণীৰ অৱস্থিতিৰহে উমান পোৱা যায়। এই পৰ্যায়ৰ নিয়ন্ত্ৰক নীতিটো হ'ল "প্ৰত্যেকেই তেওঁৰ সামৰ্থ্য অনুসৰি"।

সাম্যবাদী ব্যৱস্থাত শ্রেণীঃ সৰ্বহাৰাৰ একনায়কত্ববাদৰ পৰা সাম্যবাদ প্ৰতিষ্ঠা হ'ব। সাম্যবাদৰ নিয়ন্ত্ৰক নীতিটো হ'ল "প্ৰত্যেকেই তেওঁৰ প্ৰয়োজনীয়তা অনুসৰি"। ইয়াৰ অৰ্থ হ'ল সাম্যবাদত জনসাধাৰণৰ সকলো প্ৰয়োজনীয়তা পূৰণ হ'ব য'ত শ্ৰেণী সংঘৰ্ষৰ অন্ত পৰিব।

সমালোচনাঃ সমালোচকসকলে মন্তব্য আগবঢ়াইছে যে শ্ৰেণী সংগ্ৰাম তত্ত্বটো এক কল্পনাভিত্তিক তত্ত্বহে আৰু এই কল্পনাৰ কোনো প্ৰায়োগিক ভিত্তি নাই। আন কথাত, ই হ'ল শ্ৰেণী সংঘৰ্ষৰ একপক্ষীয় আৰু পক্ষপাতমূলক ছবিহে মাথোন।

কিন্তু, একে সময়তে, শ্ৰেণীৰ বিশ্লেষণ অবিহনে মার্ক্সবাদী দৰ্শন আগবাঢ়িব নোৱাৰে আৰু শ্ৰেণী সংগ্ৰাম হ'ল মানৱ সভ্যতাৰ ইতিহাসৰ সেই সন্ধিক্ষণ, যিয়ে সাম্যবাদৰ চূড়ান্ত প্ৰতিষ্ঠাৰ বাবে সৰ্বহাৰাৰ বিপ্লৱৰ পথ প্ৰশস্ত কৰি তোলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ 'দ্বন্দ্বাত্মক' শব্দটোৱে কি বুজায়?

.....

.....

প্রশ্ন ২ ঃ মার্ক্সে দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণাটো কাৰ পৰা ধাৰ কৰিছে?

.....

.....

প্রশ্ন ৩ ঃ মার্ক্সৰ মতে, ধাৰণাৰ পৰিৱর্তনৰ কাৰণে সমগ্র পৃথিৱীৰে পৰিৱর্তন হয়। (শুদ্ধ /অশুদ্ধ)

.....

.....

প্রশ্ন ৪ ঃ মার্ক্সৰ মতে, শ্রেণীৰ উৎপত্তিৰ বাবে কোনটো উপাদান দায়ী?

.....

.....

প্রশ্ন ৫ ঃ মানৱ সভ্যতাৰ ইতিহাসৰ কোনটো পর্যায়ত শ্রেণী সংগ্রাম সংঘটিত হয়?

.....

.....

৮.৫ বিচ্ছিন্নকৰণ তত্ত্ব

মার্ক্সে 'বিচ্ছিন্নকৰণ' শব্দটো বা ধাৰণাটো পুঁজিবাদৰ ক্ষেত্রত ব্যৱহাৰ কৰিছে। তেওঁৰ *The Economic and Philosophical Manuscripts* নামৰ গ্রন্থখনত পুঁজিবাদী সমাজ ব্যৱস্থাত এজন মানুহ কেনেকৈ বিচ্ছিন্ন হয়, তাৰ বিশদ বিৱৰণ আগবঢ়োৱা হৈছে। ইয়াৰোপৰি, তেওঁ বিচ্ছিন্নকৰণ সংঘটিত হোৱা বিভিন্ন পর্যায়ৰো বিশ্লেষণ আগবঢ়াইছে।

মার্ক্সৰ মতে, প্রকৃতিগতভাৱে মানুহ মূলতঃ উৎপাদনক্ষম। তেওঁলোক কিবা এটা কৰাৰ বাবে খুব আগ্রহী। কোনো এটা কার্য সম্পাদন কৰাৰ ক্ষেত্রত মানুহে সদায় তেওঁলোকৰ কলা, সৃজনশীলতা, কল্পনাশক্তি আদি ব্যৱহাৰ কৰে। কিন্তু মার্ক্সে কৈছে যে পুঁজিপতিসকলে মানুহৰ কলা, সৃজনশীলতা আদিক অগ্রাহ্য কৰে। কিয়নো, পুঁজিপতিসকল কেৱল অধিক উৎপাদন কৰা বা মুনাফা অর্জন কৰাতহে আগ্রহী। গতিকে পুঁজিবাদৰ পণ্যদ্রব্যৰ প্রতি আসক্তি আছে। পণ্যদ্রব্যৰ প্রতি থকা এই আসক্তিৰ পৰিণামস্বৰূপে বিচ্ছিন্নকৰণৰ জন্ম হয়। মার্ক্সে এই বিচ্ছিন্নকৰণ সংঘটিত হোৱা চাৰিটা পর্যায়ৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে। এইবোৰ হ'ল—

উৎপাদন ব্যৱস্থাৰপৰা শ্রমিকৰ বিচ্ছিন্নকৰণঃ শ্রমিকসকলে তেওঁলোকৰ শ্রমৰ দ্বাৰা উৎপাদন কার্য্য সম্পন্ন কৰে আৰু এই উৎপাদিত সামগ্রীসমূহ পুঁজিপতি সকলে চাহিদা আৰু যোগানৰ ওপৰত ভিত্তি কৰি বিক্রী কৰে। গতিকে, শ্রমিকসকলৰ শ্রম কেৱল মাত্র এটা বস্তুহে, যাৰ ফলত শ্রমিকসকলে তেওঁলোকে নিজে উৎপাদন কৰা সামগ্রীৰ বিৰুদ্ধে যাব পাৰে। সেয়েহে, শ্রমিকসকলৰ স্বার্থৰ বিৰুদ্ধে কার্যকৰী হৈ থকা সামগ্রীয়ে তেওঁলোকৰ বিচ্ছিন্নকৰণৰ পথ প্রদর্শন কৰে।

উৎপাদন প্রক্রিয়াৰ অৱস্থাৰপৰা বিচ্ছিন্নকৰণঃ উৎপাদন প্রক্রিয়াৰ ওপৰত শ্রমিকসকলৰ কোনো নিয়ন্ত্রণ নথকাৰ বাবে ই সংঘটিত হয়। উৎপাদন প্রক্রিয়াৰ ওপৰত শ্রমিকসকলৰ কোনো নিয়ন্ত্রণ নাথাকে। পুঁজিপতিসকলে উৎপাদন প্রক্রিয়াৰ সকলো সিদ্ধান্ত গ্রহণ কৰে। পুঁজিবাদী উৎপাদন প্রক্রিয়াত নির্দ্দিষ্ট এজন শ্রমিকে এটা নির্দ্দিষ্ট অংশৰ কার্যহে সম্পাদন কৰে। গতিকে,

উৎপাদন প্রক্রিয়াত এজন শ্রমিকে এক নিস্তেজ পুনৰাবৃত্তিমূলক কার্যত জড়িত থাকে। কিন্তু তেওঁলোকৰ হাতত ইয়াৰ বাহিৰে অন্য কোনো বিকল্প নাথাকে।

আন মানুহৰ পৰা বিচ্ছিন্নকৰণঃ এজন শ্রমিকে তেওঁৰ সহকর্মীসকলৰ পৰাও বিচ্ছিন্নতা অনুভৱ কৰে। শ্রমিকসকলৰ মাজত একতাৰ মনোভাৱ নাথাকে। কাৰণ, শ্রমিকসকলৰ মাজত প্রতিযোগিতা থাকে। পুঁজিপতিসকলৰ প্রতি শ্রমিকসকলৰ ভাল মনোভাৱ নাথাকে, যিহেতু পুঁজিপতিসকলে মুনাফাৰ কথাহে চিন্তা কৰে।

শ্রমিকসকলৰ নিজৰপৰা বিচ্ছিন্নকৰণঃ শ্রমিকসকল নিজৰপৰাও বিচ্ছিন্ন হয়, কাৰণ কেৱল কর্মই তেওঁলোকৰ জীৱনৰ ওপৰত আধিপত্য বিস্তাৰ কৰে। বিনোদনৰ বাবে তেওঁলোকৰ কোনো সময় নাথাকে। আন কাম কৰাৰ বাবে তেওঁলোকৰ কোনো সময় নাথাকে। ইয়াৰ ফলস্বৰূপে, তেওঁলোক নিজৰ পৰাই বিচ্ছিন্ন হয়। ইয়ে মানুহক অভিমানী কৰি তোলে।

জানি থোৱা ভাল



এই চাৰি প্রকাৰৰ বিচ্ছিন্নকৰণৰ পিছত মার্ক্সে কৈছে যে তেওঁ সাম্যবাদ প্রতিষ্ঠাৰ বাবে এক বিপ্লৱ আনিব বিছাৰিছিল। তেওঁ ভাবিছিল যে এই বিপ্লৱৰ পৰিণতিত সাম্যবাদ প্রতিষ্ঠা হ'ব আৰু ইয়াৰ লগে লগে মানুহৰ বিচ্ছিন্নকৰণৰ অন্ত হৈ তেওঁলোকৰ মাজত একতা স্থাপন হ'ব। তেওঁৰ মতে, ই হ'ব ব্যক্তিৰ তেওঁলোকৰ নিজৰ মাজলৈ প্রত্যাৱর্তন আৰু ইয়াৰ লগে লগে স্ব-বিচ্ছিন্নকৰণৰ অন্ত পৰিব। এনেকৈয়ে মানুহ প্রকৃত অর্থত স্বাধীন হ'ব। গতিকে, মার্ক্সৰ মতে, কেৱল সাম্যবাদতহে স্বাধীনতা প্রতিষ্ঠা হ'ব।)

সমালোচনা ঃ মার্ক্সৰ আন তত্ত্বসমূহৰ নিচিনাকৈ বিচ্ছিন্নকৰণ তত্ত্বও সমালোচনামুক্ত নহয়। তলত ইয়াক আলোচনা কৰা হ'লঃ

- বিচ্ছিন্নকৰণ তত্ত্বটো ১৯৫০ আৰু ১৯৬০ ৰ সময় চোৱাত পুনৰুজ্জীৱিত হৈছিল। ই ষ্টেলিনৰ অনুগামী আৰু সংগঠনমূলক মার্ক্সবাদীসকলৰ পৰা গুৰুত্বপূর্ণ সমালোচনাৰ সন্মুখীন হৈছিল। তেওঁলোকৰ মতে, মার্ক্সৰ বিচ্ছিন্নকৰণৰ ধাৰণাটো তেওঁৰ পৰৱর্তী গ্রন্থসমূহত 'শ্রেণী', 'আধিপত্য', 'শোষণ', 'শ্রমৰ বিভাজন' ইত্যাদি শব্দসমূহৰ দ্বাৰা প্রতিস্থাপন কৰা হৈছে। যি কি নহওঁক, সমালোচকসকলৰ উত্তৰত মার্ক্সবাদীসকলে কৈছে যে বিচ্ছিন্নকৰণৰ ধাৰণাটো কোনো প্রতিস্থাপনৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি।
- সমালোচকসকলে স্ব-বিচ্ছিন্নকৰণৰ ধাৰণাটো গ্রহণ কৰিবলৈ প্রস্তুত নহয়। তেওঁলোকৰ মতে, মানুহে নিজৰপৰা বিচ্ছিন্ন নহয়, বৰঞ্চ মানুহে স্বাধীনতা আৰু সৃজনশীলতাৰ পৰাহে বঞ্চিত হয়। স্ব-বিচ্ছিন্নকৰণ মানৱ প্রকৃতিৰ এক প্রয়োজনীয় উপাদান নহয়।
- বিচ্ছিন্নকৰণ ব্যক্তিৰ ক্ষেত্রত প্রযোজ্য নে সমাজৰ ক্ষেত্রত প্রযোজ্য, এই বিষয়ত এক বিতর্কৰ সৃষ্টি হৈছে। যিসকলে বিচ্ছিন্নকৰণ কেৱল ব্যক্তিৰ ক্ষেত্রতহে প্রযোজ্য বুলি কয়, তেওঁলোকে

মত পোষণ কৰে যে ব্যক্তিয়ে যিখন সমাজত বসবাস কৰে, সেই সমাজখনৰ সৈতে সমন্বয় প্ৰতিষ্ঠা কৰিব নোৱাৰাৰ বাবে বিচ্ছিন্নকৰণ সংঘটিত হয়। আন বহুতে কৈছে যে সমাজ এখনো ৰুগ্ন বা বিচ্ছিন্নতাবাদী হ'ব পাৰে। এই ক্ষেত্ৰত এজন ব্যক্তিয়ে তেওঁ বসবাস কৰা সমাজখনৰ সৈতে সমন্বয় সাধন কৰিব নোৱাৰাটো বিচ্ছিন্নকৰণ নহয়। গতিকে, বিচ্ছিন্নকৰণ হ'ল মনৰ এক অনুভৱ বা অৱস্থাক উল্লেখ কৰা এক মানসিক ধাৰণাহে মাথোন। ই পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ দ্বাৰা উৎপাদিত দ্ৰব্য নহয়।

এনেদৰে, মার্ক্সে বিচ্ছিন্নকৰণ কেনেদৰে অৰ্থনৈতিক শৃংখলাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত সেইটো দেখুৱাবলৈ চেষ্টা কৰিছিল। তেওঁ এইটো স্পষ্টকৈ কৈছিল যে বিচ্ছিন্নকৰণে এজন শ্ৰমিকক তেওঁৰ গ্ৰহণযোগ্য নোহোৱা এক পৰিস্থিতিৰ বিৰুদ্ধে বিপ্লৱ কৰিবলৈ অসমৰ্থ কৰি তোলে। বিচ্ছিন্নকৰণে শ্ৰমিকসকলক অন্যমনষ্ক কৰি তোলে আৰু তেওঁলোকৰ নৈতিক দিশৰ অৱনতি ঘটায়। যন্ত্ৰপাতিৰ ব্যাপক ব্যৱহাৰ আৰু শ্ৰমৰ বিভাজনৰ ফলত সৰ্বহাৰাসকলে নিজস্বতা হেৰুৱাই পেলায়, লগতে কৰ্মৰ প্ৰতি আকৰ্ষণ হেৰুৱাই পেলায়। বিচ্ছিন্নকৰণ ধাৰণাৰ ক্ষেত্ৰত মানুহৰ মৰ্য্যাদা মজুৰি আৰু মুনাফাৰ অধীন হৈ পৰে যি হ'ল পুঁজিবাদী সমাজ ব্যৱস্থাৰ আটাইতকৈ বেয়া দোষ।



৮.১ চিন্তা-চৰ্চা কৰক

মার্ক্সৰ ৰাজনৈতিক দৰ্শনৰ মূল উৎসসমূহ বিচাৰি উলিয়াবলৈ চেষ্টা কৰক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ মার্ক্সে বিচ্ছিন্নকৰণ ধাৰণাটো কি ক্ষেত্ৰত ব্যৱহাৰ কৰিছে?

.....

.....

প্ৰশ্ন ৭ ঃ পুঁজিবাদী ব্যৱস্থাত শ্ৰমিকসকলে সন্মুখীন হোৱা যিকোনো এক প্ৰকাৰ বিচ্ছিন্নকৰণৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৮ ঃ মার্ক্সে বিশ্লেষণ কৰা বিচ্ছিন্নকৰণৰ দুটা পৰ্যায় লিখক।

.....

.....



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কার্ল মার্ক্স আছিল সাম্যবাদৰ প্রতিষ্ঠাতা আৰু মুখ্য পৃষ্ঠপোষক।
- মানৱ সভ্যতাৰ ইতিহাসৰ পৰিৱর্তন আৰু বিকাশ প্রক্রিয়াক বোধগম্য কৰাৰ বাবে দ্বন্দ্বাত্মক বস্তুবাদ এক মূল ধাৰণা। দ্বন্দ্বাত্মক বস্তুবাদ অনুসৰি পৃথিৱী বা বাস্তৱতা হ'ল বস্তুগত আৰু বস্তুগত দিশৰ পৰিৱর্তনৰ কাৰণে সমগ্র পৃথিৱীৰে পৰিৱর্তন ঘটে।
- পৰিমাণগত দিশৰপৰা গুণগত দিশলৈ পৰিৱর্তন, বিপৰীতমুখী ধাৰণাৰ সংঘর্ষ, একতাৰ নীতি আৰু অস্বীকৃতিৰ নীতি এইবোৰ হ'ল দ্বন্দ্বাত্মক বস্তুবাদৰ মূল বৈশিষ্ট্য।
- মার্ক্সে বিশ্বাস কৰিছিল যে আদিম সাম্যবাদী সমাজ আৰু সাম্যবাদী সমাজৰ বাহিৰে মানৱ সভ্যতাৰ প্রত্যেকটো স্তৰতে শ্রেণীৰ অৱস্থিতি আছিল।
- মার্ক্সৰ মতে, শ্রেণী সংগ্রাম হ'ল পুঁজিবাদী সমাজ ব্যৱস্থাৰ সর্বোচ্চ পর্যায়ত সংঘটিত হোৱা এক পৰিঘটনা। ই দুই প্রতিদ্বন্দ্বী শ্রেণী পুঁজিপতি আৰু সর্বহাৰাসকলৰ মাজত সংঘটিত হয়।
- শ্রেণী সংগ্রাম হ'ল মানৱ সভ্যতাৰ ইতিহাসৰ সেই সন্ধিক্ষণ, যিয়ে সাম্যবাদৰ চূড়ান্ত প্রতিষ্ঠাৰ বাবে সর্বহাৰাৰ বিপ্লৱৰ পথ প্রশস্ত কৰি তোলে।
- বিচ্ছিন্নকৰণ তত্ত্বই মূলতঃ পুঁজিবাদী সমাজ ব্যৱস্থাত এজন মানুহ কেনেকৈ বিচ্ছিন্ন হয় তাৰ এক বিশদ বিৱৰণ আগবঢ়ায় আৰু লগতে বিচ্ছিন্নকৰণ সংঘটিত হোৱা বিভিন্ন পর্যায়ৰো বিশ্লেষণ আগবঢ়ায়।
- মার্ক্সৰ মতে, বিচ্ছিন্নকৰণ চাৰিটা বিভিন্ন পর্যায়ত সংঘটিত হয় — উৎপাদন ব্যৱস্থাৰ পৰা শ্রমিকৰ বিচ্ছিন্নকৰণ, উৎপাদন প্রক্রিয়াৰ অৱস্থাৰ পৰা বিচ্ছিন্নকৰণ, আন মানুহৰ পৰা বিচ্ছিন্নকৰণ আৰু শ্রমিকসকলৰ নিজৰপৰা বিচ্ছিন্নকৰণ।



৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.
2. Gogoi, P. (2007). *Degree political theory*. Guwahati: Banalata Publication.
3. Jha, S. (2010). *Western political thought: From Plato to Marx*. New Delhi: Dorling Kindersley.

4. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.

5. Masih, Y. (2006). *A critical history western philosophy (Greek, Medieval and Modern)*. Delhi: Motilal Banarisdass Publishers Private Limited.

6. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.

7. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

৮.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ইতিহাসৰ গতিশীলতা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ হেগেল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অৰ্থনীতিত উদ্বৃত্তৰ আৱিৰ্ভাৱ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিবাদী পৰ্যায়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিবাদৰ ক্ষেত্ৰত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উৎপাদন ব্যৱস্থাৰ পৰা শ্ৰমিকৰ বিচ্ছিন্নকৰণ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰ্ক্সে বিশ্লেষণ কৰা বিচ্ছিন্নকৰণৰ দুটা পৰ্যায় হ'ল-

১) শ্ৰমিকসকলে তেওঁলোকৰ শ্ৰমৰ দ্বাৰা উৎপাদন কাৰ্য্য সম্পন্ন কৰে আৰু এই উৎপাদিত সামগ্ৰীসমূহ পুঁজিপতিসকলে চাহিদা আৰু যোগানৰ ওপৰত ভিত্তি কৰি বিক্ৰী কৰে। গতিকে, শ্ৰমিকসকলৰ শ্ৰম কেৱল মাত্ৰ এটা বস্তুহে, যাৰ ফলত শ্ৰমিকসকলে তেওঁলোকে নিজে উৎপাদন কৰা সামগ্ৰীৰ বিৰুদ্ধে যাব পাৰে। সেয়েহে, শ্ৰমিকসকলৰ স্বাৰ্থৰ বিৰুদ্ধে কাৰ্যকৰী হৈ থকা সামগ্ৰীয়ে তেওঁলোকৰ বিচ্ছিন্নকৰণৰ পথ প্ৰদৰ্শন কৰে।

২) উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত শ্ৰমিকসকলৰ কোনো নিয়ন্ত্ৰণ নথকাৰ বাবে ই সংঘটিত হয়। উৎপাদন প্ৰক্ৰিয়াৰ ওপৰত শ্ৰমিকসকলৰ কোনো নিয়ন্ত্ৰণ নাথাকে। পুঁজিপতিসকলে উৎপাদন প্ৰক্ৰিয়াৰ সকলো সিদ্ধান্ত গ্ৰহণ কৰে। পুঁজিবাদী উৎপাদন

প্রক্রিয়াত নির্দিষ্ট এজন শ্রমিকে এটা নির্দিষ্ট অংশৰ কার্যহে সম্পাদন কৰে। গতিকে, উৎপাদন প্রক্রিয়াত এজন শ্রমিকে এক নিস্তেজ পুনৰাবৃত্তিমূলক কার্যত জড়িত থাকে। কিন্তু তেওঁলোকৰ হাতত ইয়াৰ বাহিৰে অন্য কোনো বিকল্প নাথাকে।



৮.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ দ্বন্দ্বাত্মক বস্তুবাদৰ ক্ষেত্ৰত মার্ক্স কেনেকৈ হেগেলৰ দ্বাৰা প্ৰভাৱান্বিত?

প্ৰশ্ন ২ ঃ সর্বহাৰাৰ একনায়কত্ববাদ আৰু সাম্যবাদৰ নিয়ন্ত্ৰক নীতি দুটা কি কি?

প্ৰশ্ন ৩ ঃ মার্ক্সৰ মতে বিচ্ছিন্নকৰণ কিয় সংঘটিত হয়?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ দ্বন্দ্বাত্মক বস্তুবাদৰ মৌলিক বৈশিষ্ট্যসমূহ দেখুৱাই দিয়ক।

প্ৰশ্ন ২ ঃ মানৰ সভ্যতাৰ ইতিহাসৰ প্ৰত্যেকটো স্তৰৰ শ্ৰেণীসমূহৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ বিচ্ছিন্নকৰণৰ যিকোনো এটা প্ৰকাৰৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ দ্বন্দ্বাত্মক বস্তুবাদী তত্ত্বটোৰ সমালোচনামূলক বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ২ ঃ মার্ক্সৰ শ্ৰেণী সংগ্ৰাম তত্ত্বটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ কার্ল মার্ক্সৰ বিচ্ছিন্নকৰণ তত্ত্বটো মূল্যায়ন কৰক।

****

অধ্যায় ৯ঃ ভি. আই. লেনিন, মাও-চে-টুং আৰু এণ্ট'নিঅ' গ্ৰাম্ছী

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভি. আই. লেনিন

- ৯.৩.১ সাম্ৰাজ্যবাদ সম্পৰ্কে দৃষ্টিভংগী
- ৯.৩.২ বিপ্লৱ সম্পৰ্কে দৃষ্টিভংগী
- ৯.৩.৩ কমিউনিষ্ট পার্টিৰ ভূমিকা সম্পৰ্কে দৃষ্টিভংগী

৯.৪ মাও-চে-টুং

- ৯.৪.১ মাও-চে-টুঙৰ ৰাজনৈতিক ধাৰণা
- ৯.৪.২ বিপ্লৱ বিষয়ক দৃষ্টিভংগী

৯.৫ এণ্ট'নিঅ' গ্ৰাম্ছী

- ৯.৫.১ আধিপত্য সম্পৰ্কে দৃষ্টিভংগী
- ৯.৫.২ ৰাষ্ট্ৰ সম্পৰ্কে দৃষ্টিভংগী

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্ৰগতিৰ খতিয়ান

৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিঃ

- সাম্ৰাজ্যবাদ, বিপ্লৱ আৰু কমিউনিষ্ট পার্টিৰ ভূমিকা সম্পৰ্কে ভি.আই. লেনিনৰ দৃষ্টিভংগী বৰ্ণনা কৰিব পাৰিব
- মাও-চে-টুঙৰ ৰাজনৈতিক ধাৰণাবোৰ আৰু বিপ্লৱ সম্পৰ্কীয় দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব
- আধিপত্য আৰু ৰাষ্ট্ৰ সম্পৰ্কে গ্ৰাম্ছীৰ দৃষ্টিভংগী বিশ্লেষণ কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়ত আমি মার্ক্সবাদৰ বিভিন্ন দিশবোৰ আলোচনা কৰিলো। এই অধ্যায়ত আমি মার্ক্সৰ পিছৰ কিছুমান প্ৰখ্যাত মার্ক্সবাদী দার্শনিক যেনে- ভি. আই. লেনিন, মাও-চে-টুঙ আৰু এণ্ট'নিঅ' গ্ৰাম্ছীৰ মতামত সম্পৰ্কে আলোচনা কৰিম। যদিও তেওলোকে মার্ক্সৰ ধাৰণাসমুহ সমর্থন কৰিছিল, তথাপি তেওলোকে ইয়াক অন্ধভাবে সমর্থন কৰা নাছিল। সমাজৰ প্ৰয়োজনীয়তা

অনুসৰি সেই ধাৰণাবোৰ সংশোধন কৰি তেওলোকে ইয়াক নিজস্ব দৃষ্টিভংগীৰে প্ৰয়োগ কৰিছিল। এনেদৰে, এই অধ্যায়টো অধ্যয়ন কৰাৰ পাছত আপুনি মাৰ্ক্সৰ ধাৰণাৰ লগত পিছৰ মাৰ্ক্সবাদী কিছুমান দাৰ্শনিকৰ ধাৰণাৰ তুলনামুলক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব।

৯.৩ ভি. আই. লেনিন

লেনিন আছিল পৰৱৰ্তী যুগৰ মাৰ্ক্সবাদী দাৰ্শনিক। তেওঁ মাৰ্ক্সৰ ধাৰণাবোৰ সংশোধন কৰি সেয়া ৰাছিয়াৰ পটভূমিত প্ৰয়োগ কৰিব খুজিছিল। তেওঁ মাৰ্ক্সৰ ধাৰণাবোৰ অন্ধভাৱে অনুসৰণ কৰিব খোজা নাছিল। লেনিনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদানটো হ'ল পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় বুলি চিহ্নিত সাম্ৰাজ্যবাদ'ৰ ধাৰণাটোৰ প্ৰচলন।

৯.৩.১ সাম্ৰাজ্যবাদ সম্পৰ্কে দৃষ্টিভংগী

লেনিনে সাম্ৰাজ্যবাদ (Imperialism) আৰু পুঁজিবাদ (Capitalism)ৰ মাজত এক যোগসূত্ৰ স্থাপন কৰাৰ চেষ্টা চলাইছিল। তেওঁৰ মতে পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায় সাম্ৰাজ্যবাদত পাঁচটা প্ৰধান স্তৰ আছে—

- উৎপাদন আৰু মূলধনৰ এককেন্দ্ৰীকৰণে এনে এক উচ্চ পৰ্যায় পায়গৈ যে ই একাধিপত্যৰ সৃষ্টি কৰে। এনে একাধিপত্যই অৰ্থনৈতিক বলয়ত এক নিৰ্ণায়ক ভূমিকা লয়। ইয়াকেই একচেটিয়া পুঁজিবাদ (Monopoly Capitalism) বোলে।
- বেংক পুঁজি গৈ ঔদ্যোগিক পুঁজিত লীন হয়। ইয়াৰ আধাৰত বিত্তীয় পুঁজিৰ সৃষ্টি হয়।
- তৃতীয় স্তৰটোৰ বৈশিষ্ট্য হ'ল পণ্যদ্ৰব্যৰ ৰপ্তানীৰ পৰা সম্পূৰ্ণ পৃথক এক মূলধন ৰপ্তানি প্ৰক্ৰিয়াৰ সূচনা হয়।
- চতুৰ্থ স্তৰটো হ'ল আন্তঃৰাষ্ট্ৰীয় একাধিপত্যবাদী পুঁজিবাদী সংস্থাৰ গঠন। আন্তঃৰাষ্ট্ৰীয় একাধিপত্যবোৰ হ'ল বিভিন্ন চুক্তি। বিভিন্ন দেশত সক্ৰিয় সৰ্ববৃহৎ একাধিপত্য বিস্তাৰকাৰী ক্ষমতাবোৰে পৰস্পৰৰ মাজত বজাৰ বিভাজন, মূল্য নীতি আদি বিষয়ত চুক্তি স্বাক্ষৰ কৰে। এনে সংস্থা গঠিত হোৱাৰ ফলতে পৃথিৱীৰ বিভিন্ন বৃহৎ সাম্ৰাজ্যবাদী শক্তিৰ মাজত অৰ্থনৈতিক বিভাজন ঘটে।
- পঞ্চম স্তৰত বিশ্বৰ অৰ্থনৈতিক বিভাজন বৃহৎ সাম্ৰাজ্যবাদী ক্ষমতাৰ মাজত আঞ্চলিক বিভাজনৰ সৃষ্টি কৰে। ইয়াৰ কাৰণ হ'ল বৃহৎ সাম্ৰাজ্যবাদী শক্তিবোৰে ভাবে যে যদি তেওঁলোকে নিৰ্দিষ্ট এলেকা কিছুমান ৰাজনৈতিক দিশেৰে নিয়ন্ত্ৰণ কৰিব পাৰে তেন্তে মূলধন ৰপ্তানীৰ প্ৰক্ৰিয়াটো সৰল হৈ পৰিব। ইয়াৰ উপৰি নিয়ন্ত্ৰণাধীন এলেকাবোৰত তেওঁলোকে কৌশলপূৰ্ণ অৱস্থানত সামৰিক ঘাটি স্থাপন কৰিব পাৰিব। সেইবাবেই ঊনবিংশ শতিকাত বিশ্বৰ বহুতো দেশ বৃহৎ সাম্ৰাজ্যবাদী শক্তিবোৰৰ উপনিৱেশত পৰিণত হৈছিল।

লেনিনৰ মতে এই বিকাশবোৰে কিছুমান সংকটৰ সৃষ্টি কৰে। এই সংকটবোৰে এসময়ত পুঁজিবাদৰ সাম্ৰাজ্যবাদী স্বৰূপটোৰ পতন মাতি আনে।

- এনেবোৰ বিকাশেই হ'ল একাধিপত্যবাদী পুঁজিবাদৰ পতনৰ কাৰণ। প্ৰথম স্তৰত একাধিপত্যবাদে প্ৰযুক্তিৰ বিকাশত গুৰুত্ব দিবলৈ এৰে। কাৰণ, যন্ত্ৰ অথবা প্ৰযুক্তিগত অগ্ৰগতিৰ অন্য আহিলা ব্যৱহাৰ নকৰাকৈ তেওঁলোকে উচ্চতৰ মুনাফা আহৰণ কৰিব পৰা হৈ থাকে। ইয়াৰ ফলত এটা সময়ত পুঁজিবাদৰ একাধিপত্যবাদী স্তৰত উদ্যোগ খণ্ডত স্থবিৰতাৰ সৃষ্টি হয়।
- একাধিপত্যবাদী পুঁজিবাদে অসমান পুঁজিবাদৰ উত্থানত সহায় কৰে। ইয়াৰ কাৰণ হ'ল, সমগ্ৰ বিশ্বতে একে সময়তে এই একাধিপত্যবাদী স্তৰটোৰ সমবিকাশ নঘটে। লেনিনে কৈছিল যে পুঁজিবাদৰ অসম বিকাশে কালক্ৰমত অসমান সৰ্বহাৰা বিপ্লৱৰ সূচনা কৰে।
- লেনিনে ইয়াকো কৈছিল যে সাম্ৰাজ্যবাদী পৰ্যায়ত পুঁজিবাদে সমাজবাদ (Socialism) প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় পৰিস্থিতি কিছুমান সৃষ্টি কৰে। এই পটভূমিতে পুনৰ উল্লেখ কৰিব পৰা যায় যে একাধিপত্যবাদত উৎপাদন আৰু কেন্দ্ৰীয়ভাৱে গৃহীত সিদ্ধান্তৰ এককেন্দ্ৰীকৰণ ঘটে। সাম্ৰাজ্যবাদৰ পৰা সমাজবাদলৈ ঘটা ৰূপান্তৰ প্ৰক্ৰিয়াটোৰ মাধ্যম হ'ল বিপ্লৱ।

লেনিনৰ মতে পুঁজিবাদৰ সাম্ৰাজ্যবাদী পৰ্যায়টোত শ্ৰমিকৰ অৱস্থা সবাতোকৈ শোচনীয় হৈ পৰে। ইয়াৰ কাৰণ হ'ল সৰ্বহাৰাই আৰম্ভ কৰা অথবা কৰিব খোজা প্ৰতিবাদ অথবা বিপ্লৱ ৰোধ কৰিবলৈ সৰ্বহাৰাৰ নেতাসকলে পুঁজিবাদীৰ পৰা ধন গ্ৰহণ কৰে। তেওঁৰ মতে এই পৰ্যায়ৰ পুঁজিবাদত সমাজত শান্তি নাইকিয়া হয়, নানা ধৰণৰ অঘটন ঘটে আৰু কু-অনুশীলনৰ প্ৰচলন আৰম্ভ হয়। এটা সময়ত এই কু-অনুশীলনবোৰৰ বিৰুদ্ধে বিপ্লৱৰ সূত্ৰপাত হয়। বিপ্লৱৰ ফলত এই পৰ্যায়টোৰ পতন ঘটে আৰু সমাজবাদে গা কৰি উঠে।

৯.৩.২ বিপ্লৱ সম্পৰ্কে দৃষ্টিভংগী

সেই সময়ত জাৰসকলে ৰাছিয়া শাসন কৰিছিল। জাৰসকলে দেশত পুঁজিবাদৰ প্ৰচলন ঘটাইছিল যদিও ইয়াক সম্পূৰ্ণ স্বাধীনতা দিয়া নাছিল। দেশত পুঁজিপতিৰ সংখ্যা আঙুলিৰ মূলত গণিব পৰা আছিল। তেওঁলোকক জাৰসকলে নিয়ন্ত্ৰণ কৰিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত ৰাছিয়াত দুই প্ৰকাৰৰ দমনে গা কৰি উঠিছিল— শ্ৰমিকক কৰা দমন (পুঁজিবাদ) আৰু দৰিদ্ৰখেতিয়কক কৰা দমন (সামন্তবাদ)। এই দমনৰ ওৰ পেলাবলৈ লেনিনে বিপ্লৱ তত্ত্বৰ বিকাশ ঘটাইছিল।

পশ্চিমৰ দেশবোৰত বিপ্লৱৰ নেতৃত্ব দিবলৈ সৰ্বহাৰা শ্ৰেণীটো আছিল। কিন্তু ৰাছিয়াৰ পৰিস্থিতি অন্য পশ্চিমীয়া দেশবোৰতকৈ পৃথক আছিল। ৰাছিয়াৰ সম্ভাব্য বিপ্লৱী শ্ৰেণীটো আছিল দৰিদ্ৰ খেতিয়ক, শ্ৰমিক, ৰাছিয়ান বুৰ্জোৱাসকল আৰু ৰাষ্ট্ৰীয় সংখ্যালঘুসকল।

নিজৰ বিপ্লৱ তত্ত্বত লেনিনে কৈছিল যে ৰাছিয়াত দুটা পৰ্যায়ত বিপ্লৱ আগবাঢ়িব।

- প্ৰথম পৰ্যায়ৰ বুৰ্জোৱা গণতান্ত্ৰিক বিপ্লৱে ৰাছিয়াৰ পৰা জাৰবাদ নাইকিয়া কৰিব। এই বিপ্লৱত সৰ্বহাৰা শ্ৰেণীটোৱে দৰিদ্ৰ খেতিয়ক শ্ৰেণীটোৰ সমৰ্থন বিচাৰিব। দুয়োটা শ্ৰেণীয়ে মিলি জাৰৰ শাসন উৎখাত কৰিব। এই পৰ্যায়ত বুৰ্জোৱাসকলে বিপ্লৱৰ নেতৃত্ব বহন কৰিব। কিন্তু এই সময়ছোৱাত সমাজবাদ প্ৰতিষ্ঠা কৰা নহয়। এই পৰ্যায়ত বিপ্লৱৰ দ্বিতীয়টো পৰ্যায়ৰ প্ৰয়োজনীয়তাবোৰ গঢ় লৈ উঠিব।
- বিপ্লৱৰ দ্বিতীয় পৰ্যায়ত দৰিদ্ৰ খেতিয়কশ্ৰেণীৰ সহায়ত সৰ্বহাৰাসকলে নেতাৰ ভূমিকা ল'ব। সৰ্বহাৰা শ্ৰেণীটোৱে বুৰ্জোৱাৰ বিৰুদ্ধে যুঁজি সমাজবাদ প্ৰতিষ্ঠা কৰিব।

অৰ্থাৎ, এই দ্বিতীয় পৰ্যায়টো হ'ল বিপ্লৱৰ প্ৰকৃত পৰ্যায়। ই জাৰবাদৰ ওৰ পেলাব। এনেকেয়ে লেলিনৰ মতে ৰাছিয়াত জাৰৰ শাসন নাইকিয়া হ'ব যাৰ বাবে তেওঁ ৰাছিয়াৰ পৰিপ্ৰেক্ষিতত বিপ্লৱৰ দুটা পৰ্যায় আগবঢ়াইছিল।

মাৰ্ক্সবাদে একে সময়তে সংঘটিত হোৱা বিপ্লৱৰ কথা কয়। কিন্তু লেনিনে এই তত্ত্বৰ বিৰোধিতা কৰিছে। কাৰণ, তেওঁ ভাবিছিল যে বিশ্বৰ সকলো দেশতে সমানভাৱে পুঁজিবাদৰ বিকাশ ঘটা নাই। সেয়েহে তেওঁ এটা সময়ত এখন দেশত সমাজবাদ' প্ৰতিষ্ঠাৰ ধাৰণাটোৰ পোষকতা কৰিছিল। কাৰণ সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ একে সময়তে বিপ্লৱ সংঘটিত হোৱাৰ প্ৰয়োজন নাই। কিন্তু এখন দেশত সমাজবাদ প্ৰতিষ্ঠা হোৱাৰ পাছত ই অন্য দেশৰ বাবে এক আদৰ্শ হ'ব পাৰে। এনেকেয়ে বিশ্বৰ অধিকাংশ অঞ্চলত সমাজবাদ প্ৰতিষ্ঠা হ'ব।

৯.৩.৩ কমিউনিষ্ট পাৰ্টিৰ ভূমিকা সম্পৰ্কে দৃষ্টিভংগী

লেনিন বিপ্লৱৰ দ্বিতীয় পৰ্যায়টোত এটা ৰাজনৈতিক দলৰ উত্থান হ'ব বুলি কৈছিল। এয়া আছিল বিপ্লৱ তত্ত্বলৈ লেনিনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান। তেওঁৰ মতে বিপ্লৱৰ সূচনা কৰাৰ আগতে সংগঠিত হোৱা অতি প্ৰয়োজনীয়। এনে দল এটাইহে বৈপ্লৱিক শক্তিবোৰক সংগঠিত হোৱাৰ সুযোগ দিয়ে। লেনিনৰ মতে ৰাছিয়াত দল অবিহনে বিপ্লৱৰ সূত্ৰপাত হ'ব নোৱাৰে।

লেনিনে এই দলটোৰ নাম দিছিল 'ভেনগার্ড পাটি' (Vanguard Party)। বুদ্ধিজীৱী, শিক্ষাবিদ আৰু সৰ্বহাৰাৰ প্ৰতিনিধিৰে এই দলটো গঠিত হৈছিল। দলৰ সদস্যসকলে বৈপ্লৱিক কলা-কৌশলৰ বৃত্তিজীৱী প্ৰশিক্ষণ লাভ কৰিছিল। এইসকল লোক অইনতকৈ ৰাজনৈতিকভাৱে আগবঢ়া আৰু সমাজ সচেতন হ'ব বুলি ভবা হৈছিল। এই দলৰ ভেটি আছিল গণতান্ত্ৰিককেন্দ্ৰীভূতকৰণবাদৰ নীতি। এই নীতি অনুসৰি বিতৰ্ক আৰু আলাপ-আলোচনাৰ আধাৰত সকলোবোৰ দলীয় নীতি গ্ৰহণ কৰা হৈছিল। তাৰ পাছত এই নীতিবোৰৰ কাৰ্যৰূপায়ণ কৰা হৈছিল। কিন্তু কাৰ্যৰূপায়ণৰ সময়ত এই বিষয়ে আৰু কোনো আলোচনা নচলিছিল।

লেনিনে কৈছিল যে 'ভেনগার্ড পার্টি'ৰ প্ৰধান কাম হ'ল উদ্দেশ্যমূলক প্ৰচাৰ চলোৱাৰ কার্যকলাপত জড়িত হোৱা। ইয়াৰ উপৰি পার্টিয়ে কিছুমান শ্লোগান আৰু বার্তা সৃষ্টি কৰিছিল। এইবোৰত সর্বহাৰাৰ দুখ-দুর্দশা, ওজৰ-আপত্তি প্ৰকাশিত হৈছিল। অর্থাৎ, দলটোৱে দৰিদ্ৰ খেতিয়কশ্ৰেণীটোৰ মাজত সজাগতা বঢ়োৱাৰ প্ৰয়াস কৰিছিল যাতে একেবাৰে কম সময়ৰ ভিতৰতে বিপ্লৱৰ সূচনা হয়।



জানি থোৱা ভাল

উদ্দেশ্যমূলক প্ৰচাৰ (Propaganda) হ'ল এক ধৰণৰ শিক্ষা। ভাষণ, সভা-সমিতি আদিৰ আয়োজন কৰি এনে শিক্ষা প্ৰসাৰ কৰা হয়। ইয়াৰ জৰিয়তে দল এটাই নিজৰ ধাৰণা আৰু চিন্তা জনপ্ৰিয় কৰিব খোজে। এনে শিক্ষা অথবা তথ্য বিশেষভাৱে একপক্ষীয় নাইবা অবাটে পৰিচালিত কৰিব পৰা প্ৰকৃতিৰ হ'ব পাৰে। কোনো বিশেষ ৰাজনৈতিক উদ্দেশ্য অথবা দৃষ্টিভংগীৰ পোষকতা কৰিবলৈ এনে প্ৰচাৰ ব্যৱহাৰ কৰা হয়।

কিন্তু, লেনিনৰ দলটোৱে প্ৰয়োজনতকৈ যথেষ্ট অধিক দায়িত্ব পালন কৰিবলগীয়া হৈছিল। সেয়েহে অৱশেষত কেৱল মানুহৰ চিন্তাধাৰাক প্ৰভাৱিত কৰাৰ উদ্দেশ্যেৰে কাম আৰম্ভ কৰা দলটোৱে দেশৰ সমগ্ৰ জনসাধাৰণৰ ওপৰত ইয়াৰ সম্পূর্ণ নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল। বিশ্বৰ অধিকাংশ কমিউনিষ্ট ভাৱধাৰাৰ দেশতেই কমিউনিষ্ট পাটিয়ে আধিপত্য বিস্তাৰ কৰি আছে। ৰাছিয়াৰ পটভূমিত ইয়াৰ এটা উদাহৰণ হ'ল বলশ্বেভিক পার্টি (Bolshevik Party)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ লেনিনৰ মতে পুঁজিবাদৰ সর্বোচ্চ পর্যায়টো কি?

.....

প্ৰশ্ন ২ ঃ 'এখন দেশত সমাজবাদ' প্ৰতিষ্ঠাৰ ধাৰণাটো কোনে আগবঢ়াইছিল?

.....

প্ৰশ্ন ৩ ঃ লেনিনৰ ৰাজনৈতিক দলটোৰ নাম কি আছিল?

.....

৯.৪ মাও-চে-টুং

মাও-চে-টুঙক কমিউনিষ্ট চীনৰ পিতৃ বুলি কোৱা হয়। কালক্ৰমত তেওঁ সমগ্ৰ বিশ্বৰে নিপীড়িত লোকৰ বাবে আশাৰ ৰেঙনিত পৰিণত হৈছিল। বিশেষকৈ চীনৰ বাসিন্দাই তেওঁৰ পৰা

বহু কিবাকিবি আশা কৰিছিল। মাওৰ নেতৃত্বত চীনত সাম্যবাদী ভাৱধাৰাৰ বিকাশ ঘটিছিল। তেওঁ মাৰ্ক্সবাদী নীতিৰ আধাৰত চীনত বিপ্লৱৰ সূচনা কৰিছিল। তেওঁ চীনৰ সমস্যাবোৰৰ কথা মনত ৰাখি মাৰ্ক্সবাদক ইউৰোপীয়ান ৰূপৰ পৰা এচিয়ান ৰূপলৈ সলনি কৰিছিল।

৯.৪.১ মাও-চে-টুঙৰ ৰাজনৈতিক ধাৰণা

মাও-চে-টুঙে চীনত বিপ্লৱৰ নেতৃত্ব বহন কৰি থকাৰ সময়তে এলানি ৰাজনৈতিক ধাৰণা বিকশিত কৰিছিল। এই ধাৰণাবোৰেই হ'ল তেওঁৰ ৰাজনৈতিক দৰ্শনৰ মৌলিক সংৰচনা। এইবোৰ হ'ল—

➢ **মাৰ্ক্সবাদ-লেনিনবাদৰ প্ৰতি দাৰ্শনিক দায়ৱদ্ধতাঃ** এক ৰাজনৈতিক দৰ্শনৰূপে মাৰ্ক্সবাদ-লেনিনবাদত মাওৰ সম্পূৰ্ণ বিশ্বাস আছিল। কিন্তু একে সময়তে চীনা সমাজৰ বৈশিষ্ট্যৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ এই নীতিবোৰৰ কাৰ্য-সম্পাদন পদ্ধতিত কিছুমান মৌলিক সাল-সলনি কৰিছিল। মাওৰ ৰাজনৈতিক দৰ্শনৰ গঠনত মাৰ্ক্সবাদ-লেনিনবাদৰ সুগভীৰ প্ৰভাৱ স্পষ্ট।

➢ **ৰাইজৰ যুদ্ধৰ ধাৰণাঃ** মাও-এ দেশত চলি থকা দুটা বিপ্লৱক একেলগে কৰিছিল। সেই সময়ত চীনত সাম্ৰাজ্যবাদ আৰু ঔপনিৱেশবাদৰ বিৰুদ্ধে জাতীয়তাবাদী বিপ্লৱ চলি আছিল। আনটো বিপ্লৱৰ দ্বাৰা সাম্ৰাজ্যবাদ তথা ঔপনিবেশবাদত অৱদান আগবঢ়োৱা সকলৰ পৰা সাধাৰণ লোকক আঁতৰাই ৰাখিব খোজা হৈছিল। বুদ্ধিজীৱীসকলক শ্ৰমিক, দৰিদ্ৰ খেতিয়ক আৰু সৈনিক শ্ৰেণীৰ সৈতে ঘনিষ্ঠ ঐক্য বৰ্তাই ৰাখিবলৈ কোৱা হৈছিল। মাওৰ নেতৃত্বত চীনত চলা প্ৰায় আটাইবোৰ সংস্কাৰমূলক কাৰ্যকলাপতে সাধাৰণ জনগণ জড়িত থকা দেখিবলৈ পোৱা যায়। অৰ্থাৎ, মাও-এ ৰাষ্ট্ৰীয় পুনৰ উজ্জীৱিতকৰণ পৰিকল্পনাত সাধাৰণ নাগৰিকৰ অংশগ্ৰহণ সুনিশ্চিত কৰিব খুজিছিল।

➢ **স্থায়ী বিপ্লৱঃ** মাও-চে-টুঙে গ্ৰামাঞ্চলৰ বাসিন্দাই কৰা বিপ্লৱত বিশ্বাস কৰিছিল। তেওঁৰ মতে বিপ্লৱক এক স্থায়ী চৰিত্ৰ প্ৰদান কৰাৰ এয়াই একমাত্ৰ উপায়। তেওঁ ইয়াকো বিশ্বাস কৰিছিল যে দৰিদ্ৰ কৃষক শ্ৰেণীটোৰ বিপ্লৱীৰ ভূমিকা পালন কৰিব পৰা সামৰ্থ আছে।

➢ **সাংস্কৃতিক বিপ্লৱ বিষয়ক দৃষ্টিভংগী ঃ** মাও-চে-টুঙে দেশত এক বৃহৎ সৰ্বহাৰাৰ সাংস্কৃতিক বিপ্লৱ আৰম্ভ কৰাৰ প্ৰয়াস কৰিছিল। ইয়াৰ দ্বাৰা তেওঁ দলৰ ভূমিকা গৌণ কৰি জনগণৰ ভূমিকা উন্নত কৰিব খুজিছিল। মাও-এ কেতিয়াও দলক সাধাৰণ জনতাৰ চৰম কৰ্তৃত্ব হ'বলৈ এৰি দিয়া নাছিল। দল সদায় ৰাজহুৱা সমালোচনাৰ পাত্ৰ আছিল। সাংস্কৃতিক বিপ্লৱৰ সময়ত তেওঁ 'ৰেডগাৰ্ড' সকলক 'পাৰ্টি' বোলা সংগঠনটো ক্ৰমে নিষ্ক্ৰিয় কৰি তোলাৰ কামত ব্যৱহাৰ কৰিছিল। সাংস্কৃতিক বিপ্লৱৰ পাছত চীনত উত্থান ঘটা কমিউনিষ্ট পাৰ্টিটো বিপ্লৱৰ আগৰ দলটোৰ সৈতে একে নাছিল। নতুন দলটো আগতকৈ অধিক মাৰ্ক্সবাদ, লেনিনবাদ আৰু মাওবাদৰ প্ৰতি দায়িত্বশীল তথা আদৰ্শগতভাৱে দায়ৱদ্ধ আছিল।

এই বিপ্লৱৰ কালছোৱাতে মাও-চে-টুঙে বৃহত্তৰ জনসমাজত এক বৈজ্ঞানিক সংস্কৃতি গঢ়িতোলাৰ চেষ্টাও চলাইছিল। এই একেটা সাংস্কৃতিক বিপ্লৱৰ জৰিয়তে তেওঁ এক নতুন গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। এই নতুন গণতন্ত্ৰত এক নতুন ৰাষ্ট্ৰীয় সংস্কৃতিয়ে গঢ় লৈ উঠিব বুলি তেওঁ আশা কৰিছিল। এই সংস্কৃতি হ'ব চীনৰ জনসাধাৰণৰ সংস্কৃতি।



জানি থোৱা ভাল

নতুন গণতন্ত্ৰ (New Democracy) হ'ল মাও-চে-টুঙে চীনৰ বাবে প্ৰস্তাৱ কৰা এটা ৰাজনৈতিক ব্যৱস্থাৰ নাম। চীন গণতান্ত্ৰিক গণৰাজ্য প্ৰতিষ্ঠা হোৱাৰ পাছত এই ব্যৱস্থাৰ প্ৰচলন ঘটোৱাৰ কথা কোৱা হৈছিল। নতুন গণতন্ত্ৰই তিনিটা গুৰুত্বপূৰ্ণ দিশত জোৰ দিয়ে। ইয়াৰ ৰাজনৈতিক দিস অনুসৰি বুৰ্জোৱাসকলে ক্ষমতাৰ একচেটিয়া ব্যৱহাৰ কৰিব নোৱাৰিব। অৰ্থনৈতিক দিশটোৱে দুটা নীতি অনুসৰণ কৰিব- ৰাষ্ট্ৰই মূলধন নীতি নিয়ন্ত্ৰণ কৰিব আৰু দেশত মাটিৰ মালিকীস্বত্বৰ সমতা স্থাপন কৰা হ'ব। সাংস্কৃতিক দিশ সম্পৰ্কে মাও-এ কৈছিল যে জনগণৰ গণতান্ত্ৰিক গণৰাজ্যত সংস্কৃতি সাম্ৰাজ্যবাদ তথা সামন্তবাদ বিৰোধী হ'ব আৰু এই সংস্কৃতিত সাম্যবাদ (Communism)ৰ প্ৰতিফলন ঘটিব।

➢ **যুদ্ধ আৰু হিংসাত্মক বিপ্লৱ বিষয়ক দৃষ্টিভংগীঃ** মাও-চে-টুঙে সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ হিংসাত্মক পন্থা আৰু যুদ্ধৰ পোষকতা কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে বন্দুকৰ বেৰেলৰ মাজেৰে সৰকি গৈহে ৰাজনৈতিক শক্তিৰ বিকাশ ঘটে। দলে বন্দুকক আদেশ দিয়ে, কিন্তু বন্দুকক কেতিয়াও দলক নিৰ্দেশ দিয়াৰ সুযোগ দিব নালাগে। মাওৰ মতে সাম্ৰাজ্যবাদৰ যুগত শ্ৰেণী সংঘৰ্ষৰ জৰিয়তে আহৰণ কৰা অভিজ্ঞতাবোৰে আমাক ইয়াকে শিকায় যে শ্ৰমজীৱী শ্ৰেণী আৰু সাধাৰণ জনগণে বন্দুকৰ শক্তি অবিহনে মাটিৰ মালিক শ্ৰেণীটোক কেতিয়াও পৰাজিত কৰিব নোৱাৰে। মাও-এ আশা প্ৰকাশ কৰিছিল যে ভৱিষ্যতৰ যুদ্ধবোৰে সাম্ৰাজ্যবাদ সম্পূৰ্ণ নিঃচিহ্ন কৰি সমগ্ৰ বিশ্বতে কেৱল সমাজবাদ প্ৰতিষ্ঠা কৰিব।

➢ **শত পুষ্প নীতিঃ** সাংস্কৃতিক বিপ্লৱ চলি থকা সময়ত মাও-এ এই নীতি অনুসৰণ কৰিছিল। ই মাওৰ নতুন আদৰ্শৰ সামূহিক অভিব্যক্তি প্ৰকাশ কৰে। এই আদৰ্শ অনুসৰি মাৰ্ক্সবাদ-লেনিনবাদক সমৃদ্ধ কৰিব পৰা এশটা ধাৰণা (পুষ্প) থকা উচিত। তেতিয়াহে শুদ্ধ ধাৰণাটো বৰ্তি আৰু অসুস্থ ধাৰণাবোৰ ক্ৰমে নাইকিয়া হ'ব। মাওৰ মতে আদৰ্শগত বিষয়বোৰত শাৰীৰিক বল-শক্তি প্ৰয়োগ কৰিব নালাগে আৰু শুদ্ধ ধাৰণাবোৰক স্বাভাৱিকভাৱে প্ৰবাহিত হোৱাৰ সুবিধা দিব লাগে।

মাও-চে-টুঙৰ ৰাজনৈতিক ধাৰণাবোৰ সম্পৰ্কে ওপৰত কৰা আলোচনাৰ আধাৰত ক'ব পৰা যায় যে নিজৰ ৰাজনৈতিক আদৰ্শৰ তত্ত্ব আৰু অনুশীলনৰ বিকাশত তেওঁ যথেষ্ট অৱদান আগবঢ়াই থৈ গৈছে। এইখিনিতে এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে মাও-চে-

টুঙৰ তত্ত্ব আৰু অনুশীলনে চীনত এক নতুন ৰাজনৈতিক ক্ৰমৰ সূচনা কৰিব বুলি ভবা হৈছিল। মাৰ্ক্সবাদ-লেনিনবাদৰ ভেটিত গঢ় লৈ উঠা মাওৰ শিকনিবোৰক মাওবাদ বোলা হয়।

৯.৪.২ বিপ্লৱ বিষয়ক দৃষ্টিভংগী

মাৰ্ক্সে বিপ্লৱ সমৰ্থন কৰিছিল। তেওঁৰ মতে প্ৰয়োজন হ'লে অস্ত্ৰ-শস্ত্ৰ ব্যৱহাৰ কৰি হ'লেও বিপ্লৱৰ সূত্ৰপাত কৰা উচিত। মাওৰ মতেও মাৰ্ক্স আৰু লেনিনৰ সময়তকৈ বৰ্তমান সময়ত সশস্ত্ৰ বিপ্লৱে এক প্ৰয়োজনীয়তাৰ ৰূপ লৈছে। মাওৰ মতে যিহেতু বিপ্লৱীৰ হাতত পৰ্য্যপ্ত অস্ত্ৰ-শস্ত্ৰ নাথাকে, সেয়েহে তেওঁলোকক গেৰিলা যুদ্ধৰ প্ৰশিক্ষণ দিয়া উচিত। বিপ্লৱীসকলে সদায়েই এনে এক পৰিৱেশ গঢ়ি তুলিব লাগে যিটো গৃহযুদ্ধৰ অনুকূল। এয়া কোনেও অস্বীকাৰ কৰিব নোৱাৰে যে মাওৰ প্ৰচেষ্টা আৰু জোৰতেই গেৰিলা বিপ্লৱৰ পদ্ধতিটোৱে জনপ্ৰিয়তা অৰ্জন কৰিছিল।

মাও-চে-টুঙে বিপ্লৱক এটা স্থায়ী চৰিত্ৰ দিব খুজিছিল। সৰ্বসাধাৰণৰ মাজত শিপাই থকা বিপ্লৱ এটাহে স্থায়ী বিপ্লৱ হ'ব পাৰে। তেওঁ উপলব্ধি কৰিছিল যে এটা বিপ্লৱ দীৰ্ঘস্থায়ী কৰিবলৈ নেতা আৰু সাধাৰণ লোকৰ মাজত থকা প্ৰভেদৰ ওৰ পেলোৱাটো দৰকাৰ। কেৱল শ্ৰমজীৱী শ্ৰেণীবোৰেহে স্থায়ী বিপ্লৱ কঢ়িয়াই আনিব পাৰে বুলি মাৰ্ক্সে কোৱা কথাষাৰ মাও-চে-টুঙে বিৰোধিতা কৰিছিল। মাওৰ মতে এচিয়াত দৰিদ্ৰ খেতিয়কসকলেহে এনে এক বিপ্লৱৰ সূচনা কৰিব পাৰে। যিহেতু চীনৰ অৰ্থনীতি কৃষিভিত্তিক, সেয়েহে তেওঁ বিপ্লৱতখেতিয়কৰ ভূমিকাত জোৰ দিছিল। মাওৰ মতে খেতিয়কসকলক বিপ্লৱৰ নেতা বুলি কোৱা উচিত। কাৰণ, চীনৰ মুঠ জনসংখ্যাৰ গৰিষ্ঠসংখ্যকেই খেতিয়ক। সেয়েহে সামন্তবাদী শক্তিবোৰক ওফৰোৱাত খেতিয়কসকলে প্ৰধান ভূমিকা ল'ব পাৰে।

মাওৰ মতে বিপ্লৱত জয়লাভ কৰিবলৈ অস্ত্ৰ শস্ত্ৰতকৈ মানুহ অধিক গুৰুত্বপূৰ্ণ। তেওঁৰ মতে বিপ্লৱৰ ক্ষেত্ৰত মাৰণাস্ত্ৰ নহয়, মানুহহে এক নিৰ্ণায়ক কাৰক। মাও-এ বিচাৰিছিল যে বিপ্লৱ গ্ৰামাঞ্চলত আৰম্ভ হৈ নগৰ-চহৰত বিয়পি পৰক। মাওৰ মতে বিপ্লৱৰ লক্ষ্য কেৱল ক্ষমতা হস্তগত কৰাটো নহয়, বিপ্লৱক সমাজ ৰূপান্তৰৰ এক আহিলাৰূপেও ব্যৱহাৰ কৰা উচিত।

শান্তিপূৰ্ণ বিপ্লৱৰপ্ৰতি মাও-চে-টুঙৰ কোনো আগ্ৰহ নাছিল। তেওঁৰ মতে শান্তি মানে হ'ল পুঁজিবাদৰ চলিত ব্যৱস্থাটো অব্যহত থকা। কেৱল যুদ্ধ আৰু হিংসাত্মক পন্থাইহে পুঁজিবাদ নিৰ্মূল কৰিব পাৰে।



চিন্তা-চৰ্চা কৰক ৯.১

বিপ্লৱ সম্পৰ্কীয় দৃষ্টিভংগীৰ ভিত্তিত ভি. আই. লেনিন আৰু মাও-চে-টুঙৰ তুলনা কৰক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ "বন্দুকৰ বেৰেলৰ মাজেৰে সৰকি গৈহে ৰাজনৈতিক শক্তিৰ বিকাশ ঘটে"— কোনে কৈছিল?

.....

প্ৰশ্ন ৫ ঃ মাও-চে-টুঙে কাক চীনা বিপ্লৱৰ প্ৰধান শক্তি বুলি অভিহিত কৰিছিল?

.....

৯.৫ এণ্ট'নিঅ' গ্ৰাম্‌ছী

ইটালিয়ান মাৰ্ক্সবাদী চিন্তাবিদ এণ্ট'নিঅ' গ্ৰাম্‌ছীৰ লেখনীবোৰত প্ৰধানতঃ বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ সামাজিক অৱস্থাৰ প্ৰতিফলন দেখা যায়। নাগৰিক সমাজ (civil society) আৰু আধিপত্য (hegemony) হ'ল গ্ৰাম্‌ছীয়ে আলোকপাত কৰা দুটা প্ৰধান ধাৰণা। মাৰ্ক্সবাদৰ কিছুমান নতুন দিশ পোহৰলৈ অনাৰ কৃতিত্বও গ্ৰাম্‌ছীক দিয়া হৈছে। তেওঁ ভেটি আৰু অতি-গাঁথনি (base and superstructure) ৰ মাজৰ সম্পৰ্ক নতুনকৈ সংজ্ঞাৱদ্ধ কৰিছিল আৰু দুয়োটাৰে মাজৰ এক নতুন তৰপৰকথা পোহৰলৈ আনিছিল। এই তৰপটোৱেই হ'ল নাগৰিক সমাজ। পশ্চিমৰ ব্যাপক হাৰত ঔদ্যোগিকীকৰণ ঘটা দেশবোৰত কিয় বিপ্লৱৰ সূত্ৰপাত নহয় তেওঁসেয়াও বিশ্লেষণ কৰি দেখুৱাইছে। মাৰ্ক্সৰ মতে পশ্চিমৰ ব্যাপক হাৰত ঔদ্যোগিকীকৰণ ঘটা দেশবোৰত পুঁজিবাদৰ সৰ্বোচ্চ স্তৰত শ্ৰমজীৱী সমাজে বুৰ্জোৱাৰ বিৰুদ্ধে বিপ্লৱ কৰিব। কিন্তু গ্ৰাম্‌ছীৰ মতে মাৰ্ক্সৰ অনুমান কেৱল এই নাগৰিক সমাজবোৰৰ অস্তিত্বৰ বাবেই সত্যত পৰিণত নহ'ল।

৯.৫.১আধিপত্য সম্পৰ্কে দৃষ্টিভংগী

ইটালিয়ান সাম্যবাদী চিন্তাবিদ, সমাজকৰ্মী আৰু ৰাজনৈতিকনেতা এণ্ট'নিঅ' গ্ৰাম্‌ছী হ'ল আধিপত্যৰ ধাৰণাটোৰ সৈতে সবাতোকৈ ঘনিষ্ঠভাৱে জড়িত থকা তাত্ত্বিক। তেওঁ সৰ্বহাৰা শ্ৰেণী আৰু ইয়াৰ সহযোগীসকলে (দৰিদ্ৰ খেতিয়কশ্ৰেণী) বুৰ্জোৱা শ্ৰেণীটোক সফলতাৰে ক্ষমতাচ্যুত কৰাৰ প্ৰয়োজনীয় চৰ্তক তাত্ত্বিক ৰূপ দিবলৈ আধিপত্যৰ ধাৰণাটো ব্যৱহাৰ কৰিছিল। ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধ আৰু বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ পশ্চিম ইউৰোপীয়ান ৰাষ্ট্ৰবোৰৰ বুৰ্জোৱা গাঁথনিবোৰৰ তত্ত্ব নিৰূপণ কৰিবলৈও গ্ৰাম্‌ছীয়ে আধিপত্যৰ ধাৰণাটো প্ৰয়োগ কৰিছিল। (Prison Notebooks) নাম দিয়া জীৱনৰ শেষ সময়ছোৱাৰ লেখনীবোৰত গ্ৰাম্‌ছীয়ে বিশেষভাৱেএই অভিধাটোৰ জটিল আৰু ভিন্নধৰ্মী ব্যৱহাৰ বিকাশ কৰিছিল (১৯২০ৰ দশকৰ শেষৰ পৰা ১৯৩০ ৰ দশকৰ আৰম্ভণিলৈকে লিখা লেখনীসমূহ যেতিয়া তেওঁ কাৰাগাৰত আছিল)। তেওঁ আধিপত্যই এক নৈতিক আৰু বৌদ্ধিক নেতৃত্বৰ প্ৰক্ৰিয়াৰ কথা বুজায়। ইয়াৰ দ্বাৰা নেতৃত্বই ঔদ্যোগিক

ইউৰোপীয়ান ৰাষ্ট্ৰবোৰৰ দুখীয়া লোকৰ শ্ৰেণীবোৰত নিজ আধিপত্য বিস্তাৰ কৰিছিল অথবা এনে শ্ৰেণীবোৰক নিজৰ বশ কৰিছিল; নিজৰ ওপৰত শাসক শ্ৰেণীটোৰ আধিপত্য মানি লৈছিল। এই কথা নিম্নস্তৰৰ সামাজিক স্থিতিবোৰ মানি ল'বলৈ বাধ্য কৰোৱা অথবা বলপূৰ্বক বাধ্য কৰোৱাৰ বিপৰীত আছিল। এইখিনিতেএটা কথা মনত ৰাখি থোৱা ভাল যে গ্ৰাম্ছীৰ সংজ্ঞা অনুসৰি আধিপত্য হ'ল প্ৰভাৱশালী শ্ৰেণীটোৱে অনুশীলন কৰা নিয়ন্ত্ৰণৰ এটা ৰূপ। গ্ৰাম্ছীৰ মতে তেওঁৰ জীৱনকালত পশ্চিম ইউৰোপৰ ৰাষ্ট্ৰবোৰৰ থকা প্ৰভাৱশালী শ্ৰেণীটো হ'ল বুৰ্জোৱাসকল, সামাজিক উৎপাদনৰ উপায়বোৰৰ গৰাকীসকল আৰু দিন-হাজিৰা কৰা শ্ৰমিক নিযুক্তি দিয়া নিয়োগকৰ্তাসকল। এই সময়ছোৱাৰ প্ৰধান বহতীয়া শ্ৰেণীটো আছিল নিজাকৈ উৎপাদনৰ কোনো উপায় নথকা সৰ্বহাৰাসকল।

গ্ৰাম্ছীৰ মতে সমাজৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক প্ৰতিটো খণ্ডতে আধিপত্যৰ অস্তিত্ব আছে। সাংস্কৃতিক ক্ষেত্ৰত আধিপত্যৰ প্ৰভাৱ যথেষ্ট তীব্ৰ। তেওঁ অতি-গাঁথনি এটাক নাগৰিক সমাজ আৰু ৰাজনৈতিক সমাজত ভাগ কৰিছিল। গ্ৰাম্ছীয়ে কৈছিল যে পুঁজিপতি শ্ৰেণীটোৱে এই অতি-গাঁথনিটো হস্তগত কৰি সমাজৰ অন্য শ্ৰেণীবোৰৰ ওপৰত নিজ আধিপত্য বিস্তাৰ কৰে। এই আধিপত্য বিশেষভাৱে নাগৰিক সমাজৰ সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ ক্ষেত্ৰত দৃশ্যমান। নাগৰিক সমাজৰ অনুষ্ঠান - প্ৰতিষ্ঠানবোৰে মানুহক এই কথা বিশ্বাস কৰিবলৈ বাধ্য কৰায় যে পুঁজিবাদী ব্যৱস্থাই হ'ল সৰ্বশ্ৰেষ্ঠ ব্যৱস্থা আৰু পুঁজিপতিসকলেই হ'ল সৰ্বশ্ৰেষ্ঠ শ্ৰেণী। এনে অনুষ্ঠান- প্ৰতিষ্ঠানবোৰৰ বাবে মানুহে নিজৰ ওপৰত চলা শোষণৰ কথা পাহৰি যায় আৰু পুঁজিপতি শ্ৰেণীৰ আধিপত্য মানি লোৱাৰ সন্মতি প্ৰদান কৰে।

গ্ৰাম্ছীৰ মতে পুঁজিপতি শ্ৰেণীক উৎখাত কৰিবলৈ সমাজত এক প্ৰতিপক্ষ আধিপত্যৰ প্ৰতিষ্ঠা হ'ব লাগিব। ইয়াৰ বাবে সৰ্বহাৰা শ্ৰেণীটোৱে নাগৰিক সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠানবোৰ হস্তগত কৰিব লাগিব আৰু মানুহক তেওঁলোকৰ ওপৰত চলা শোষণ সম্পৰ্কে সজাগ কৰি তুলিব লাগিব। তেতিয়াহে পুঁজিপতি শ্ৰেণীৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা হ'ব।

৯.৫.২ ৰাষ্ট্ৰ সম্পৰ্কে দৃষ্টিভংগী

গ্ৰাম্ছীয়ে সমাজৰ আতি-গাঁথনিটোক নাগৰিক সমাজ আৰু ৰাজনৈতিক সমাজ নামৰ দুটা প্ৰধান স্তৰত ভাগ কৰিছিল। সকলো বল-ভয়-ভীতি প্ৰদৰ্শনকাৰী ক্ষমতা অথবা অৱদমনমূলক ক্ষমতা অথবা সম্পূৰ্ণ ৰাজনৈতিক বৈশিষ্ট্য সম্বলিত কাম-কাজবোৰ ৰাজনৈতিক সমাজৰ অংশ। আনহাতে, ধৰ্ম, শিক্ষা, ব্যৱসায় আৰু সাংস্কৃতিক সংগঠনবোৰ নাগৰিক সমাজৰ অংশ। সহজ ভাষাত, নিজক অনুসৰণ কৰিবলৈ কোনো মানুহৰ ওপৰতেই বল প্ৰয়োগ নকৰা যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানেই নাগৰিক সমাজৰ অংশ। অৰ্থাৎ,

ৰাজনৈতিক শক্তি হ'ল অতি-গাঁথনিটোৰ বল প্ৰয়োগ ভিত্তিক অংশ আৰু নাগৰিক সমাজ হ'ল মানুহৰ সন্মতি ভিত্তিক অংশ। তাতোকৈ সংকীৰ্ণ অৰ্থত গ্ৰাম্ছীয়ে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সমষ্টি নাগৰিক সমাজবোৰক ব্যক্তিগত খণ্ড আৰু ৰাজনৈতিক সমাজখনক ৰাষ্ট্ৰ বুলি অভিহিত কৰিছে। তেওঁ ইয়াকো কৈছিল যে নাগৰিক সমাজৰ আধিপত্যৰ সৈতে আৰু ৰাজনৈতিক সমাজ অথবা ৰাষ্ট্ৰৰ প্ৰত্যক্ষ প্ৰভাৱ অথবা নিৰ্দেশৰ সৈতে সম্পৰ্ক আছে। গ্ৰাম্ছীয়ে তলত দিয়া ধৰণে নিয়ন্ত্ৰণৰ আপেক্ষিকভাৱে ভিন্ন ৰূপ দুটাৰ মাজত থকা প্ৰভেদবোৰ নিৰূপণ কৰিছিল—

- প্ৰভাৱশালী মৌলিক গোটটোৰ দ্বাৰা সামাজিক জীৱন বিষয়ক সাধাৰণ নিৰ্দেশনা দিয়াৰ কথাটোত বৃহত্তৰ জনসমূহে স্বতঃস্ফূৰ্ত সন্মতি প্ৰদান কৰাই হ'ল সামাজিক আধিপত্য।
- ৰাজনৈতিক চৰকাৰে ৰাষ্ট্ৰৰ বলপ্ৰয়োগকাৰী ক্ষমতাৰ আহিলাবোৰৰ নামকৰণ কৰে। এনে ক্ষমতাৰ দ্বাৰা সক্ৰিয় অথবা নিষ্ক্ৰিয়ভাৱে সন্মতি প্ৰদান কৰাৰ পৰা বিৰত থকা গোটবোৰক আইনসংগতভাৱে অনুশাসন মানি চলিবলৈ বাধ্য কৰোৱা হয়। স্বতঃস্ফূৰ্ত সন্মতি আদায়ৰ প্ৰচেষ্টা বিফল হ'লে নিৰ্দেশ আৰু পৰিচালনাৰ সংকটে দেখা দিব পৰা মূহুৰ্তবোৰৰ কথা অনুমান কৰি ইয়াক সমগ্ৰ সমাজখনৰ বাবে প্ৰতিষ্ঠা কৰা হয়।

ওপৰত উল্লেখ কৰা প্ৰভেদবোৰে আমাক সামাজিক নিয়ন্ত্ৰণৰ বিভিন্ন উপায় বুজাত সহায় কৰে যদিও গ্ৰাম্ছীয়ে সামাজিক আধিপত্য আৰু ৰাজনৈতিক চৰকাৰক দুটা সম্পূৰ্ণ পৃথক শিতানত নথ'লে। তেওঁ দুয়োটাকে 'সংহত ৰাষ্ট' (integral state) ৰ ধাৰণাটোৰ অধীনত আলোচনা কৰিছিল। গ্ৰাম্ছীয়ে মাজে সময়ে 'ৰাষ্ট্ৰ' অভিধাটো চৰকাৰী বলপ্ৰয়োগকাৰী আহিলাবোৰৰ বিষয়ে বুজাবলৈ আৰু আন কেতিয়াবা এখন বৃহত্তৰ সাধাৰণ ৰাষ্ট্ৰৰ ধাৰণা অথবা সংহত ৰাষ্ট্ৰৰ কথা বুজাবলৈ ব্যৱহাৰ কৰিছিল। এই বৃহত্তৰ ধাৰণাত সামাজিক আধিপত্যৰ কাৰ্যসম্পাদন আৰু ৰাজনৈতিক চৰকাৰ উভয়কে সামৰি লোৱা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ গ্ৰাম্ছীৰ মতে কোনটো শ্ৰেণীয়ে সমাজত আধিপত্য প্ৰতিষ্ঠা কৰে?

.....

প্ৰশ্ন ৭ ঃ গ্ৰাম্ছীয়ে ৰাষ্ট্ৰৰ ধাৰণাটোৰ সৈতে সকলো ধৰণৰ বলপ্ৰয়োগকাৰী অথবা অৱদমনকাৰী ক্ষমতাকো সাঙুৰিছিল। (শুদ্ধ /অশুদ্ধ)

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লেনিনৰ মতে পুঁজিবাদৰ সৰ্বোচ্চ পৰ্যায়টো হ'ল সাম্ৰাজ্যবাদ। তেওঁ এই পৰ্যায়টোত পাঁচটা স্তৰ আছে বুলি কৈছিল। এই পৰ্যায়ত দেখা দিয়া সংকটে সাম্ৰাজ্যবাদৰ পতন ঘটায়।
- শ্ৰমিক আৰু দৰিদ্ৰ খেতিয়াক শ্ৰেণীৰ ওপৰত চলা নিপীড়ন ৰোধ কৰিবলৈ লেনিনে বিপ্লৱৰ তত্ত্ব বিকাশ ঘটাইছিল। ৰাছিয়াৰ সম্ভাব্য বিপ্লৱী শ্ৰেণীটো আছিল খেতিয়ক, শ্ৰমিক, ৰাছিয়ান বুৰ্জোৱা আৰু ৰাষ্ট্ৰীয় সংখ্যালঘুসকল। তেওঁৰ মতে ৰাছিয়াত বিপ্লৱে দুটা স্তৰৰ মাজেৰে গতি কৰিব। লেনিনে ভাবিছিল যে বিশ্বৰ যিকোনো এখন দেশত সমাজবাদ প্ৰতিষ্ঠা কৰি একে সময়তে অন্য অঞ্চলতো বিপ্লৱৰ সূত্ৰপাত কৰিব পৰা যাব।
- ৰাছিয়ান বিপ্লৱত 'ভেনগার্ড পার্টিয়ে বিপ্লৱী শক্তিবোৰক একগোট কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল, উদ্দেশ্যমূলক প্ৰচাৰ শ্লোগান আৰু বার্তাৰ জৰিয়তে খেতিয়ক সমাজক সচেতন কৰি তুলিছিল।
- মাও-চে-টুঙৰ ৰাজনৈতিক চিন্তাবোৰ ৰাইজৰ যুদ্ধ, স্থায়ী বিপ্লৱ, সাংস্কৃতিক বিপ্লৱ, যুদ্ধ আৰু হিংসাত্মক পন্থাৰ বিপ্লৱ, শত পূৰণ নীতি আদিৰ দৰে ধাৰণাৰ উল্লেখেৰে বিশ্লেষণ কৰি চাব পাৰি।
- মাও-চে-টুঙে হিংসাত্মক পন্থাৰ বিপ্লৱ আৰু স্থায়ী বিপ্লৱৰ সমর্থন কৰিছিল। তেওঁ চীনা বিপ্লৱতখেতিয়ক সমাজে অগ্ৰণী ভূমিকা লোৱাত জোৰ দিছিল।
- গ্ৰাম্‌ছীয়ে আগবঢ়োৱা আধিপত্যৰ সংজ্ঞা অনুসৰি ই হ'ল নিয়ন্ত্ৰণৰ এটা ৰূপ। সমাজৰ প্ৰভাৱশালী শ্ৰেণীটোৱে সমাজৰ অতি-গাঁথনিটো হস্তগত কৰি এই নিয়ন্ত্ৰণৰ অনুশীলন কৰে। নাগৰিক সমাজৰ সকলো অনুষ্ঠান/ প্ৰতিষ্ঠানৰ ওপৰত এই নিয়ন্ত্ৰণ চলোৱা হয়।
- গ্ৰাম্‌ছীয়ে কেতিয়াবা 'ৰাষ্ট্ৰ' অভিধাটোৰে সংকীৰ্ণ অৰ্থত চৰকাৰী বলপ্ৰয়োগকাৰী আহিলাবোৰৰ কথা আৰু আন কেতিয়াবা বৃহত্তৰ অৰ্থত 'ৰাষ্ট্ৰৰ সাধাৰণ ধাৰণা' অথবা 'সংহত ৰাষ্ট্ৰৰ' ধাৰণাটো বুজাবলৈ ব্যৱহাৰ কৰিছিল। ইয়াত সামাজিক আধিপত্যৰ কার্যকলাপ আৰু ৰাজনৈতিক চৰকাৰ দুয়োটাকৈ সামৰি লোৱা হয়।



৯.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1. Dhariwal, U.K. (2008). *Western political thought*. New Delhi: Arise Publishers & Distributors.

2. Gogoi, P. (2007). *Degree political theory*. Guwahati : Banalata Publication.
3. Johari, J.C. (1994). *Traditions of political thought*. Bombay: Himalayan Publishing House.
4. Robert. P. & Sutch, P. (2005). *An introduction to political thought: A conceptual toolkit*. New Delhi: Atlantic Publishers and Distributers.
5. Singh, G. (Ed.). (2008). *Western political thinkers*. New Delhi: Omega Publications.

অসমীয়া গ্ৰন্থঃ

১) পাল, কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ (২০০৫)। *স্নাতক মহলাৰ ৰাজনৈতিক চিন্তাবিদ।* গুৱাহাটী ঃ অৰুণ প্ৰকাশন।



৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্ৰাজ্যবাদ।
২ নং প্ৰশ্নৰ উত্তৰ ঃ ভি.আই. লেনিন।
৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভেনগার্ড পাটি।
৪ নং প্ৰশ্নৰ উত্তৰ ঃ মাও-চে-টুং।
৫ নং প্ৰশ্নৰ উত্তৰ ঃ খেতিয়ক শ্ৰেণী।
৬ নং প্ৰশ্নৰ উত্তৰ ঃ পুঁজিপতি শ্ৰেণী।
৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৯.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ লেনিনৰ মতে বিপ্লৱৰ পৰ্যায় দুটা কি কি?
প্ৰশ্ন ২ ঃ মাও-চে-টুঙে কেনেদৰে বিপ্লৱক এটা স্থায়ী চৰিত্ৰ দিব বিচাৰিছিল?

(খ) চমু প্ৰশ্ন-(প্ৰতিটো প্ৰশ্নৰ প্ৰায় ১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ ঃ ৰাছিয়াত কমিউনিষ্ট পাৰ্টিৰ ভূমিকা চমুকৈ ব্যাখ্যা কৰক।
প্ৰশ্ন ২ ঃ বিপ্লৱ সম্পৰ্কে মাও-চে-টুঙৰ দৃষ্টিভংগীৰ ওপৰত এটি টোকা লিখক।
প্ৰশ্ন ৩ ঃ ৰাষ্ট্ৰ সম্পৰ্কে গ্ৰাম্‌ছীৰ দৃষ্টিভংগী কি আছিল ব্যাখ্যা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ সাম্ৰাজ্যবাদ সম্পৰ্কে লেনিনৰ দৃষ্টিভংগী কেনে আছিল আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মাও-চে-টুঙৰ ৰাজনৈতিক ধাৰণাবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ এণ্ট'নিঅ' গ্ৰাম্‌ছীৰ আধিপত্যৰ ধাৰণাটো বিশ্লেষণ কৰক।

****

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধার্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।